
# সাম্প্ৰতিক সাময়িকী



ফেব্ৰুৱাৰী, ১৯৭৯ চন

OKDISCD

## সূচীপত্ৰ

**ফ'কাছ/** অসম সাহিত্য সভাৰ মৰণোত্তৰ পৰীক্ষাৰ সময় হৈছেনে ? ॥ মাৰ্চ '৭৮ৰ বিশেষ সাহিত্যসভা সংখ্যা 'সাম্প্ৰতিক সাময়িকী'ৰ সম্পাদকীয় আৰু মুকলি আলোচনাৰ সাঁত ধৰি অসমৰ নতুনচাম লেখক, সাহিত্য সভাৰ বৰ্তমানৰ নেতৃত্ব আৰু ইয়াৰ চৰিত্ৰ সম্পৰ্কে বিস্তৃত আলোচনা আগবঢ়াইছে এই আলোচনীৰ নিয়মীয়া লেখক, বিশিষ্ট ৰামপন্থী বুদ্ধিজীৱী ডঃ হীৰেন গোহাঁয়ে ॥ পৃষ্ঠা ৯ ॥

**প্ৰসংগক্ৰমে/** নাগালেণ্ড নাগালেণ্ড! বিয়োগান্তক নাটকৰ পৰিণতি, অন্ত এক অধ্যায় ॥ জ্ঞান পূজাৰী ॥ পৃষ্ঠা ২ ॥

**প্ৰবন্ধ/** দায়িত্বপূৰ্ণ বিতৰ্ক সম্পৰ্কে ॥ প্ৰশ্ন তুলিছে উদীয়মান লেখক অধ্যাপক অতুল গোস্বামীয়ে ॥ পৃষ্ঠা ২৫ ॥ ভাৰতবৰ্ষ আৰু নাগা জনসাধাৰণ ॥ জ্বলন্ত নাগা সমস্যাৰ সম্পৰ্কে আন্তৰ্জ্যাতিক খ্যাতিসম্পন্ন সাংবাদিক নেভিল মেক্সৱেলৰ ঐতিহাসিক বিশ্লেষণ ॥ পৃষ্ঠা ৪৬ ॥

**সাময়িক প্ৰসংগ/** ভিয়েটনামৰ কাম্বোডিয়া আক্ৰমণ— পুতলা চৰকাৰ গঠন ॥ পৰ্যবেক্ষক ॥ পৃষ্ঠা ১৯ ॥

**আন্তৰ্জাতিক ৰাজনীতি/** দুই বৃহৎ শক্তিৰ ৰণভূমি আফ্ৰিকা (৪) ॥ ভাৰ্গৱ গোস্বামী ॥ পৃষ্ঠা ৫৭ ॥

**গল্প/** শৰাইঘাটৰ হেংদান ॥ পূৰ্ণানন্দ চুতীয়া ॥ পৃষ্ঠা ৩১ ॥ ৰণথলী গড়ত কিহৰ শব্দ ॥ অৰূপা (পটংগীয়া) কলিতা ॥ পৃষ্ঠা ৩৫ ॥

**কবিতা/** পুণ্ডৰীকাক্ষ ভৰালী ॥ মদন শৰ্মা ॥ মৃনাল চৌধুৰী ॥ ৰবীন্দ্ৰ সৰকাৰ ॥ পূৰ্ণ ভট্টাচাৰ্য ॥ পৰশু গোস্বামী ॥ ৰাজু সাহা ॥ যোচেফ ছাইমন কটাৰ (নিগ্ৰো) অনু: আভা ভট্টাচাৰ্য ॥ পৃষ্ঠা ৬৫ ॥

প্ৰচ্ছদপট পৰিকল্পনা আৰু অংকন ॥ বেণু মিশ্ৰ ॥
সম্পাদক : নিত্য বৰা ॥ সহযোগী : জ্ঞান পূজাৰী ॥

OKDISCD

# প্ৰসংগ ক্ৰমে

## নাগালেণ্ড নাগালেণ্ড ! বিয়োগান্তক নাটকৰ পৰিণতি অন্য এক অধ্যায়

জ্ঞান পূজাৰী

নতুন বছৰৰ পহিলা সপ্তাহতে নাগালেণ্ড—অসমৰ সীমান্তবৰ্তী অঞ্চলত যি বৰ্বৰ, অমানবীয় হত্যাকাণ্ড সংঘটিত হ'ল, অসমৰ জনতা চৰকাৰৰ জনৈক মন্ত্ৰীৰ ভাষাতে 'অসমৰ ৰাজ্যক্ষেত্ৰত নাগা আক্ৰমণকাৰীয়ে দেখুওৱা বৰ্বৰতাৰ দ্বিতীয় উদাহৰণ বুৰঞ্জীত নাই; আনকি মানৰ দিনৰ অত্যাচাৰকো চেৰ পেলালে ।' চৰকাৰী সূত্ৰমতেই ২৫ হাজাৰৰো অধিক সহায়-সম্বলহীন গৃহহাৰা লোক পুনৰ নিঠৰুৱা হ'ল, নৃশংস অত্যাচাৰত ৩ হাজাৰৰো অধিক লোকৰ মৃত্যু হ'ল, গাভৰু-বোৱাৰীৰ বুকু কাটি, শ শ আবাল-বৃদ্ধ-বণিতাৰ হাত-ভৰি কাটি এক পাশবিক বধ্যভূমিলৈ পৰিণত কৰা হ'ল-দৈয়াং-ৰেংমা বনাঞ্চলৰ বিস্তৃত এলেকা ।

ৰাজ্যৰ বিভিন্ন মন্ত্ৰী, প্ৰাক্তন কেন্দ্ৰীয় মন্ত্ৰী ৰাজনাৰায়ণ আৰু বিভিন্ন চৰকাৰী সূত্ৰই নাগালেণ্ডৰ 'বিচ্ছিন্নতাকামী' আন্দোলনৰ পৰা গুচি অহাৰ পিছত 'পুনৰ সংস্থাপিত' সশস্ত্ৰ পুলিছক এই ঘটনাৰ লগত জড়িত বুলি আৰু কিছুমানে নাগালেণ্ডৰ একাংশ পুলিছ জড়িত বুলি অভিযোগ কৰিছে । পুলিছৰ মতে গ্ৰেপ্তাৰ হোৱা লোকৰ মাজত এজন সশস্ত্ৰ পুলিছৰ লোকো আছে । ইয়াৰ আগতে পুলিছে চুঙাজান গাঁৱত নাগালেণ্ড সশস্ত্ৰ পুলিছৰ বেজ্‌ উদ্ধাৰ কৰা বুলি দাবী কৰিছে । অন্যান্য কেতবোৰে আকৌ ছোভিয়েট ৰাছিয়াৰ মাদলৰ ছেৰত উন্নাহতে গা-সাতখন-আঠখন কৰি এই ঘটনাৰ সন্দৰ্ভত চীনে উচটাইছে বুলি জগৰীয়া কৰিছে ।

সি যি কি নহওক, স্বয়ং অসমৰ মুখ্যমন্ত্ৰীয়েও স্বীকাৰ কৰিছে যে; 'অসমৰ মাটিৰ ওপৰত অবৈধ দাবী তুলি ৰাজ্যখনৰ সীমান্ত উত্তেজনামূলক পৰিস্থিতি সৃষ্টিৰ কৰিবৰ বাবে নাগালেণ্ডৰ এক শ্ৰেণীৰ লোক সক্ৰিয় হৈ থকাৰ ফলত সীমান্ত অঞ্চলত নতুনকৈ উত্তেজনা সৃষ্টি হোৱাৰ আশংকা কৰি ৰাজ্য চৰকাৰে যোৱা ১৩ ডিচেম্বৰতেই কেন্দ্ৰীয় চৰকাৰলৈ লিখিছিল আৰু এই সংক্ৰান্তত কেন্দ্ৰীয় চৰকাৰক উপযুক্ত ব্যৱস্থা ল'বৰ বাবে অনুৰোধ জনাইছিল ।'

নাগালেণ্ডৰ পুলিছক জড়িত কৰাৰ সন্দৰ্ভত নাগালেণ্ডৰ মুখ্যমন্ত্ৰী ভিজলে এই লিপ্ততাৰ কথা অস্বীকাৰ কৰি কয়, 'মই গুলি আৰু বেজৰ বিষয়ে একো নাজানো । মই বিশ্বাস কৰো যে এই ঘটনাত আমাৰ পুলিছক লিপ্ত কৰাৰ বাবে এইটো এটা চেষ্টা ।'—'মোৰ পুলিছৰ সততা সম্পৰ্কে মোৰ কোনো সন্দেহ নাই ।'



এই নাৰকীয় ঘটনা ঘটি যোৱাৰ পৰৱৰ্তী সময়ৰ অসম চৰকাৰৰ সোপাটিলা মন্তব্যই প্ৰশাসনিক ব্যৱস্থাৰ প্ৰতিচ্ছবি এনেধৰণৰ : 'নাগালেণ্ডৰ সীমামূৰীয়া শিৱসাগৰ জিলাৰ কেবাখনো গাঁৱৰ ওপৰত নাগাই নৃশংসভাৱে আক্ৰমণ চলোৱাৰ ছদিনৰ মূৰতো শিৱসাগৰ জিলা প্ৰশাসনৰ কোনো বিষয়াই ক্ষতিগ্ৰস্ত গাঁৱত পদাৰ্পন কৰা নাই ।' তদুপৰি গোলাঘাটৰ চিভিল প্ৰশাসনিক বিষয়াবৰ্গৰ হেমাহিৰ কথাও বিভিন্ন কাকতে প্ৰকাশ কৰিছে । অন্যহাতে তেওঁলোকৰ ঘোচখোৰ, দুৰ্নীতিমুলক কাম কাজত দেখুউৱা চমকপ্ৰদ দক্ষতা সৰ্বজনবিদিত । কিন্তু দাতিকাষৰীয়া অঞ্চলসমূহত যেতিয়া, 'শ্মশানৰ জয়াৰ পৰিৱেশ বিৰাজমান', 'কাউৰীৰ ৰমলিয়নি আৰু শকুনৰ অদ্ভুত ধৰণৰ হেম্বেলনিৰ শব্দ' আৰু বনাঞ্চলৰ 'দুৰ্ভেদ্য' অঞ্চলৰ পৰা দিনে দিনে চালান হোৱা মৃতদেহৰ অদ্ভুত গোন্ধ আৰু কাউৰী-শগুন-কুকুৰে টানি অনা ছিন্নভিন্ন শৱদেহে তেওঁলোকক টলাব নোৱাৰে; তেওঁলোকৰ এই ঋষিসদৃশ চাৰিত্ৰিক গুণৰাজিও সৰ্বজনবিদিত !

কিন্তু এটা কথা অসম আৰু নাগালেণ্ডৰ উভয় মুখ্যমন্ত্ৰীয়েই স্বীকাৰ কৰিব যে, ৩০ কিঃ মিঃ দীঘল আৰু ১২ কিঃ মিঃ বহল, এই ব্যাপক অঞ্চলটোত সংঘটিত হত্যাকাণ্ড কোনো অত্যন্ত সুপৰিকল্পিত, শীতল মগজুৰ উৰ্বৰ কৌশলৰ ফলশ্ৰুতি । তদুপৰি এই ভয়াবহ ধ্বংসলীলা উভয় ৰাজ্য চৰকাৰ, কেন্দ্ৰীয় চৰকাৰ, আমোলা বিষয়াৰ দপ্তৰ সকলোৰে জ্ঞাতসাৰেই সম্পন্ন হৈছিল আৰু সৰ্বোপৰি এই অঞ্চলৰ ৰাইজে আগতীয়াকৈ গোলাঘাটৰ চিভিল প্ৰশাসনক এই সম্পৰ্কে সকীয়াই দিছিল । শুনা যায়, একেলগে একে মাটিতে খেতি-বাতি কৰা নাগা তিৰোতাসকলে অসমৰ তিৰোতাসকলক এই ঘটনাৰ আগে আগে সাবধান কৰি দিছিল । উল্লেখযোগ্য, যোৰহাটৰ পৰা প্ৰকাশিত 'গণদূত' নামৰ এখনি বাৰ্তালোচনীয়ে ডিচেম্বৰ মাহতে এই বিষয়ে এক সংবাদ পৰিৱেশন কৰিছিল । সংবাদটি আছিল : বিভেদকামী শক্তিৰ কুচক্ৰান্ত···'দৈয়াং বনাঞ্চলত বসতি স্থাপন কৰা নগা ৰাইজে তেওঁলোকৰ মাটিত স্থানীয় অসমীয়া খেতিয়কসকলক আধিয়াৰ পদ্ধতিত খেতি কৰিবলৈ দিছিল । কিন্তু কিছুমান নেতা আৰু আমোলাৰ প্ৰৰোচনাত অসমীয়া খেতিয়কসকলে মাটিৰ গৰাকী নগাসকলক অধিয়াৰ ভাগ নিদি গোটেইখিনি শস্য আত্মসাৎ কৰাত নগাসকল অসমীয়া ৰাইজৰ ওপৰত ক্ষুন্ন হৈ পৰে । আৰু তেওঁলোক সশস্ত্ৰ হৈ আহি আত্মসাৎকাৰীসকলক আঘাত কৰে ।'

বিভিন্ন সূত্ৰৰ পৰা জনা যায় যে, নাগা বস্তিয়ে বস্তিয়ে এখন প্ৰচাৰ পত্ৰ বিলোৱা হৈছিল । এই প্ৰচাৰ পত্ৰখনি আছিল প্ৰৰোচনামূলক । ১৮ ডিচেম্বৰৰ দিনা আমফা বস্তিত এখন ডাঙৰ মিটিঙো হৈছিল আৰু ইয়াৰ পিছতে হেবছু বস্তিত এই হত্যাকাণ্ডৰ পৰিকল্পনাও ৰচিত হৈছিল বুলি জনা যায় । নাগাসকলে ৰেংমা বস্তিৰ পৰা তেওঁলোকৰ নিজৰ নিজৰ পৰিয়ালবোৰ লৈ গৈছিল ।

প্ৰহসনৰ কথা যে, অসমৰ মুখ্যমন্ত্ৰীৰ লগত নাগালেণ্ডৰ মুখ্যমন্ত্ৰীৰ একেলগে যোৱা ২ জানুৱাৰীৰ দিনা বিবাদ মীমাংসা নোহোৱালৈকে স্থিতাবস্থা বাহাল ৰখা তথা বনাঞ্চলসমূহ তেনেদৰেই অক্ষুণ্ণ ৰখাৰ সপক্ষে দিয়া বিবৃতিৰ পিছতে এই ঘটনা ঘটে ।

১৯৭২ চনত অসম আৰু নাগালেণ্ড দুয়োখন চৰকাৰৰ মাজত সম্পাদিত চুক্তি-পত্ৰ অনুসৰি (সুন্দৰম কমিছনৰ পৰামৰ্শ) বনাঞ্চলৰ ভালেমান অঞ্চল এক নিৰপেক্ষ অঞ্চল হিচাপেহে থাকিব পাৰিব……… । সেয়ে জনতা চৰকাৰে যেতিয়া ঢাক-ঢোল কোবাই দৈয়াং বনাঞ্চলৰ বিজয় উৎসৱ যোৱা জুন মাহত পালন কৰিছিল লগে লগে নাগালেণ্ডৰ মুখ্য মন্ত্ৰীয়ে অসম চৰকাৰক সতৰ্ক কৰি দিছিল। আজি কংগ্ৰেছে যদিও জনতা চৰকাৰক গালি-গালাজ পাৰিছে আচলতে কিন্তু এই বিবাদমান অঞ্চলটিত জনবসতি আৰম্ভ হৈছিল কংগ্ৰেছী আমোলত ১৯৭০ চন মানৰ পৰাই। গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলৰপৰা ভূমিহীন বড়ো, কছাৰী, নেপালী আদি মানুহ আনি এই বিবাদমান অঞ্চলটোলৈ নিকৰুণভাবে বলিৰ পাঠাৰ দৰে থেলি দিয়াৰ বাবে দায়ী কংগ্ৰেছ চৰকাৰহে। ক্ষমতাহীন চৰকাৰে বিজয় উৎসৱত মত্ত হৈ মাটিৰ পট্টন দিবলৈহে গৈছিল।

অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন কাকতৰ ইমান হৈ হাল্লা সত্বেও, হস্পিতেলৰ আহত ৰোগীয়ে কয় যে, সেই ৰাতিৰ অতৰ্কিত ভয়াবহ আক্ৰমণৰ বিচিত্ৰ কোলা-হলৰ মাজত আমি যি কণ্ঠ শুনিবলৈ পাইছিলোঁ। সেই মতি-কথা অনিবাৰ্যভাবে কেৱল নাগালোকৰেই নাছিল। মানে এইটো কথা ন-দি কব নোৱাৰি যে দুৰ্বৃত্ত-বোৰ সকলো নাগালোক আছিল।

১৯৫৬ চনত পাৰ্লামেণ্টৰ কেতবোৰ এম. পিয়ে নাগালেণ্ডত নাজীৰ অত্যাচাৰতকৈও বিভৎস অত্যাচাৰ হৈছে বুলি অভিযোগ তোলাত নেহেৰুৱে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল— 'I believe that there were cases in the early days when, Our army, suspecting that some villages had been occupied by these hostiles, directly burnt them or the villages were burnt in the firing.' আৰু ১২ বছৰ পিছত ইন্দিৰা গান্ধীৰ দিনত কৰা অত্যাচাৰেও হিটলাৰী নিস্পেষণৰ সীমা চেৰাই গৈছিল। এম. পি. Rano Shaiza'ৰ মতে - In a particular village of Nagaland 300 women fell into the hands of army. All of them were raped by soldiers or officers. Chiang Kai Shek's white army followed the policy of 'Burn All ! Loot All ! Kill All !' The Indian army is one step ahead. It can be credited with one more degree apart from, three 'Rape All ! (Nagaland and Indian democracy-M. R. Ravi)

নতুন জনতা চৰকাৰ প্ৰতিষ্ঠিত হৈ যদিও N. N. C ক আইনী সংস্থা হিচাপে স্বীকৃতি দিলে তথাপি লণ্ডনত ফিজোৰ লগত হোৱা সাক্ষাৎকাৰতে দেশাই চৰকাৰৰ নাগাবিদ্ৰোহীৰ প্ৰতি থকা অনমনীয় মনোভাৱ ফুটি উঠে: 'What is there to settle ? I will show absolutly no leniency to rebels. If you want to persist on independence I will have nothing to talk about. I will exterminate the rebel Nagas.' অন্যহাতে যদিও ফিজোৰ ফেডাৰেল চৰকাৰে যোৱা ফেব্ৰুৱাৰী মাহৰ নাগালেণ্ডৰ যি নিৰ্বাচনে ভিজলক ক্ষমতাসীন কৰালে সেই নিৰ্বাচনক স্বীকৃতি দিয়া নাই, মুখ্যমন্ত্ৰী ভিজলে বাৰে বাৰে ভাৰত চৰকাৰক সকিয়াই দি আছে যে ফিজোৰ অবিহনে ভাৰতবৰ্ষ আৰু নাগা-জনগণৰ সমস্যাৰ শান্তিপূৰ্ণ সমাধান হোৱাৰ আশা নাই : Phizo is still known in every house of Nagaland and his participation is needed for lasting Peace.' মুখ্যমন্ত্ৰী ভিজলৰ নাগাবিদ্ৰোহী তথা নাগাজনসাধাৰণৰ প্ৰতি থকা মনোভাৱ তেওঁৰ লগত হোৱা সাক্ষাৎকাৰতে অনুভব হয়— 'আমি আত্ম-গোপনকাৰীসকলৰ অনুভূতি বুজি পাওঁ, কাৰণ তেওঁলোকো নাগা। তেওঁলোকে এটা কাৰণতেই সংগ্ৰাম কৰি আছে।' (অগ্ৰদূত)

অন্যহাতে ইন্দিৰা গান্ধীয়ে শাসনভাৰ লৈয়েই শান্তি মিছনৰ সকলো ব্যৱস্থা নগ্নভাবে বাতিল কৰি মাইকেল স্কটক গ্ৰেপ্তাৰ কৰে আৰু নাগালেণ্ডত কেন্দ্ৰীয় চৰকাৰৰ পুতলা স্বৰূপ মুখ্যমন্ত্ৰী হাকিছে ছামাৰ (১৯৭৬ চনৰ নবেম্বৰ মাহৰ ঐতি-হাসিক জৱাহৰনগৰৰ কুখ্যাত নায়ক) দ্বাৰা নাগালেণ্ডত ফেছিষ্ট অত্যাচাৰকো চেৰ পেলাই নাৰকীয় বৰ্বৰতাৰ মুখলৈ হাজাৰ হাজাৰ গাওঁবাসীক ঠেলি দিলে। এটা নাগাবিদ্ৰোহীৰ বিচ্ছিন্ন দলে ১৯৭৩ চনৰ আগষ্ট মাহত যেতিয়া কোজিমাত বহুল প্ৰচাৰিত 'আত্মসমৰ্পন' অনুষ্ঠান পালন কৰিছিল, তাৰ ঠিক আগৰ দিনা মুখ্যমন্ত্ৰী চেমাই কৈছিল যে গাওঁবাসীয়ে আত্মগোপনকাৰী বিদ্ৰোহীসকলক ৰক্ষা কৰিছে আৰু সাহায্য দিছে। তেওঁ সতৰ্কবাণী কৰিছিল যে— 'যদি তেওঁলোকক ৰক্ষা কৰা হয় আৰু সেইটো চৰকাৰ, পুলিছ বাহিনীৰ নজৰলৈ আহে তেনেহলে তাৰ ফলাফল হ'ব অত্যন্ত বিষম।

সাম্ৰাজ্যবাদ আৰু ভাৰতীয় বুৰ্জোৱাৰ ভাৰাতীয়া সংবাদপত্ৰসমূহৰ অন্যতম "The Statesman' কাকতৰ কিম্ভূতকিমাকাৰ সম্পাদকীয়ই যি কোনো গণতান্ত্ৰিক ব্যক্তিৰ হাঁহিৰ খোৰাক যোগাব। যোৱা ৩১ জানুৱাৰীৰ কাকতত সম্পাদকে লিখিছে : 'The conflict is rooted in the traditional animosity between Ahoms and Nagas ; in memories of the cruelty of the 13th century Ahom king, Sukapha……" প্ৰৰোচনামূলক জঘন্য এই লেখাই জ্বলা জুইত ঘিঁউ ঢলাত ইন্ধন যোগোৱা নাইনে ?

অন্যহাতে এজন বাওঁপন্থী দলৰ মুখপাত্ৰই দৈয়াং-ৰেংমা বনাঞ্চলত সংঘটিত এই অমানবীয় ধ্বংসলীলাৰ সন্দৰ্ভত এনেধৰণৰ বিবৃতি দিছিল : এই ঘটনাৰ লগত জড়িত আছে নাগা জমিদাৰ-গাওবুঢ়া আৰু সামাজিক সাম্ৰাজ্যবাদী ৰাছিয়াৰ গুপ্তচৰৰ সংস্থা কে. জি. বি.। এই বিবৃতিৰ বিশদ বিশ্লেষণ ডাঙি ধৰাও একে সময়তে প্ৰয়োজন আছিল, কিয়নো নাগালেণ্ডৰ ভূমি-সম্পৰ্ক, উৎপাদন সম্পৰ্ক বৃটিছ যুগলৈকে আছিল গ্ৰাম-কেন্দ্ৰিক অৰ্থাৎ সামন্তবাদী বোলাতকৈও সাধাৰণভাবে অধিক গোষ্ঠী-কেন্দ্ৰিক বুলি কোৱাহে যুগুত হ'ব। দ্বিতীয় মহাযুদ্ধই ঢৌৱাই যোৱাৰ পূৰ্বলৈকে ই আছিল এক আদিম ট্ৰাইবেল অধ্যুষিত বিচ্ছিন্ন পাহাৰী দ্বীপৰ দৰে। তদুপৰি এই গোষ্ঠী



OKDISCD

১৯৭২ চনত অসম আৰু নাগালেণ্ড দুয়োখন চৰকাৰৰ মাজত সম্পাদিত চুক্তি-পত্ৰ অনুসৰি (সুন্দৰম কমিছনৰ পৰামৰ্শ) বনাঞ্চলৰ ভাংগেমান অঞ্চল এক নিৰপেক্ষ অঞ্চল হিচাপেহে থাকিব পাৰিব........। সেয়ে জনতা চৰকাৰে যেতিয়া ঢাক-ঢোল কোবাই দৈয়াং বনাঞ্চলৰ বিজয় উৎসব যোৱা জুন মাহত পালন কৰিছিল লগে লগে নাগালেণ্ডৰ মুখ্য মন্ত্ৰীয়ে অসম চৰকাৰক সতৰ্ক কৰি দিছিল। আজি কংগ্ৰেছে যদিও জনতা চৰকাৰক গালি-গালাজ পাৰিছে আচলতে কিন্তু এই বিবাদমান অঞ্চলটিত জনবসতি আৰম্ভ হৈছিল কংগ্ৰেছী আমোলত ১৯৭০ চন মানৰ পৰাই। গোৱালপাৰা জিলাৰ বিভিন্ন অঞ্চলৰপৰা ভূমিহীন বড়ো, কছাৰী, নেপালী-আদি মানুহ আনি এই বিবাদমান অঞ্চলটোলৈ নিকৰুণভাৱে বলিৰ পাঠাৰ দৰে থেলি দিয়াৰ বাবে দায়ী কংগ্ৰেছ চৰকাৰহে। ক্ষমতাহীন চৰকাৰে বিজয় উৎসবত মত্ত হৈ মাটিৰ পট্টন দিবলৈহে গৈছিল।

অসম তথা ভাৰতবৰ্ষৰ বিভিন্ন কাকতৰ ইমান হৈ হাল্লা সত্বেও, হস্পিতেলৰ আহত ৰোগীয়ে কয় যে, সেই ৰাতিৰ অতৰ্কিত ভয়াবহ আক্ৰমণৰ বিচিত্ৰ কোলাহলৰ মাজত আমি যি কণ্ঠ শুনিবলৈ পাইছিলোঁ সেই মতি-কথা অনিবাৰ্যভাৱে কেৱল নাগালোকৰেই নাছিল। মানে এইটো কথা ন-দি কব নোৱাৰি যে দুৰ্বৃত্ত-বোৰ সকলো নাগালোক আছিল।

১৯৫৬ চনত পাৰ্লামেণ্টৰ কেতবোৰ এম. পিয়ে নাগালেণ্ডত নাজীৰ অত্যাচাৰতকৈও বিভৎস অত্যাচাৰ হৈছে বুলি অভিযোগ তোলাত নেহেৰুৱে স্বীকাৰ কৰিবলৈ বাধ্য হৈছিল— 'I believe that there were cases in the early days when, Our army, suspecting that some villages had been occupied by these hostiles, directly burnt them or the villages were burnt in the firing.' আৰু ১২ বছৰ পিছত ইন্দিৰা গান্ধীৰ দিনত কৰা অত্যাচাৰেও হিটলাৰী নিষ্পেষণৰ সীমা চেৰাই গৈছিল। এম. পি. Rano Shaiza'ৰ মতে- In a particular village of Nagaland 300 women fell into the hands of army. All of them were raped by soldiers or officers. Chiang Kai Shek's white army followed the policy of 'Burn All! Loot All! Kill All!' The Indian army is one step ahead. It can be credited with one more degree apart from three 'Rape All!' (Nagaland and Indian democracy-M. R. Ravi)

নতুন জনতা চৰকাৰ প্ৰতিষ্ঠিত হৈ যদিও N. N. C ক আইনী সংস্থা হিচাপে স্বীকৃতি দিলে তথাপি লণ্ডনত ফিজোৰ লগত হোৱা সাক্ষাৎকাৰতে দেশাই চৰকাৰৰ নাগাবিদ্ৰোহীৰ প্ৰতি থকা অনমনীয় মনোভাৱ ফুটি উঠে: 'What is there to settle? I will show absolutly no leniency to rebels. If you want to persist on independence I will have nothing to talk



about. I will exterminate the rebel Nagas.' অন্যহাতে যদিও ফিজোৰ ফেডাৰেল চৰকাৰে যোৱা ফেব্ৰুৱাৰী মাহৰ নাগালেণ্ডৰ যি নিৰ্বাচনে ভিজলক ক্ষমতাসীন কৰালে সেই নিৰ্বাচনক স্বীকৃতি দিয়া নাই, মুখ্যমন্ত্ৰী ভিজলে বাৰে বাৰে ভাৰত চৰকাৰক সকিয়াই দি আছে যে ফিজোৰ অবিহনে ভাৰতবৰ্ষ আৰু নাগা-জনগণৰ সমস্যাৰ শান্তিপূৰ্ণ সমাধান হোৱাৰ আশা নাই: Phizo is still known in every house of Nagaland and his participation is needed for lasting Peace.' মুখ্যমন্ত্ৰী ভিজলৰ নাগাবিদ্ৰোহী তথা নাগাজনসাধাৰণৰ প্ৰতি থকা মনোভাৱ তেওঁৰ লগত হোৱা সাক্ষাৎকাৰতে অনুভৱ হয়— 'আমি আত্ম-গোপনকাৰীসকলৰ অনুভূতি বুজি পাওঁ, কাৰণ তেওঁলোকো নাগা। তেওঁলোকে এটা কাৰণতেই সংগ্ৰাম কৰি আছে।' (অগ্ৰদূত)

অন্যহাতে ইন্দিৰা গান্ধীয়ে শাসনভাৰ লৈয়েই শান্তি মিছনৰ সকলো ব্যৱস্থা নগ্নভাৱে বাতিল কৰি মাইকেল স্কটক গ্ৰেপ্তাৰ কৰে আৰু নাগালেণ্ডত কেন্দ্ৰীয় চৰকাৰৰ পুতলা স্বৰূপ মুখ্যমন্ত্ৰী হাকিছে ছামাৰ (১৯৭৬ চনৰ নবেম্বৰ মাহৰ ঐতিহাসিক জৰাহৰনগৰৰ কুখ্যাত নায়ক) দ্বাৰা নাগালেণ্ডত ফেছিষ্ট অত্যাচাৰকো চেৰ পেলাই নাৰকীয় বৰ্বৰতাৰ মুখলৈ হাজাৰ হাজাৰ গাওঁবাসীক ঠেলি দিলে। এটা নাগাবিদ্ৰোহীৰ বিচ্ছিন্ন দলে ১৯৭৩ চনৰ আগষ্ট মাহত যেতিয়া কোজিমাত বহুল প্ৰচাৰিত 'আত্মসমৰ্পন' অনুষ্ঠান পালন কৰিছিল, তাৰ ঠিক আগৰ দিনা মুখ্যমন্ত্ৰী ছেমাই কৈছিল যে গাওঁবাসীয়ে আত্মগোপনকাৰী বিদ্ৰোহীসকলক ৰক্ষা কৰিছে আৰু সাহায্য দিছে। তেওঁ সতৰ্কবাণী কৰিছিল যে— 'যদি তেওঁলোকক ৰক্ষা কৰা হয় আৰু সেইটো চৰকাৰ, পুলিছ বাহিনীৰ নজৰলৈ আহে তেনেহলে তাৰ ফলাফল হ'ব অত্যন্ত বিষম।

সাম্ৰাজ্যবাদ আৰু ভাৰতীয় বুৰ্জোৱাৰ ভাৰাতীয়া সংবাদপত্ৰসমূহৰ অন্যতম "The Statesman' কাকতৰ কিন্তুতকিমাকাৰ সম্পাদকীয়ই যি কোনো গণতান্ত্ৰিক ব্যক্তিৰ হাঁহিৰ খোৰাক যোগাব। যোৱা ৩১ জানুৱাৰীৰ কাকতত সম্পাদকে লিখিছে: 'The conflict is rooted in the traditional animosity between Ahoms and Nagas; in memories of the cruelty of the 13th century Ahom king, Sukapha......" প্ৰৰোচনামূলক জঘন্য এই লেখাই জ্বলা জুইত ঘিঁউ ঢলাত ইন্ধন যোগোৱা নাইনে?

অন্যহাতে এজন বাওঁপন্থী দলৰ মুখপাত্ৰই দৈয়াং-ৰেংমা বনাঞ্চলত সংঘটিত এই অমানবীয় ধ্বংসলীলাৰ সন্দৰ্ভত এনেধৰণৰ বিবৃতি দিছিল: এই ঘটনাৰ লগত জড়িত আছে নাগা জমিদাৰ-গাওঁবুঢ়া আৰু সাম্ৰাজ্যবাদী ৰাছিয়াৰ গুপ্তচৰৰ সস্থা কে. জি. বি.। এই বিবৃতিৰ বিশদ বিশ্লেষণ ডাঙি ধৰাও একে সময়তে প্ৰয়োজন আছিল, কিয়নো নাগালেণ্ডৰ ভূমি-সম্পৰ্ক, উৎপাদন সম্পৰ্ক বৃটিছ যুগলৈকে আছিল গ্ৰাম-কেন্দ্ৰিক অৰ্থাৎ সামন্তবাদী বোলাতকৈও সাধাৰণভাৱে অধিক গোষ্ঠী-কেন্দ্ৰিক বুলি কোৱাহে যুগুত হ'ব। দ্বিতীয় মহাযুদ্ধই ঢৌৱাই যোৱাৰ পূৰ্বলৈকে ই আছিল এক আদিম ট্ৰাইবেল অধ্যুষিত বিচ্ছিন্ন পাহাৰী দ্বীপৰ দৰে। তদুপৰি এই গোষ্ঠী



OKDISCD

নেতা সকলেই হ'ল পৰম্পৰাগতভাবে—গাঁওবুঢ়া। সাধাৰণ অৰ্থত বৃটিছ চৰকাৰে পোনপটীয়াভাৱে চৰকাৰৰ এজেণ্ট কৰি ল'বলৈ সক্ষম হৈছিল যদিও, সামগ্ৰিকভাবে গাঁওবুঢ়া শ্ৰেণীক চৰকাৰৰ এজেণ্ট বুলি ক'ব পৰা নাযায়। বিশেষতঃ মনত ৰখা প্ৰয়োজন যে, নাগা জাতীয়তাবাদৰ মূল ভিত্তি হ'ল বিভিন্ন নাগা গোষ্ঠীৰ গোষ্ঠীগত পৰিষদৰ আৰু মুৰব্বীসকলৰ আন্তঃসম্পৰ্কৰ চমকপ্ৰদ প্ৰকাশ। বৃটিছ পৰবৰ্তী কালত বিশেষকৈ ১৯৫৬ চনৰ পিছৰে পৰা কেন্দ্ৰীয় চৰকাৰে প্ৰচুৰ পৰিমাণৰ টকা ঢালিছে নাগালেণ্ডৰ মধ্যশ্ৰেণী আৰু পনীয়া বিদ্ৰোহী কেতবোৰৰ নৈতিক অধঃপতনৰ বাবে যাৰ ফলত সৃষ্টি হৈছে এক ভোগী, বিলাসী অলপধতুৰা মধ্যশ্ৰেণী। প্ৰসংগক্ৰমে Frontier কাকতৰ এটি নিবন্ধ সুঁৱৰিব পাৰি : 'The lure of easy money has given rise to a new affluent middle class which naturally has strong reservations about any hard struggle for a cause busy as it is in trying to cater to its class needs. The crystallisation of the bureaucracy, largely manned by Nagas themselves, the rise of class divisions in Naga society, the gradual increase of inter-tribal rivalry over govt. jobs and contract and above all, the rampant corruption in public life have all sharply eroded some of the fundamental values of Naga tribal life (Nagaland : The latest peace moves—U. M., Nov. 4. 1978)

দ্বিতীয়তে সামাজিক সাম্ৰাজ্যবাদী ৰাছিয়া এই হত্যালীলাৰ লগত জড়িত বুলি কোৱা যুক্তিত আংশিক সত্যতা থাকিলেও নিশ্চিতভাবে চিহ্নিত কৰাটো জটিল। অৱশ্যে TASS এ নাগাবিদ্ৰোহীক উচতোৱা বুলি চীনদেশৰ প্ৰতি কৰা অভিযোগটো ইমানেই ক্ষিপ্ৰতাৰে ঘোষণা কৰিছিল, যেন যদিহে ঘটনাবশতঃ ৫ জানুৱাৰীৰ দিনা এই নৃশংস ঘটনা নঘটিল হয়, Tass ৰ বিবৃতিটো তথাপি প্ৰকাশ হ'লহেঁতেন! তদুপৰি ওপৰত উল্লেখ কৰাৰ দৰে প্ৰাক্তন মুখ্যমন্ত্ৰী হোকিছে ছেমাৰ ইন্দিৰা গান্ধীৰ প্ৰতি থকা একাগ্ৰ আনুগত্য এতিয়াও লোপ পোৱা নাই, বৰঞ্চ অধিক গজগজীয়া হৈছে বুলি কোৱাৰহে থল আছে। দেশৰ বিভিন্ন প্ৰান্তৰত হোৱা কুটাঘাতমূলক ঘটনাৰাজিৰ লগত ইন্দিৰা কংগ্ৰেছ যেনেদৰে ঘৃণ্যভাৱে লিপ্ত হৈ পৰিছে, এই স্বৈৰাচাৰী অশুভ শক্তি যেনেদৰে মূৰ ডাঙি উঠিছে-দেশৰ গণতান্ত্ৰিক ৰাইজৰ ইয়াৰ প্ৰতি সজাগ হ'বৰ সময় হ'ল। তদুপৰি শাসক শ্ৰেণীৰ আভ্যন্তৰীণ সংকট যিমানেই তীব্ৰ হৈ উঠিছে, হাজাৰ হাজাৰ নিৰীহ ৰাইজ সিহঁতৰ খৈয়া-নখৈয়া যুঁজৰ চিকাৰ হৈছে। সেয়ে কংগ্ৰেছ (আই)-ছোভিয়েট ৰাছিয়াৰ বৈবাহিক সম্পৰ্কলৈ চাই এই ঘটনাৰ সন্দৰ্ভত ছোভিয়েট ৰাছিয়াও জড়িত বুলি ক'ব পাৰি। কিন্তু ইয়াৰ অৰ্থ এইটো নহয় যে মাকিন সাম্ৰাজ্যবাদ এই ষড়যন্ত্ৰৰপৰা নিলগত অৱতীৰ্ণ। ভিজল-বৰবৰা-দেশাই চৰকাৰক ক্ষমতাচ্যুত কৰিবলৈ ছোভিয়েটে কংগ্ৰেছৰ (আই) সহযোগত কৰা ই জন্য এক চক্ৰান্ত বুলি কোৱাত বিন্দুমাত্ৰও



আপত্তিৰ হেতু নাই। ভিয়েটনামৰ সহযোগত ৰুছ শক্তিৰ কাম্বোদিয়া দখলৰ সমসাময়িক ঘটনাপুঞ্জৰপৰা ই বিচ্ছিন্ন নহয়।

বাঁওপন্থীদলসমূহে অন্যত্ৰ দুই এক বিক্ষিপ্ত টীকা টিপ্পনি আৰু লিলিফৰ ব্যৱস্থাৰ বাবে বিবৃতি প্ৰকাশ কৰিয়েই তেওঁলোকৰ দায়িত্ব পালন কৰিলে। অৱশ্যে চলিত পঞ্চায়ত নিৰ্বাচনৰ বাবে মাৰ বান্ধি প্ৰস্তুত হোৱাতকৈ সংসদীয় দলসমূহৰ বোধহয় কৰণীয় আৰু একো থাকিবও নোৱাৰে।

এতিয়া কথা হ'ল, বস্তুতঃ দৈয়াং-নামবৰ-ডিফু-ৰেংমা বনাঞ্চলসমূহ এই ঘটনা সংঘটিত কৰিবৰ বাবে কিয় নিৰ্বাচন কৰা হ'ল? ইয়াৰ উত্তৰ থাউকতে পাবলৈ হ'লে প্ৰচুৰ তথ্যপাতিৰ প্ৰয়োজন আছে। ১৯৭০-৭১ চন মানৰপৰাই শৰৎ সিংহ চৰকাৰে সংস্থাপিত কৰা, আৰু অসমৰ বিভিন্ন প্ৰান্তৰৰ বন্যাপ্ৰপীড়িত, ভূমিহীন খেতিয়কৰ বাবে শেষ আশ্ৰয়ৰ স্থল অসমৰ অন্যান্য বনাঞ্চলৰ দৰেই দৈয়াং-ৰেংমা-অঞ্চল। ১৯৭৩-৭৪ চনত সিংহ চৰকাৰৰ বনাঞ্চলৰপৰা উচ্ছেদকৰণ নীতিৰ বিৰুদ্ধে দৈয়াঙৰ কৃষক ৰাইজ গৰজি উঠিছিল। এই দৈয়াঙতে কংগ্ৰেছী চৰকাৰে তেওঁলোকৰ দিনৰ আটাইতকৈ কুখ্যাত, জঘন্যতম বীৰত্ব প্ৰদৰ্শন কৰিলে নিৰীহ, থেৰুছিগা বনাঞ্চলৰ কৃষকৰ ওপৰত-যাৰ ফলত নীলিমা বৰাৰ পুলিছী ধৰ্ষণত মৃত্যু হয়, শ শ আবাল-বৃদ্ধ-বণিতাৰ ওপৰত চলে পুলিছৰ মাৰধৰ আৰু নিৰ্বিচাৰ ধৰ্ষণ। (তৎকালীন বিধানসভাৰ বিধায়ক, জনতা চৰকাৰৰ কৃষি মন্ত্ৰী সোনেশ্বৰ বৰাৰ ভাষণ এই প্ৰসংগত দ্ৰষ্টব্য)। ইয়াৰ প্ৰতিবাদকল্পে দৈয়াঙৰ ৰাইজৰ লগতে ছাত্ৰ-যুৱক-বিপ্লৱী কৰ্মীৰ আন্তৰিক প্ৰচেষ্টাত এই অঞ্চলত বামপন্থী কাৰ্যকলাপে সমৃদ্ধ আৰু বিকাশ লাভ কৰিছিল। তদুপৰি অসমৰ সাম্প্ৰতিক বাঁওপন্থী ৰাজনৈতিক ধাৰাই যেনেদৰে লোৰ সলাবলৈ আৰম্ভ কৰিছে, ধাৰণা হয়, অসম—নাগালেণ্ড উত্তৰ-পূৰ্বাঞ্চলৰ খাটি খোৱা ৰাইজৰ মাজত পূৰ্বতকৈ মৈত্ৰীৰ বান্ধোন দৃঢ় আৰু ঘনীভূত হ'বলৈ ধৰিছে। এই ৰাজনৈতিক চিন্তা-ধাৰাৰ প্ৰসাৰ আৰু প্ৰচাৰ সংগঠিত ৰূপত বিকাশ লাভ কৰাটো নিতান্তই ৰাজ্য চৰকাৰ তথা টাটা-বিৰলাৰ কেন্দ্ৰীয় চৰকাৰৰ বাবে সুখদায়ক নহয়।

নাগাপাহাৰ আৰু অসমৰ সীমান্তবৰ্তী অঞ্চলৰ 'নিৰপেক্ষ অঞ্চল' প্ৰচুৰ বনজ-সম্পদেৰে ঠাহ খাই আছে। বিৰলাৰ বাবে এই কোটি কোটি টকা মূল্যৰ বনজ সম্পদ ২০/৩০ হাজাৰ মানুহৰ মূল্যতকৈ বহুত বেছি। যদি এই বনাঞ্চলসমূহ নাগা-অসমীয়া মানুহৰ দ্বাৰা অধ্যুষিত হৈ থাকে, বিৰলাৰ Plywood Factoryলৈ কাঠ চালান কৰা স্বাৰ্থ যদি বিঘ্নিত হয়-তেনেহ'লে এই উপদ্ৰুত অঞ্চল 'নিৰপেক্ষ' কৰি ৰখাই ভাল! অতএব যদি জনৰব শুনা গৈছে যে বিৰলাই এই ঘটনা ঘটাবৰ বাবে ২০ লাখতকৈ অধিক টকা খৰচ কৰিছে, ইয়াত আচৰিত হ'বলগীয়া একো নাই। বৰঞ্চ তথাকথিত জাতীয়তাবাদী দল আৰু কাকতসমূহে নাগাসকলক বৰ্বৰ আৰু দুৰ্বৃত্ত আখ্যা দি যেনেদৰে ৰাইজৰ মূৰত কঠাল ভাঙি সস্তীয়া জনপ্ৰিয়তা লুটি কৰিছে-তেওঁলোকৰ বাবে এইটো খবৰ আহ্লাদৰেই কথা!

অসম তথা ভাৰতবৰ্ষৰ উচ্চ পৰ্যায়ৰ আমোলাশ্ৰেণীয়ে এৰেহা লুটাৰ জোৱাৰ



OKDISCD

ইন্দিৰা আমলতো যিমান জুতি লগাকৈ পাইছিল, পাহৰিব পৰা নাই। ছোভিয়েট ৰাছিয়াৰ সাহায্যত যেতিয়া ইন্দিৰা গান্ধীয়ে সমস্ত ৰাষ্ট্ৰ শক্তিক কেন্দ্ৰীভূত কৰি পেলাই-ছিল সেইদিনৰ ক্ষমতাৰ অংশীদাৰ মিলিটাৰী পুলিছ আমোল-বিষয়া বৰ্গৰ বাবে ইন্দিৰা চৰকাৰ জনতা চৰকাৰতকৈ আছিল অধিক আশাব্যঞ্জক, অধিক দক্ষ আৰু পাগত উঠা। সেয়ে চৰকাৰ, ৰাষ্ট্ৰযন্ত্ৰ, আমোলা-বিষয়া সকলোৰে জ্ঞাতসাৰে এই ঘটনা সম্পন্ন হোৱা কথাটোৱে জনতা চৰকাৰৰ প্ৰশাসনিক অভিসন্ধিকে প্ৰকট কৰি তোলে। আৰু সিহঁতৰে ছত্ৰছায়াত নোদোকা হোৱা পংগপালৰ (আমোলা-পুলিছ) প্ৰচ্ছন্ন সহযোগত অসম নাগাপাহাৰ, সুদীৰ্ঘ ঐক্যৰ সেতুত ঘূণে ধৰা প্ৰচেষ্টা মধ্যযুগীয় জঘন্যতম পাশবিক কায়দা কৌশলেৰে। ++

---


## এটি বিশেষ ঘোষণা

অত্যাধিক ডাক-মাছুল বৃদ্ধিৰ কাৰণে ১০ কপি আলোচনীৰ ডাক খৰছ ব্যয়বহুল হোৱা বাবে এই (ফেব্ৰুৱাৰী' ৭৯) সংখ্যাৰ পৰা 'সাম্প্ৰতিক সাময়িকী'ৰ ১০ কপিৰ অৰ্ডাৰ থকা সকলো এজেন্সি বন্ধ কৰি দিবলৈ বাধ্য হৈছোঁ। আমাৰ এই অনিচ্ছাকৃত সিদ্ধান্তৰ বাবে সহৃদয় এজেন্ট আৰু পাঠকসকলৰ ওচৰত ক্ষমা মাগিছোঁ।

চাৰ্কুলেচন মেনেজাৰ
সাম্প্ৰতিক সাময়িকী ।। লেম্ব ৰ'ড ।। লতাশিল ।।
গুৱাহাটী-৭৮১০০১




# ফঁকাচ্

## অসম সাহিত্য সভাৰ মৰণোত্তৰ পৰীক্ষাৰ সময় হৈছেনে ?

ডঃ হীৰেন গোহাঁই

অসম সাহিত্য সভা সম্পৰ্কে যে অসমৰ প্ৰগতিশীল তৰুণ চামৰ কোনো মোহ নাই, 'সাম্প্ৰতিক সাময়িকী'ৰ যোৱা বছৰৰ ''সাহিত্য সভা' সংখ্যাই তাৰ প্ৰমাণ বহন কৰিছে। ভালে কেইজন ডেকা লিখকে তাত অসহিষ্ণু আৰু ক্ষুব্ধ স্বৰত 'অসম সাহিত্য সভা'ক গৰিহণা দিছে। সাহিত্য সভাৰ কৰ্মকৰ্তাসকলে কথাটো ভাল চকুৰে চোৱা নাই। তেওঁলোকৰ মতে এইবোৰ হ'ল সমাজত স্বীকৃতি নোপোৱা এদল কাঙালৰ বিষোদগাৰ। হিংসাতে ছাটিফুটি কৰি তেওঁ-লোকে এইবোৰ কথা কৈছে।

এনে আত্মৰক্ষামূলক মনোভাব নলৈ মুকলি মনেৰে বিচাৰ কৰি চালে দেখা যাব যে ডেকা সাহিত্যিকসকলে সাহিত্যসভাৰ বিৰুদ্ধে কিছুমান বিশেষ অভিযোগ আনিছে — কথাটো কেৱল চিন্তাহীন ক্ৰোধৰ প্ৰতিক্ৰিয়া নহয়। কোনো কোনোৱে (যেনে, অতুল ঠাকুৰে) স্বীকাৰ কৰিছে যে অসমীয়া মধ্যশ্ৰেণীৰ প্ৰগতিশীল ভূমিকা থকা সময়চোৱা সাহিত্য সভাৰ ভূমিকাও প্ৰগতিশীলেই আছিল। অসমীয়া জাতি আৰু জাতীয় সংস্কৃতি গঠন যদি বুৰঞ্জীত প্ৰগতিশীল বুলি বিবেচিত হবৰ যোগ্য তেন্তে সাহিত্য সভাই সেই প্ৰগতিত নিশ্চয় সহায় কৰিছে। কিন্তু এতিয়া সাহিত্য সভাৰ ভূমিকা ইতিবাচক বুলি ডেকাসকলে মানিব নোখোজে। তেওঁ-লোকে তাক বৰং প্ৰতিক্ৰিয়াশীল আৰু ক্ষতিকৰেই বুলিব খোজে।

তেওঁলোকে কিয় এই মনোভাব লৈছে সেইটো সাহিত্যসভাৰ কৰ্মকৰ্তাসকলৰ মূৰ কামোৰণিৰ কাৰণ ন'হবও পাৰে। কিন্তু অন্যান্য চিন্তাশীল লোকসকলে নিশ্চয় সেই বিষয়ে চিন্তা কৰিব। বিশেষকৈ প্ৰগতিশীল মতাদৰ্শৰ প্ৰভাৱত থকা যুৱচামৰ উপৰিও আন আন ডেকা লেখক (যেনে নীলমণি ফুকন, ভবেন বৰুৱা) সকলৰো সাহিত্যসভা সম্পৰ্কে কোনো উৎসাহ নাই। তেওঁলোকেও সাহিত্যসভাৰ বিৰাট আনুষ্ঠানিক জাক-জমকত তেওঁলোকৰ অন্তৰ স্পৰ্শ কৰিব পৰা বস্তু একো বিচাৰি নাপায়। যি বুৰ্জোৱা সাহিত্যৰ আদৰ্শ তেওঁলোকে একাগ্ৰতীয়া নিষ্ঠা আৰু কঠিন বিচাৰেৰে সাধনা কৰিব খোজে সাহিত্য সভাৰ আও-ভাওৰ মাজত তেওঁলোকে তাৰ কোনো উমঘামেই নাপায়। তাৰ মেলামুখী হুলস্থুলৰ মাজত তেওঁলোকৰ সূক্ষ্ম আৰু সুৰুচিপূৰ্ণ সাহিত্যৰ আদৰ্শ হেৰাই যায়। ফলত এই দুয়ো দলৰ আস্থা হেৰুৱাই সাহিত্যসভা কিছুমান মাজবয়সীয়া লোকৰ হাতত পৰিছেগৈ। ডেকা মানুহ যিসকল সাহিত্যসভাত



OKDISCD

লাগি আছে—হয়তো আন্তৰিকতাৰেই—তেওঁলোকক উভয় শিবিৰৰ ডেকা লেখকে স্বাৰ্থপৰায়ণ, কেৰিয়াৰিষ্ট বুলি ভাবে।

সৃষ্টিশীল ডেকা সাহিত্যিকৰ ঠাই সাহিত্য সভাত আজি কিছুকাল ধৰি নাই। প্ৰাচীন সংস্কাৰ আৰু ৰক্ষণশীল ৰুচিৰ লগত যুদ্ধ কৰি নিজৰ বক্তব্য আৰু বাকভংগী প্ৰতিষ্ঠিত কৰিবলৈ যিসকল ডেকালেখক যুগে যুগে আগুৱান হয় তেওঁলোকে সাহিত্য সভাৰ দৰে গণ্যমান্য, ভব্যগব্য অনুষ্ঠানত উশাহ নোপোৱা হয়। আধুনিক কবিতাৰ চালুকীয়া অৱস্থাত সভাপতিৰ আসনৰ পৰা যতীন দুৱৰাই তাক গৰিহণা দিছিল। পিছলৈ সৃষ্টিশীল সংগ্ৰামৰ বিয়লিবেলিকা আধুনিক কবিতা আন্দোলনৰ অন্যতম নায়ক হেম বৰুৱা সাহিত্য সভাৰ সভাপতি নিৰ্বাচিত হয়। অৱশ্যে তেতিয়া আধুনিক কবিতাও গণ্যমান্য শাৰীলৈ উত্তীৰ্ণ হৈছিল। কিন্তু অতীত ইতিহাস খুচৰি চালে ওলাব যে অসম সাহিত্য সভা সদায়েই এনেদৰে ডেকা লেখকচামৰ বিৰাগভাজন নাছিল। একেখন মঞ্চতে প্ৰবীণ আৰু নবীন সাহিত্যিক নিঃসংকোচে আৰু বন্ধুত্বপূৰ্ণভাবেই মিলিব পাৰিছিল। কিন্তু আজি দুটামান দশকৰ ভিতৰতে সেই পৰিস্থিতিৰ দ্ৰুত পৰিবৰ্তন ঘটিল কিয়, ভাবি চাবলগীয়া। আজিকালি যে কেউকালে এটা যুগ-ব্যৱধান বা জেনাৰেচন গেপৰ কথা শুনা যায় ই তাৰে লক্ষণ নেকি ?

তৰুণ লেখকসকল সাহিত্য সভাৰ প্ৰতি উদাসীন নহয়। তেওঁলোকৰ প্ৰতি-ক্ৰিয়াত থকা তিক্ততা আৰু ক্ষোভৰ পৰা অনুমান কৰা যায় যে তেওঁলোকে সাহিত্য সভাৰ পৰা যি প্ৰত্যাশা কৰে তাক নোপোৱাৰ বাবেই তেওঁলোকৰ ক্ষোভ আৰু হতাশাই তীব্ৰ ৰূপ লৈছে। সাহিত্যিক হিচাবে সুকলমে সাহিত্য চৰ্চা কৰাৰ পৰিবেশ অসমত আজিও গঢ়ি নুঠিল। পশ্চিমৰ দৰে সম্পূৰ্ণ ব্যৱসায়ী আৰু বৃত্তিমূলক ভিত্তিত সাহিত্য-শিল্পৰ চৰ্চা আমাৰ দেশত সংগঠিত হোৱা নাই। সাহিত্য আমাৰ দেশত এটা বহু প্ৰচলিত আৰু জনপ্ৰিয় পণ্য নহয়। আন কথা বাদেই, অসমৰ এমুঠি শিক্ষিত পৰিয়ালৰো সৰহভাগতেই অসমীয়া সাহিত্যৰ প্ৰতি বিশেষ আগ্ৰহ দেখা নাযায়। এমুঠি নিম্নমধ্যবিত্ত আৰু মধ্য-বিত্ত পৰিয়ালৰ পঢ়ুৱৈৰ মাজত সীমাবদ্ধ এই সাহিত্যৰ জগততো অখণ্ড প্ৰতাপ সম্পাদক আৰু প্ৰকাশকৰ। বহু সময়ত প্ৰতিভাবান লেখকেও প্ৰকাশকৰ দুৱাৰে দুৱাৰে নেওচা-কেওচা খাই ঘূৰি ফুৰিবলগীয়া হয়। কবি ৰবীন্দ্ৰ সৰকাৰৰ এখন সংকলন গুৱাহাটীৰ এখন নামকৰা প্ৰকাশন প্ৰতিষ্ঠানত পৰি থাকিল এবছৰ, আৰু দুবছৰ পৰি থাকিল কলিকতাস্থ এজন প্ৰকাশকৰ লগত। প্ৰকাশ নহ'ল। আনহাতে প্ৰকাশকৰ লগত খাটিৰ থাকিলে বিশেষ দক্ষতা নথকা লেখকৰো কিতাপ সুকলমে প্ৰকাশ হ'ব পাৰে। সম্পাদক সকলৰ আচৰণো প্ৰায় তেনেকুৱাই। তেওঁলোকে সচৰাচৰ প্ৰতিষ্ঠিত লেখকৰ ৰচনাকহে সমাদৰ কৰে। নতুন লেখকৰ প্ৰতি বিশেষ মনোযোগ দিয়া দেখা নাযায়। অথচ আলোচনীৰ সংখ্যাও আঙুলি মূৰত লেখিব পৰা। বৰ্তমানৰ পাঠকসকলো সাহিত্য লৈ ইমান অনুপ্ৰাণিত নহয় যে নিজে উদ্যোগ কৰি তেওঁলোকৰ মাজত বিভিন্ন গোষ্ঠীৰ বিভিন্ন ন-লেখকৰ ৰচনাৰ



প্ৰচাৰত সহায় কৰিব। সমালোচনাও হয় তাকৰ। বেছি ভাগেই ভাল-বেয়া একো নুবুলি মাজে মাজে যোৱা দায়সৰা বিধৰ। সমালোচক যদি নিজে উচ্চ মানৰ প্ৰতি আসক্ত বুলি প্ৰমাণিত হয় তেন্তে তেওঁ যিজন ন-লেখাৰুক ভাল বুলিব, সেইজনৰ প্ৰতি ৰাইজৰ আস্থা নিশ্চয় বাঢ়িব। কিন্তু সমালোচক দায়িত্বশীল বুলি প্ৰমাণিত নহলে তেওঁৰ নিন্দা কিংবা প্ৰশংসা—একোৰে মূল্য নাথাকিব। সেয়ে স্বীকৃতি আৰু খ্যাতি উদীয়মান লেখকসকলৰ ক্ষেত্ৰত প্ৰায়ে ভাগ্যৰ ফেৰ হোৱাৰ নিচিনা হৈছে।

অপ্ৰিয় হলেও আৰু এষাৰি সত্য ৰাইজৰ আগত দোহাৰিবলৈ বাধ্য হৈছোঁ। আমাৰ বেছিভাগ নতুন আলোচনী ওলাইছে বিজ্ঞাপনৰ পয়চাৰ লোভত, আৰু বেছিভাগ নতুন প্ৰকাশৰ প্ৰধান লক্ষ্য নগদ ধন। সেই ব্যৱসায় কৰি ধন ঘটিবলৈ যাওঁতে সাহিত্যৰ মান ৰক্ষা পৰিছে নে নাই, নতুন প্ৰতিভাৰ স্বীকৃতি দিয়া হৈছে নে নাই, এনেবোৰ কথালৈ সেইবোৰ বিজ্ঞাপন লোভী আলোচনীৰ সম্পাদকৰ মনো-যোগ নাথাকে, ব্যৱসায়ী প্ৰকাশকো সেই সম্পৰ্কে উদাসীন। ফলত সাহিত্যৰ বিকাশত সহায় কৰা দূৰৰ কথা, বহু সময়ত এনেবোৰ সম্পাদকে আৰু প্ৰকাশকে সাহিত্যৰ ক্ষতিহে কৰে। সম্পাদনাৰ ক্ষেত্ৰত বিজ্ঞ মানুহৰ সজ পৰামৰ্শ লবলৈকো তেনেধৰণৰ সম্পাদকৰ আগ্ৰহ নাথাকে। পৰামৰ্শ ললেও তাৰ ওপৰত নিজৰ কেৰামতী খটুৱাবলৈ গৈ ভুচুংপহু হয়। অৱশেষত এনে তৰহৰ সম্পাদক গৈ থৈ চৰকাৰৰ বা কোনো ক্ষমতাবান গোষ্ঠীৰ নিলাজ বহতীয়াত পৰিণত হয়গৈ।

সমাজতান্ত্ৰিক দেশবোৰত লেখকৰ যি নিৰাপত্তা, শিক্ষাৰ প্ৰচাৰৰ লগে লগে সাহিত্যৰ যি সমাদৰ, পণ্যহিচাবে অধঃপতিত নোহোৱাকৈ সাহিত্যৰ যি বিপুল প্ৰচাৰ আৰু প্ৰয়োগ—তেনে পৰিস্থিতি আমাৰ দেশত নাই। উন্নত পুঁজিবাদী দেশবোৰৰ ব্যাপক আৰু সুসংগঠিত বজাৰ আৰু শিল্পও আমাৰ দেশত নাই। এনে অৱস্থাত লেখকৰ দুৰ্দশা সহজেই অনুমেয়। সমাজকল্যাণৰ নামত চৰকাৰী বিভাগ আৰু আধাচৰকাৰী সংস্থা কিছুমানেও আমাৰ দেশত সাহিত্যৰ পৃষ্ঠপোষকতা কৰে। কিন্তু এইবোৰেও মৌলিক আৰু মানবিশিষ্ট নতুন ৰচনা বাছি উলিওৱাৰ দৰে আহুকলীয়া দায়িত্ব নলৈ প্ৰতিষ্ঠিত লেখকসকলক নানা তৰহৰ খিতাপ, বটাবাহন আৰু সাহিত্যিক পেন্সন দিয়াতেই নিজক আবদ্ধ ৰাখে।

এইবোৰ সংস্থা আৰু বিভাগৰ কামকাজৰ পদ্ধতি সম্পৰ্কে ব্যক্তিগত অভিজ্ঞতাৰে মই যি জানিব পাৰিছোঁ, সেইবোৰৰ প্ৰতি ঘৃণাৰ ভাবহে মোৰ বেছি হৈছে। জৰুৰী অৱস্থাৰ আগে আগে মই সাহিত্য অকাদেমি আৰু জৰুৰী অৱস্থাৰ ভিতৰত নেচনেল বুক ট্ৰাষ্টৰ বিভিন্ন দায়িত্বৰ পৰা লিখিতভাবে অব্যাহতি বিচাৰোঁ। মোৰ ধাৰণা আছিল যে ইন্দিৰা চৰকাৰৰ নীতিহীন স্বৈৰাচাৰ আৰু তাৰ ওচৰত বুদ্ধিজীৱীসকলৰ মেৰুদণ্ডহীন আত্মসমৰ্পণে এইবোৰ আধাচৰকাৰী অনুষ্ঠানৰো যৎ-সামান্য সাংস্কৃতিক মূলধন উৰাই দিছে। জনতা আমোলত এইবোৰ অনুষ্ঠানে যেতিয়া পুনৰ সহযোগিতা আহ্বান কৰি মোলৈ চিঠি লেখিলে তেতিয়া মই কিছু উৎসাহেৰেই সঁহাৰি দিছিলোঁ। কিন্তু মোৰ অভিজ্ঞতা এয়ে যে স্বাধীনতাৰ সোৱাদ



OKDISCD

পালে বান্দৰে বেছিকৈ বান্দৰামিহে কৰিবলৈ ধৰে।

দুটামান উদাহৰণ দিয়া যাওক। যোৱা বছৰ সাহিত্য অকাদেমিয়ে এখন "ভাৰতীয় সাহিত্যৰ বিশ্বকোষ" (Encyclopaedia of Indian Literature) উলিয়াবলৈ সিদ্ধান্ত লয় আৰু এই মৰ্মে অসমৰো বিভিন্ন পণ্ডিত আৰু সমালোচকক কিবাকিবি লেখিবলৈ দায়িত্ব দিয়া হয়। পাঠকসকলে শুনি আচৰিত হ'ব যে মোক পদ্মনাথ গোহাঁই বৰুৱা, গণেশ গগৈ, লীলা গগৈ আৰু হেম সৰস্বতীৰ ওপৰত লেখিবলৈ কোৱা হ'ল। হেম সৰস্বতীৰ বিষয়ে মোৰ কোনো ধাৰণা নাই। আৰু বাকী কেইজন সম্পৰ্কেও মই বিশেষ আগ্ৰহ কেতিয়াও প্ৰদৰ্শন কৰা নাই। বেজবৰুৱা, জ্যোতিপ্ৰসাদ প্ৰভৃতিৰ বিষয়ে মই অৱশ্যে অ'ত ত'ত লেখিছোঁ। অনুসন্ধান কৰি গম পালোঁ যে আক্ষৰিকক্ৰমত (alphabatically) বিষয় ঠিক কৰা বাবে এই অদ্ভুত কাণ্ড হোৱা নাই। মোৰ মনত আৰু সন্দেহ নৰল যে কুৰি শতিকাৰ ভাৰতৰ ৰাজধানীত ৰহি এনে জঘন্য সাম্প্ৰদায়িক ইতিকিং কৰিবলৈ সাহিত্য অকাদে'মিয়ে দুঃসাহস কৰিছে। উক্ত বিশ্বকোষৰ সম্পাদকক মই ৰূঢ়ভাষাত জৰাৰ বিঁচৰাত তেওঁ সবিনয়ে জনালে যে অসমৰ দহজন শীৰ্ষস্থানীয় সাহিত্যিকে (ten eminent writers) মোক এই কেইটা বিষয়ৰ ওপৰত লেখাৰ দায়িত্ব দিছে। মই উত্তৰ তেওঁক ধৰিলোঁ যে উল্লিখিত দহজন শীৰ্ষস্থানীয় বহুৱাৰ (ten eminent clowns) নাম তেওঁ মোক জনালে মই সিহঁতক বিহুনাচ নচুৱাৰ ব্যৱস্থা কৰিব পাৰোঁ। কোৱা বাহুল্য যে সম্পাদক মহাশয়ে এই চিঠি পাই তাপ মাৰিলে। ৰাইজৰ কৃপাত মোৰ হাতত ক্ষমতা একো নাথাকিলেও কিঞ্চিত সুনাম হৈছে। মোৰেই যদি প্ৰতাপী সাহিত্যিকৰ বহুৱালীত এনে দশা হয় নাম নথকা নতুন লেখকে তেওঁলোকৰ হাতত কি ব্যৱহাৰ পাব সহজে অনুমান কৰিব পাৰি।

পিছৰ ঘটনাটো অলপতে ঘটিছিল। দুমাহমান আগতে সাহিত্য অকাডে'মিৰ সম্পাদক আৰ এছ কে'লকাৰে মোক জনালে যে এইবাৰৰ সাহিত্য অকাডে'মিৰ অসমীয়া বিভাগৰ পুৰস্কাৰৰ সৰ্বোচ্চ পৰ্যায়ৰ বিচাৰৰ বাবে দুজন পৰীক্ষকৰ (reviewer) ভিতৰত মোকো এজন নিযুক্ত কৰা হৈছে। বঁটা ঘোষণাৰ সময়ত হেনো মোৰো নাম ঘোষণা কৰা হ'ব! মই সুধি পঠিয়ালোঁ নিৰ্বাচনৰ বাবে কিমান সময় পোৱা যাব। কে'ল,কাৰ চাহাবে জনালে যে এমাহৰ ভিতৰতে এঘাৰ (১১) খন কিতাপৰ ওপৰত মই পঢ়ি মেলি প্ৰতিখনৰ ওপৰত মন্তব্য দিব লাগিব। এনে খৰ খেদাকৈ বজাৰৰ বেঙেনা বছাদি সাহিত্য বাছিবলৈ আপত্তি থকাত মই পৰীক্ষক নহওঁ বুলি একে আষাৰে জনাই দিলোঁ। মোৰ এতিয়াও সন্দেহ আছে যে মানুহ যিমানেই বিদ্বান বা পণ্ডিত নহওক, এমাহৰ ভিতৰতে এঘাৰখন কিতাপ ভালদৰে চাইমেলি দিয়া কাৰো পক্ষে সম্ভৱ নহয়। সন্দেহ নাই যে হিন্দী বা বঙলা ভাষাৰ কিতাপৰ বিচাৰ এনে ধৰণে কৰা নহয়। কিন্তু অসমৰ ক্ষেত্ৰত এনে হেলা বা তাচ্ছিল্য সৰ্বভাৰতীয় অনুষ্ঠানত প্ৰকট।

অসম চৰকাৰৰ কাণ্ড-কাৰখানা ততোধিক চমকপ্ৰদ। অসম প্ৰকাশন পৰিষদে অসমত কোনো ভিত্তি গঢ়ি নুঠাকৈয়ে অসমীয়া বিশ্বকোষ উলিয়াবলৈ যো-জা



কৰিছিল। ফলত বহুলাখ টকাৰ অপব্যয় হ'ল। তেনেকৈয়ে বাহিৰৰ নামথকা পণ্ডিতক অসমলৈ আনি দুসপ্তাহ অসমত থুৱাই অসমৰ "প্ৰামাণ্য ইতিহাস" সম্পাদনা কৰি উলিওৱাৰ এক অপূৰ্ব আঁচনি প্ৰকাশন পৰিষদে কৰিছে আৰু এই সম্পৰ্কে বাতৰিকাকতত খলক লগোৱা হৈছে। পিছে অসমৰ ইতিহাস ৰচনাৰ প্ৰাথমিক কামখিনিয়েই—তথ্যসংগ্ৰহ, বৈজ্ঞানিক অনুসন্ধান প্ৰভৃতি—যেতিয়া হৈ উঠা নাই, তেতিয়া প্ৰচাৰ আৰু প্ৰে'মাৰৰ লোভত ভুকুতে কল পকোৱাদি অসমৰ প্ৰামাণ্য ইতিহাস ৰচনা কৰিবলৈ যোৱাটো ৰাজহুৱা ধন অপচয় কৰাৰ হৃদয়গ্ৰাহী ব্যৱস্থা নহ'বনে? সাহিত্য আলোচনী বিজ্ঞাপনমুখী হ'লে তাৰ দশা কেনে হয় কৈছোঁ। কিন্তু অসমীয়া আলোচনী উচ্চমানৰ হ'লেও চৰকাৰী বিজ্ঞাপন অবিহনে চলিব নোৱাৰে। সেয়ে চৰকাৰী বিজ্ঞাপনৰ প্ৰয়োজন আছে। কিন্তু পাঠক সমাজে শুনি আচৰিত হ'ব যে "সাম্প্ৰতিক সাময়িকী'ৰ দৰে আলোচনীয়েই অতদিন ধৰি চৰকাৰী বিজ্ঞাপনৰ পৰা বঞ্চিত হৈ আছে। মন্ত্ৰী আমোলাৰ অনুমোদন নোহোৱাকৈ চৰকাৰী বিজ্ঞাপন পোৱা হেনো টানেই। কিন্তু মন্ত্ৰী মহাশয়ৰ ওপৰত প্ৰশংসাপূৰ্ণ কবিতা প্ৰকাশ কৰি অনুমোদন লোৱাৰ সাহস তথা নিৰ্লজ্জতা সকলো সম্পাদকৰ নাথাকে।

ঠিক এইবাবেই কৈছোঁ যে চৰকাৰী বা বেচৰকাৰী পৃষ্ঠপোষকতাৰ যিবোৰ অনুষ্ঠান আছে সেইবোৰে সাহিত্যৰ প্ৰকৃত বিকাশ বা প্ৰচাৰৰ উপযুক্ত পৰিবেশ সৃষ্টি কৰিব পৰা নাই। সাহিত্যসভাই হয়তো সেইবোৰতকৈ বেলেগ ভূমিকা ল'ব পাৰিলেহেতেন। কিন্তু তেনে ভূমিকা লোৱাতকৈ সেইবোৰৰ সুৰতে হোৱা দিয়া সাহিত্যসভাৰ ধৰ্ম হৈ পৰিছে। ইতিমধ্যে যিসকল সাহিত্যিক প্ৰতিষ্ঠিত হ'ল তেওঁলোকৰ যশস্যা, প্ৰতিপত্তি আৰু প্ৰভাব বিস্তাৰ কৰাৰ স্বাৰ্থতেই যেন সাহিত্যসভাক মাধ্যম কৰি লোৱা হৈছে, এনে ধাৰণা তৰুণ মহলত প্ৰায় বদ্ধমূল হৈ পৰিছে। স্বাধীনতাৰ পিছত নানা উপায়ে এচাম শিল্পী, সাহিত্যিক আৰু বুদ্ধিজীৱীয়ে কেনেকৈ খ্যাতি আৰু প্ৰতিপত্তিৰ জৰিয়তে শাসক শ্ৰেণীৰ অংশীদাৰ হৈ পৰিছে তাৰ প্ৰমাণ সকলোৰে চকুত পৰিছে। সাহিত্য চৰ্চাৰ নামত শাসক শ্ৰেণীৰ সদস্য হোৱা আৰু শাসকশ্ৰেণীৰ স্বাৰ্থৰক্ষা কৰাই বয়স্ক সাহিত্যিক বহুতৰে ধৰ্ম হৈ পৰিছে। সাহিত্যৰ উন্নতিৰ নামত ৰাজহুৱা ধনৰ যি অংশ তেওঁলোকৰ হাতলৈ আহিছে, জৰেমধে তাক আত্মসাৎ কৰাও তেওঁলোকৰ অন্যতম প্ৰধান কাম। এনেবোৰ উপসৰ্গই আদৰ্শবাদী তৰুণক অনুপ্ৰাণিত কৰিব নোৱাৰাই স্বাভাৱিক।

১৯৭৮ চনৰ 'সাম্প্ৰতিক সাময়িকী'ৰ সাহিত্যসভা সংখ্যাৰ সম্পাদকীয়ত ঠিকেই মন্তব্য কৰা হৈছে যে সাহিত্যসভা ৰাজনীতিৰ পৰা মুক্ত অনুষ্ঠান নহয়। কিন্তু এসময়ত এই ৰাজনীতিৰ ৰূপ আছিল কিছু বেলেগ। প্ৰথম অধিবেশনবোৰৰ সভাপতিসকল আছিল তাহানিৰ অবহেলিত, অনুন্নত কিন্তু আত্মপ্ৰতিষ্ঠাৰ ব্ৰতত উদ্যোগী অসমীয়া জনগণৰ আশা আকাংক্ষাৰ প্ৰতিনিধিস্বৰূপ—তেওঁলোকৰ সংগ্ৰামৰ নায়কস্বৰূপ। চৰকাৰী মন্ত্ৰী বিষয়া মঞ্চত উপস্থিত নথকাটোৱেই সূচাইছিল যে সাহিত্য সভাৰ চৰিত্ৰ চৰকাৰী বিৰোধী নহ'লেও চৰকাৰৰ একান্ত অনুগত নাছিল। সাম্ৰাজ্য-



OKDISCD

বাদ বিৰোধী জাতীয় আন্দোলনৰ বহু কেইজন কৰ্মী আৰু নেতাই সাহিত্যসভাত যোগ দিবলৈ সেয়ে সংকোচ বোধ কৰা নাছিল। কিন্তু পিছলৈ সাহিত্যসভাৰ অনুষ্ঠানবোৰত এহাতে ৰাইজৰ স্বতঃস্ফূৰ্ত আয়োজনতকৈ চৰকাৰী সহায়হে বেছি চকুত পৰা হ'ল। মঞ্চতো মন্ত্ৰী আৰু উচ্চ পদস্থ বিষয়াইহে বেছি সন্মান পাবলৈ ধৰিলে। টিহু অধিবেশনততো সমগ্ৰ অসমীয়া জাতিৰ দুৰপনেয় কলংক হিচাবে ভাৰতৰ ৰাষ্ট্ৰপতিয়ে সাহিত্যসভাৰ সভাপতিতকৈ বেছি মান মৰ্যাদা পালে লক্ষ লক্ষ দৰ্শকৰ সন্মুখতে! সংগ্ৰামী কৰ্মীৰ জাগাত ভৃত্যভাবাপন্ন এদল লোক কেনেকৈ সাহিত্যসভাৰ গুৰিধৰোঁতা হৈ পৰিল ঘটনাটোৱে তাকে প্ৰমাণ কৰিলে।

"ৰাজনীতি" নকৰিলেও "অসমীয়াৰ স্বাৰ্থ ৰক্ষাৰ্থে সাহিত্যসভাই সদায় মাত মাতি আহিছে"—সাহিত্যসভাৰ সমৰ্থকসকলে সদায় এই যুক্তি আগবঢ়াই আহিছে। কিন্তু অসমীয়াৰ স্বাৰ্থ মানে কাৰ স্বাৰ্থ? সেই স্বাৰ্থৰক্ষাৰ প্ৰকৃষ্ট উপায়েই বা কি? স্বাধীনতাৰ আগতেও যে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সাহিত্যসভাই কাহানিও দৃপ্ত কণ্ঠে মাতমতা নাছিল তাৰ পৰা জানো তাৰ এক অন্তৰ্নিহিত দুৰ্বলতা প্ৰকাশ নাপায়? অসমীয়া জাতিৰ স্বাৰ্থৰক্ষা কৰিবলৈ হলে সাম্ৰাজ্যবাদৰ বিৰুদ্ধে সংগ্ৰামৰ চোক কমাব লাগিব—এনে যুক্তিৰ সাৰবত্তাই বা কি? ডঃ অমলেন্দু গুহৰ From Planter Raj to Swaraj নামৰ কিতাপখনত দেখুৱা হৈছে যে চাকৰি বাকৰি আদি বিষয়ত প্ৰতিযোগিতাৰ সন্মুখীন হৈ অসমীয়া মধ্যশ্ৰেণীয়ে বঙালী মধ্যশ্ৰেণীৰ বিৰুদ্ধে বৃটিছ চৰকাৰৰ সমৰ্থন বিচাৰিছিল। দুয়োজাতিৰ মধ্যশ্ৰেণী মিলিত হৈ বৃটিছ সাম্ৰাজ্যবাদৰ বিৰুদ্ধে যুদ্ধ দিয়া হলে ফল আৰু ভাল হ'লহেঁতেন। কিন্তু দেখা গ'ল যে পৰিস্থিতি বেলেগ হ'ল। স্বাধীনতাৰ পিছত অসমীয়া মধ্যশ্ৰেণীয়ে অসমত অসমীয়াৰ একাধিপত্য বিস্তাৰৰ বাবে আয়োজন চলালে। জনজাতীয় সকলৰ আবেগ অনুভূতিক বিশেষ মূল্য দিয়া নহ'ল। অসমীয়া ৰাজ্যভাষা হিচাবে প্ৰতিষ্ঠিত হোৱা সময়ত সাহিত্যসভাই বিশেষ ভূমিকা পালন কৰে। তাৰ পিছত বিশ্ববিদ্যালয়ৰ ভাষা হিচাবে অসমীয়া ভাষা স্বীকৃত হবৰ সময়ত সাহিত্যসভা যথেষ্ট সক্ৰিয় আছিল। অন্যান্য সময়তো অসমৰ স্বাৰ্থৰক্ষাৰ নামত ঘাইকৈ অসমীয়া মধ্যশ্ৰেণীৰ স্বাৰ্থৰক্ষাৰ বাবেহে সাহিত্যসভাই মাত মাতি আহিছে। অসমৰ গ্ৰাম্য অৰ্থনীতিৰ ভয়াবহ সংকট আৰু কৃষকৰ দুৰ্দশা, অসমৰ অনা-অসমীয়া জনজাতীয় লোকসকলৰ অৰ্থনৈতিক আৰু সাংস্কৃতিক সমস্যা প্ৰভৃতি অসমৰ জনগণৰ বাবে গুৰুতৰ সমস্যা নহয় বুলি সাহিত্য সভাই কব নোৱাৰে। কিন্তু সেই সম্পৰ্কে সাহিত্য-সভা বিশেষ সজাগ নহয়। তদুপৰি যিবোৰ ক্ষেত্ৰত অসম চৰকাৰৰ লগত পোণ-পটীয়া সংঘাতৰ সম্ভাবনা থাকে সেইবোৰ ক্ষেত্ৰত সাহিত্য সভা সদায় পশ্চাদপদ হয়। যেহেতু অসম চৰকাৰত অসমীয়া মধ্যশ্ৰেণীৰ স্বাৰ্থ ঘনিষ্ঠভাৱে জড়িত সেয়ে সেই চৰকাৰৰ লগত সাহিত্যসভাই সচৰাচৰ এটা বুজাপৰালৈ আহে। ৰাজ্য চৰকাৰৰ লগত কেন্দ্ৰৰ চৰকাৰৰ কিছু মতবিৰোধ কেতিয়াবা ঘটে—সেইবোৰ ক্ষেত্ৰত সাহিত্য সভাও কেন্দ্ৰীয় চৰকাৰৰ বিৰুদ্ধে যায়। কিন্তু এই দ্বন্দ্ব কেতিয়াও প্ৰবল পৰ্যায়লৈ নাযায়। কাৰণ অসমীয়া মধ্যশ্ৰেণীয়ে জনগণৰ পক্ষ লোৱাতকৈ



সচৰাচৰ কেন্দ্ৰীয় তথা সৰ্বভাৰতীয় শাসকশ্ৰেণীৰ শৰণ লোৱাতহে অভ্যস্ত।

কোৱা বাহুল্য যে অসম চৰকাৰেও পৰিস্থিতিটো বঢ়িয়াকৈ বুজি পায় আৰু প্ৰকাশ্যত সাহিত্য সভাক সন্তুষ্ট ৰাখিবলৈ যত্ন কৰে। সেয়ে আজি কিছুদিন ধৰি সাহিত্যসভাৰ মঞ্চতে মন্ত্ৰীবিষয়াৰ দপদপনি বাঢ়ি যোৱা দেখা গৈছে। তাৰ লগতে দেখা গৈছে ক্ৰমশঃ এচাম লোকে সাহিত্যসভাৰ যোগেদি প্ৰভাৱ প্ৰতিপত্তি অৰ্জন কৰিছে আৰু সমকালীন চৰকাৰৰ লগত হৃদ্যতা স্থাপন কৰিছে। এনেস্থলত তৰুণ লেখকসকল সাহিত্য সভাৰ ৰাজনীতিৰ প্ৰতি বিৰূপ হৈ উঠাত বিচিত্ৰ কি আছে? সাহিত্যৰ ক্ষেত্ৰত যেহেতু তেওঁলোকে সাহিত্যসভাৰ পৰা একো পোৱাই নাই, সাহিত্যৰ বাহিৰৰ জগতত কিছুমান লোকৰ ধন-ক্ষমতা-প্ৰভাৱ বঢ়াতনো সহায় কৰে কিয়?

বৃটিছ আমোলত সাহিত্য সভাই অসমীয়া ভাষা-সাহিত্য তথা জাতীয় সংস্কৃতিৰ স্বকীয়তা ৰক্ষা কৰিবলৈ যি চেষ্টা কৰিছিল তাৰ চৰিত্ৰ সাম্ৰাজ্যবাদ বিৰোধী নহ'লেও প্ৰগতিশীল আছিল বুলিব পৰা যায়। বংগদেশৰ ক্ৰমবৰ্দ্ধমান ৰাজনৈতিক অশান্তিৰ মূলতে আছিল বঙালী মধ্যশ্ৰেণীৰ জীৱিকাৰ সংকট। শিল্প-বাণিজ্যৰ ওপৰত বৃটিছৰ একচেটিয়া শাসন আৰু সেই শিল্প-বাণিজ্যৰ ঔপ-নিবেশিক চৰিত্ৰৰ বাবে বঙালী মধ্যশ্ৰেণীৰ জীৱিকাৰ প্ৰধান উপায় আছিল চাকৰি—কিন্তু চাকৰিৰ সংখ্যাও শিক্ষিত প্ৰাৰ্থীৰ তুলনাত নগণ্য হৈ পৰিছিল। সেয়ে বঙালী মধ্যশ্ৰেণীৰ মাজত ঔপনিবেশিক শাসন সম্পৰ্কে তিক্ত আৰু তীব্ৰ মোহভংগ হয়। তাৰ ৰাজনৈতিক অভিব্যক্তিৰ পৰা উদীয়মান অসমীয়া মধ্যশ্ৰেণীক আতৰত ৰাখিবলৈ ঔপনিবেশিক শাসকবৃন্দই অসমীয়া জাতীয় সংস্কৃতিৰ প্ৰথম প্ৰকাশত কিঞ্চিত সহায় কৰিছিল। কিন্তু সি আছিল নিতান্তই ৰাজনৈতিক কৌশল। বৃটিছে অসমত কেইখন স্কুল আৰু কেইখন কলেজ পাতিলে, চাহ-বাগানৰ পৰা হোৱাহোৱে নিয়া টকাৰ কিমান অসমৰ উন্নয়নত খৰচ কৰিলে, তাৰ হিচাব ল'লেই বৃটিছ চৰকাৰৰ 'অসমপ্ৰীতি'ৰ আচল চৰিত্ৰ প্ৰকাশ পাব। সেই পটভূমিত বিচাৰ কৰিলে অসম সাহিত্য সভাক পোনপটীয়াভাবে সাম্ৰাজ্য-বাদৰ দালাল বুলি সিদ্ধান্ত কৰিব নোৱাৰি। কাৰণ জাতীয় ভাষাকৃষ্টিৰ চৰ্চা আৰু জাতীয় আত্মসন্মানবোধে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামত পৰোক্ষভাবে ইন্ধন যোগাইছিল।

কিন্তু ত্ৰিশৰ দশকৰ পৰা অসমৰ মধ্যশ্ৰেণীৰ নেতাসকলৰ এচামৰ মাজত আৰু এটা প্ৰতিক্ৰিয়া পৰিলক্ষিত হ'বলৈ ধৰে। অম্বিকাগিৰি ৰায়চৌধুৰী প্ৰমুখ্যে নেতাই অসমীয়াৰ স্বাৰ্থৰক্ষাৰ বাবে প্ৰয়োজন হ'লে সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰাম কিছু ঢিলাই দিবলৈকো প্ৰস্তুত হয়। সৰ্বভাৰতীয় নেতাসকলে অনুন্নত জাতিসত্তা সমূহৰ নিৰাপত্তা আৰু অধিকাৰ সুৰক্ষিত কৰিবলৈ বিশেষ ব্যবস্থা লোৱা নাছিল। বৰং সৰ্বভাৰতীয় বজাৰখন দখল কৰাই আছিল তেওঁলোকৰ গূঢ় উদ্দেশ্য। তাৰ ফলত বিভিন্ন জাতিসত্তাৰ নেতৃত্বত থকা মধ্যশ্ৰেণীৰ (যাৰ মাজত সেইবোৰ জাতি-সত্তাৰ পঞ্জা লগা জাতীয় বুৰ্জোৱা উপাদানো আছে) মাজত বিবাদ-বিৰোধৰ যথোচিত মীমাংসাৰ কোনো উপায় আবিষ্কৃত নহ'ল। সেয়ে অসমৰ উদীয়মান মধ্যশ্ৰেণীয়ে



OKDISCD

এহাতে যেনেকৈ দেশৰ সামগ্ৰিক মুক্তি আন্দোলনত যোগ দিলে তেনেকৈ আনহাতে নিজা শ্ৰেণীস্বাৰ্থৰ বাবেও স্বকীয়া কৌশল ল'বলৈ ধৰিলে। গোপীনাথ বৰদলৈৰ নেতৃত্বৰ সময়তে অসমৰ নেতৃত্ব আৰু সৰ্বভাৰতীয় নেতৃত্বৰ মাজত দ্বন্দ্ব সঘন আৰু তিক্ত হৈছিল। বৰদলৈ আৰু অন্যান্য নেতাই সৰ্বভাৰতীয় নেতৃত্বক অমান্য নকৰিলেও এচাম নেতাই সেই নেতৃত্বকো নেওচা দিছিল।

স্বাধীনতাৰ পিছত এই পৰিস্থিতিৰ পৰিবৰ্তন হ'ল। ৰাজ্যিক প্ৰশাসনৰ দায়িত্ব অসমৰ মধ্যশ্ৰেণীৰ কৰায়ত্ত হোৱাৰ পিছত পাৰিবাৰিক, গোষ্ঠিগত আৰু শ্ৰেণীগত আৰ্থিক উন্নতি তথা বৈষয়িক অগ্ৰগতিৰ বাবে ৰাজ্যিক প্ৰশাসনৰ প্ৰাপ্য ধন ব্যৱহৃত হবলৈ ধৰে। ফলত দুইদশকৰ ভিতৰতে মধ্যশ্ৰেণী আৰু অন্যান্য শ্ৰেণীৰ (যেনে কৃষক আৰু মধ্যশ্ৰেণীৰ তলৰ স্তৰবোৰ) মাজত বিৰাট ব্যৱধান সৃষ্টি হয়। কৃষক শ্ৰেণীৰ মাজত অনিয়মিত ভাবে হ'লেও বিপ্লবী চিন্তাধাৰা প্ৰবেশ কৰাৰ ফলস্বৰূপেও মধ্যশ্ৰেণীৰ লগত কৃষকৰ মানসিক ব্যৱধান বাঢ়ি যায়। আনহাতে সৰ্বভাৰতীয় বৃহৎ বুৰ্জোৱাই ( Big Bourgeoisie ) বিদেশী পুঁজিৰ সৈতে সমগ্ৰ ভাৰতৰ উৎপাদন আৰু বজাৰত একাধিপত্য বিস্তাৰ কৰে। এই বৃহৎ বুৰ্জোৱাৰ ওচৰত অসমৰ মধ্যশ্ৰেণীয়ে বিনাচৰ্তে আত্মসমৰ্পণ কৰে। বৃহৎ বুৰ্জোৱাৰ ছত্ৰছাঁয়াত অসমৰ মধ্যশ্ৰেণীয়ে নিজৰ স্বচ্ছলতা আৰু সমৃদ্ধি বঢ়াবলৈ সুযোগ পায় বাবেই বৃহৎ বুৰ্জোৱাৰ একাধিপত্য নিৰ্বিবাদে মানি লয়। অন্যান্য প্ৰতিযোগী মধ্যশ্ৰেণীৰ ওপৰত নিজৰ আধিপত্য প্ৰতিষ্ঠা কৰিবলৈকে আৰু অসমৰ সমূহ জনগণৰ মাজত নিজৰ নেতৃত্ব সুদৃঢ় কৰিবলৈকে মধ্যশ্ৰেণীয়ে ৰাজ্যিক প্ৰশাসনৰ যন্ত্ৰ ব্যৱহাৰ কৰে। যেহেতু অসমীয়া মধ্যশ্ৰেণীৰ আৰ্থিক বা বৈষয়িক ভিত্তি দুৰ্বল সেয়ে এই নেতৃত্ব প্ৰতিষ্ঠা কৰি কাৰ্যত গোড়ামি আৰু খৰখেদাকৈ কিবা এটা কৰাৰ মনোভাব প্ৰকাশ পালে। ১৯৬০ৰ ৰাজ্যভাষা আইন এই প্ৰচেষ্টাৰ এক উল্লেখযোগ্য সোপান। কোৱা বাহুল্য যে যেহেতু শিল্প-বাণিজ্যৰ চাবিকাঠি হস্তগত কৰি এই কাম কৰাতকৈ প্ৰশাসন, আইন-কানুন, ভাষা-সংস্কৃতিৰ জৰিয়তেই এই লক্ষ্য সাধন কৰিবলৈ চেষ্টা কৰা হ'ল সেয়ে অসম সাহিত্য সভাৰ ভূমিকাও এই পৰ্যায়ত গুৰুত্বপূৰ্ণ হৈ পৰিল। অসমৰ মধ্যশ্ৰেণীৰ বিকাশ আৰু প্ৰসাৰৰ এই দ্বিতীয় পৰ্যায়ত সাহিত্য সভা তাৰ ৰাজনীতিৰ অন্যতম প্ৰধান হাতিয়াৰ হৈ পৰিল।

প্ৰখ্যাত তেলশোধনাগাৰ আন্দোলনৰ মূল লক্ষ্য কি আছিল। ? বিশ্লেষণ কৰিলে ওলাই পৰিব যে অসমৰ শিল্পায়নত সহায় কৰা তাৰ প্ৰধান কাৰ্যকৰী উদ্দেশ্য নাছিল। বৰং চাকৰি-বাকৰিৰ উদ্দেশ্যই আছিল প্ৰধান। আনকি উচ্চ পৰ্যায়ৰ কাৰিকৰী দিশৰ চাকৰিবোৰৰ বাবে অসমৰ ডেকা ল'ৰাক প্ৰশিক্ষণ দিবলৈকো আমাৰ মধ্যশ্ৰেণীয়ে কোনো সুচিন্তিত ব্যৱস্থা নল'লে। তাৰ পৰাই প্ৰতীয়মান হয় অসমৰ মধ্যশ্ৰেণীৰ প্ৰধান ভিত্তি কেনে ধৰণৰ! অসমৰ মধ্যশ্ৰেণীয়ে বৃহৎ বুৰ্জোৱাৰ শোষণৰ দুমলীয়া সহযোগী হিচাবে নিজৰ অৱস্থা উন্নত কৰাত ইমান ব্যস্ত হৈ থাকিল যে অসমৰ ৰাজ্যিক অৰ্থনীতি আৰু অসমৰ জনগণৰ আৰ্থিক অৱস্থা উন্নত কৰিবলৈ সম্পূৰ্ণ অৱহেলা কৰিলে।* অৰ্থাৎ অসমৰ মধ্যশ্ৰেণীৰ মাজত দেশপ্ৰেমিক জাতীয় বুৰ্জোৱাৰ যি উপাদান আছিল সি সঙ্গায় কোঁচ খায়েই থাকিল। কৃষি তথা কৃষকক সামন্তবাদী শোষণৰ পৰা মুক্ত কৰি জাতীয় বজাৰৰ প্ৰসাৰ ঘটোৱা আৰু শিল্পৰ কৃষিজাত উপাদানৰ ব্যৱস্থা কৰা—এনেবোৰ লক্ষ্যতকৈ চাকৰিবাকৰিৰ সংখ্যা বঢ়োৱা; নহলে অগত্যা আনৰ হাতৰ পৰা চাকৰি-বাকৰি কাঢ়ি লোৱা আৰু নিজৰ সম্পত্তি অটুট ৰখা প্ৰভৃতি ব্যৱস্থাই অসমৰ মধ্যশ্ৰেণীৰ কৰ্মসূচীত প্ৰধান হৈ উঠিল।

অসমৰ ৰাজ্যিক অৰ্থনীতি আৰু অসমৰ খাটিখোৱা জনগণৰ বাবে অসমৰ মধ্যশ্ৰেণীৰ নেতৃত্বই ইতিমধ্যে কিমানখিনি কৰিলে তাৰ বিষয়ে কেতবোৰ তথ্য উল্লেখ কৰা যাওক। ১৯৫৫-ৰ পৰা ১৯৬৫ চনৰ ভিতৰত প্ৰাপ্ত তথ্য মতে ধানৰ উৎপাদন মাত্ৰ সামান্য বৃদ্ধি হয় (১০০ৰ ১০০'৯৭)। সৰিয়হৰ উৎপাদন কমে (১০০ৰ পৰা ৯৫'৩৪ সূচক সংখ্যালৈ)। কুঁহিয়াৰ উৎপাদন সামান্য বাঢ়ে (১০০ৰ ১১৩'৪৯৫ সূচক সংখ্যালৈ) চাহৰ উৎপাদন ১৯৬১ৰ পৰা ১৯৬৫ৰ ভিতৰত সামান্য কমিহে যায়। বিশ্ব বজাৰৰ উঠা-নমায়ো কিছুদূৰ উৎপাদনৰ পৰিবৰ্তন নিয়ন্ত্ৰিত কৰে। কিন্তু কৃষিৰ চৰিত্ৰ আৰু অৱস্থাৰ যে বিশেষ উল্লেখযোগ্য পৰিবৰ্তন একো হোৱা নাই, এইবোৰ তথ্যই তাকে প্ৰমাণ কৰে। অথচ ১৯৫১ৰ পৰা ১৯৬১ চনৰ ভিতৰত অসমৰ জনসংখ্যা শতকৰা ৩৪'৪১% বাঢ়িছে। দ্ৰব্যমূল্য বৃদ্ধি হৈছে ১৯৫৩ৰ পৰা ১৯৬৭ৰ ভিতৰত ১০০ৰ পৰা ২৬০লৈ—অৰ্থাৎ আঢ়ৈগুণতকৈ বেছি। চাহবাগান ১৯৫১ৰ পৰা ১৯৬১ৰ ভিতৰত ৭৮৫ৰ পৰা ৭৫০ লৈ কমিল। চাহবাগানত নিযুক্ত কৰ্মীৰ সংখ্যাও ৫৩৯০০০ৰ পৰা ৪৬৯০০০লৈ কমিল। লগতে উল্লেখ কৰা প্ৰয়োজন যে অসমত ইতিমধ্যে ভূমিহীন কৃষকৰ সংখ্যা দ্ৰুতগতিত বৃদ্ধি পাইছে। সম্প্ৰতি ভূমিহীন আৰু নামমাত্ৰ মাটিৰ গৰাকীৰ সংখ্যা অসমত শতকৰা ৭৭ জন। অৰ্থাৎ অসমৰ জনগণৰ জীৱন-জীৱিকাৰ নিৰাপত্তাৰ বাবে অসমীয়া মধ্যশ্ৰেণীৰ ৰাজনৈতিক নেতৃত্বই একো কৰাই নাই বুলিলে অত্যুক্তি কৰা নহ'ব। আচৰিত নহয় যে ক্ৰমে এই নেতৃত্বৰ প্ৰতি জনগণৰ সচেতন অংশৰ আস্থাও কমি আহিছে। এই প্ৰত্যাহ্বানৰ সন্মুখীন হৈ অসমীয়া মধ্যশ্ৰেণী মতাদৰ্শগতভাবে অধিক বামপন্থী নহৈ উগ্ৰজাতীয়তাবাদৰ পিনেহে আকৃষ্ট হৈছে আৰু অন্য অসমীয়া লোকসমষ্টিৰ বিৰুদ্ধে অসমৰ জনগণক প্ৰৰোচিত কৰিবলৈ বিচাৰিছে। অসম সাহিত্য সভায়ো উৎসাহেৰে এই উগ্ৰজাতীয়তাবাদী ভাবাবেগ প্ৰতিধ্বনিত কৰিছে। কিন্তু শ্ৰেণীবিভেদৰ নিৰ্মম সত্য উগ্ৰজাতীয়তাবাদী কৃত্ৰিম ঐক্যই নিশ্চিহ্ন কৰিব পৰা নাই।

অসম সাহিত্য সভা সেয়ে আগৰ দৰে জনগণৰ পৰা অবিচ্ছেদ্য হৈ আছে বুলি ভাবিলে ডাঙৰ ভুল হব। জনগণৰ আৰ্থিক, সামাজিক আৰু সাংস্কৃতিক বিকাশত এই অনুষ্ঠানে এতিয়া বিশেষ অৱদান দিব নোৱাৰে। অধিক কি, অসমৰ ২৯% সাক্ষৰতাৰ পটভূমিত আৰু ব্যাপক দাৰিদ্ৰৰ মাজত সাহিত্যৰ প্ৰচাৰৰ বাবে তাৰ অভিযানো বহুবাৰেতে লঘু ক্ৰিয়াত পৰিণত হবলৈ বাধ্য। ইতিপূৰ্বে আমি যে কৈ আহিছোঁ সাহিত্য সভা অসমৰ মধ্যশ্ৰেণীৰ "অভিজাত" বুদ্ধিজীৱীসকলৰ





OKDISCD

অনুষ্ঠানত পৰিণত হৈছে, তাৰ পৰাই সাহিত্য সভাৰ ভৱিষ্যত সম্পৰ্কে এটা ধাৰণা কৰিব পাৰি। সাংস্কৃতিক দিশৰ পৰা তাৰ বৰ্তমান ফছল ভাল নহলেও সাহিত্য সভাৰ ৰাজনৈতিক গুৰুত্ব এতিয়াও হ্ৰাস হোৱা নাই। সচেতন লোকে সাহিত্য সভাৰ প্ৰতি বিশেষ আস্থা পোষণ নকৰিব পাৰে। কিন্তু এতিয়াও সৰহসংখ্যক শিক্ষিত অসমীয়াৰ বাবে সাহিত্য সভাৰ ভাবমূৰ্তি ম্লান হোৱা নাই। সেয়ে অসমীয়া মধ্যশ্ৰেণীৰ মাজত থকা বিভিন্ন ক্ষমতাবান গোষ্ঠীয়ে তেওঁলোকৰ শিবিৰত থকা লেখক বা বুদ্ধিজীৱীৰ হতুৱাই সাহিত্য সভাৰ কৰ্তৃত্ব দখল কৰিবলৈ বিচাৰে। "সাম্প্ৰতিক সাময়িকী"ৰ ডেকা লেখকসকলে সাহিত্য সভাৰ বিষয়ববীয়া নিৰ্বাচনত যি উত্তেজনা, হুলস্থুল, আৰু কূট কৌশলৰ চলন লক্ষ্য কৰিছে তাৰ প্ৰধান কাৰণো এই ক্ষমতাবান গোষ্ঠীবোৰৰ প্ৰভাৱ। উদাহৰণস্বৰূপে এতিয়া অসমৰ জনতা চৰকাৰে ক্ৰমে এদল বুদ্ধিজীৱী নিজৰ শিবিৰলৈ আনিবলৈ চেষ্টা কৰি আছে। তাৰ উপৰিও পুৰণা কংগ্ৰেছী আমোলৰ বুদ্ধিজীৱীসকল আৰু তেওঁলোকৰ পৃষ্ঠপোষক বৃন্দৰ আন এটা শিবিৰো আছে। এই দুই শিবিৰৰ মাজত সাহিত্যসভাৰ নিয়ন্ত্ৰণৰ বাবে প্ৰতিযোগিতা হ'ব। সৰ্বভাৰতীয় ক্ষমতাৰ কুস্তী অনুযায়ী অসমৰ শাসকশ্ৰেণীত যি শিবিৰ সৃষ্টি হয়, সেইবোৰ শিবিৰৰ অনুগামী লেখক বা বুদ্ধিজীৱীও সাহিত্য সভাৰ যোগেদি নিজ নিজ শিবিৰৰ প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ৰিয় হয়।

যেহেতু বামপন্থী বা বিপ্লৱী শক্তি এনে ধৰণে শাসকশ্ৰেণীৰ অংশীদাৰ হ'ব নোৱাৰে সেয়ে সাহিত্য সভাৰ ৰাজনীতিত বামপন্থী লেখক সোমাব নোখোজে। কিন্তু সাহিত্য সভাক লৈ কি কৰা যাব? বামপন্থী মতাদৰ্শৰ প্ৰভাৱ তাৰ ওপৰত পেলাব পৰা যায় নেকি, তেনে চিন্তা সম্পূৰ্ণ অসাৰ নহয়। বামপন্থী মহলৰ সঘন সমালোচনাৰ ফলত সাহিত্যসভা এতিয়া জনজাতীয় সমাজ আৰু কৃষ্টিৰ গুৰুত্ব সম্পৰ্কে আগতকৈ অধিক সজাগ হৈছে। তৰুণচামৰ মাজত থকা বিপ্লৱী মতাদৰ্শৰ প্ৰভাৱ সম্পৰ্কেও সাহিত্য সভা কিঞ্চিৎ সজাগ হৈছে। কিন্তু তৰুণচামক জাতীয়তাবাদী মতাদৰ্শৰ ছত্ৰছাঁয়াত ৰাখিয়েই এইবোৰ নতুন ধাৰাৰ লগত সাহিত্য সভাই আপোচ কৰিবলৈ বিচাৰে। যেহেতু তৰুণচামৰ মাজত শ্ৰেণীভিত্তিক ৰাজনীতয়ে প্ৰাধান্য লাভ কৰিছে; সাহিত্যসভাৰ এই প্ৰয়াস বিশেষ সফল নহ'ব।

তৰুণচামে যদি মধ্যশ্ৰেণীৰ আধাসিজা জাতীয়তাবাদৰ পৰা জাতীয় সংস্কৃতিক মুক্ত কৰিবলৈ বিচাৰে তেন্তে তেওঁলোকৰ মতাদৰ্শ প্ৰতিষ্ঠা কৰিবলৈ সংগঠিত প্ৰচেষ্টা চলাব লাগিব। অৰ্থাৎ প্ৰগতিশীল সাহিত্যিক আন্দোলনৰ প্ৰবাহ সৃষ্টি কৰিবলৈ তেওঁলোকৰ হাততো সাহিত্যসভাৰ দৰে অনুষ্ঠান এটা লাগিব। এই অনুষ্ঠানে সকলো প্ৰগতিশীল লেখকক ঐক্যবদ্ধ কৰি তেওঁলোকৰ সন্মিলিত প্ৰচেষ্টাৰ দ্বাৰা সমাজ মানস জোঁকাৰ খুৱাব পাৰিব লাগিব। সেইটো অনুষ্ঠান চলাবলৈ তেওঁলোকৰ মাজৰ পৰাও সাহিত্য সভাৰ কিছুমান কৰ্মীৰ দৰে আশাগুধীয়া আৰু দক্ষ কৰ্মী ওলাব লাগিব। নহলে তেওঁলোকৰ তীব্ৰতম সমালোচনাও শেহান্তৰত অসাৰ্থক হৈ ৰ'ব। এইটো কৰিব পাৰিলে ক্ষমতাৰ ৰাজনীতি দুৰ্নীত, সম্পাদক-প্ৰকাশকৰ দৌৰাত্ম্য আৰু দেউলীয়া মতাদৰ্শৰ বিকাৰৰ পৰা অসমীয়া সাহিত্যক মুক্ত কৰি

( ২২ পৃষ্ঠাত চাওক )



## সাময়িক প্ৰসঙ্গ

# ভিয়েটনামৰ কাম্বোদিয়া আক্ৰমণ পুতলা চৰকাৰ গঠন

পৰ্যবেক্ষক

চীনে ভিয়েটনামক সামাজিক সাম্ৰাজ্যবাদীৰ তাবেদাৰ নীতিত গা ঢালি দিয়া দেখি 'এছিয়াৰ কিউবা' বুলি অভিহিত কৰিছিল। চীনৰ সমস্ত কথা— বতৰা একবাক্যে সমৰ্থন কৰিবলৈ দ্বিধা কৰা সকলেও এতিয়া সেই কথা মানি ল'ব লাগিব—যদিহে তেওঁলোক পৰদেশ লুণ্ঠনৰ ৰাজনীতিত গা এৰি দিয়া ভকত নহয়। সামৰিক আক্ৰমণৰ মাৰফৎ কাম্পুচিয়াৰ পল পট প্ৰশাসনক ওফৰাই নিজৰ পুতলা চৰকাৰ এটা স্থাপন কৰি ভিয়েটনামৰ শাসক বৰ্গই যি জঘন্য সম্প্ৰসাৰণৰ ৰাজনীতিৰ আশ্ৰয় ল'লে সি প্ৰকৃতাৰ্থত বিশেষভাৱে ভিয়েটনামৰ আৰু সামগ্ৰিকভাৱে ইন্দোচীনৰ জনগণৰ দীৰ্ঘদিনীয়া সাম্ৰাজ্যবাদ-বিৰোধী সংগ্ৰামী ঐতিহ্যৰ ওপৰতে চৰম আঘাত হানিলে। সীমান্ত বিবাদৰ নামত, তাবেদাৰ 'বিপ্লৱী' সংগঠন তৈয়াৰ কৰি, গিয়াপৰ ৰণকৌশলৰ ভয়াবহ অপপ্ৰয়োগেৰে সৈন্যবল জনবলৰ পিনৰপৰা তুলনামূলকভাৱে দুৰ্বল দেশখনৰ প্ৰতিকূল বুলি ভবা চৰকাৰক আঁতৰোৱাৰ এই ৰাজনীতি-সমৰনীতি সামাজিক সাম্ৰাজ্যবাদৰ পৰিচিত খেলৰে অংশ স্বৰূপ। হো-চি-মিনৰ স্বপ্নৰ কি যে এক ভয়াবহ পৰিণতি!

ভিয়েটনামৰ শাসকবৰ্গৰ এই জঘন্য কাৰ্যকলাপ বিচ্ছিন্ন ঘটনা নহয়! ছোভিয়েট সামাজিক সাম্ৰাজ্যবাদে সমগ্ৰ বিশ্বজুৰি আধিপত্য বিস্তাৰৰ বাবে যিখন জাল বিস্তৃত কৰিছে—তাৰে কেৱল অংশ মাত্ৰ। বিশেষকৈ আফ্ৰিকা আৰু এছিয়াত এই আগ্ৰাসী নীতি 'ফলে ফুলে বিকশিত' হৈছে। আফ্ৰিকাত কিউবাৰ সৈন্যবাহিনীৰ মাৰফৎ এংগোলা আৰু অন্যান্য দেশত যি ধৰণৰ 'বিপ্লৱ' ৰপ্তানি কৰা হ'বলৈ ধৰিছে সেই একে ধৰণৰ 'বিপ্লৱ'কে ভিয়েটনামেও দক্ষিণ পূব এছিয়াত 'চালু' কৰিব খুজিছে আৰু তাৰে শেহতীয়া বলি হ'ল কাম্পুচিয়া।

ভিয়েটনাম-কাম্পুচিয়াৰ মাজত সীমাৰ প্ৰশ্নটো দীৰ্ঘদিনীয়া। ফ্ৰান্সৰ উপনিবেশিক কালছোৱাত তেতিয়াৰ কাম্পুচিয়াই নিজৰ বুজন অঞ্চল হেৰুৱাবলগীয়া হৈছিল। নৰোদম ছিহানুকৰ ৰাজত্বকালতো ভিয়েটনামৰ লগত এই বিষয়ে আলাপ আলোচনা চলিছিল। ১৯৬৭ চনত ভিয়েটনামৰ তৰফৰ পৰা দিয়া ঘোষণাত 'কাম্বোডিয়াৰ বৰ্তমানৰ সীমাকে স্বীকৃতি দিয়া হ'ব আৰু তাৰ ভিতৰত সেই দেশৰ আঞ্চলিক অখণ্ডতাক সন্মান জনোৱা হ'ব' বুলি প্ৰতিশ্ৰুতি দিয়া হৈছিল। মাৰ্কিন-সাম্ৰাজ্যবাদ-বিৰোধী সংগ্ৰামৰ সফল পৰিণতিৰ লগে লগে ভিয়েটনাম, কাম্বোদিয়া আৰু লাওছৰ সংগ্ৰামী জনগণে বিশ্বৰ শোষিত-নিপীড়িত জনগণৰ মাজত যি উৎসাহ-উদ্দীপনা আৰু সংগ্ৰামী তেজ দিছিল—তাৰ সীমা-বিবাদ লৈ হ'ব পৰা ৰক্তাক্ত

আক্ৰমণৰ আশংকাৰ বিষয়ে অনুমান কৰাৰ থল নাছিল। কিন্তু সাম্ৰাজ্যবাদ আৰু সামাজিক-সাম্ৰাজ্যবাদৰ উদ্দেশ্য একেই—কৌশলো প্ৰায় একেই। ভিয়েটনামে শেহৰ বিধৰ কক্ষত সোমাই জনগণৰ আগৰ সমস্ত ঐতিহ্য হেলাৰঙে ধূলিসাৎ কৰিবলৈ বিচাৰিলে, বিশ্বৰ জনগণৰ বাবে সেয়া অতি মৰ্মন্তুদ। আনহাতে এই ঘটনাই দুই বিধ সাম্ৰাজ্যবাদ আৰু সিহঁতৰ তাবেদাৰসকলৰ প্ৰতি অতি সতৰ্ক পহৰা ৰখাৰ প্ৰয়োজনীয়তা সম্পৰ্কে জনগণক পুনৰ সঁকিয়াই দিলে।

কিন্তু ভিয়েটনামে সীমা-বিবাদৰ প্ৰশ্নটো যে অজুহাত হিচাপেহে লৈছিল—অন্ততঃ এতিয়া সেই কথা পৰিস্কাৰ হৈ পৰিল। কাম্পুচিয়াৰ নেতৃবৰ্গই আনকি সেই কথা আগতেই অনুমান কৰিছিল বুলি ধাৰণা কৰিব পাৰি। জাতীয় স্বাধীনতা অৰ্জনৰ পিচতে কাম্পুচিয়াৰ নতুন চৰকাৰে নিৰপেক্ষ বৈদেশিক নীতিৰ পক্ষে আস্থা প্ৰকাশ কৰি কাম্পুচিয়াৰ সীমাত বিদেশী ঘাটি স্থাপন কৰিবলৈ দিয়া নহব বুলি স্পষ্ট ঘোষণা দি কাম্পুচিয়াত তেতিয়াও থকা ভিয়েটনামী সৈন্যক অপসাৰণ কৰিবলৈ জনাই দিছিল। নতুন চৰকাৰে ঘোষণা কৰিছিল : 'এছিয়া, আফ্ৰিকা আৰু লেটিন আমেৰিকাৰ জনগণৰ সৈতে আমি পুৰণি আৰু নতুন সাম্ৰাজ্যবাদ, প্ৰাক্তন ঔপনিবেশিক শক্তি আৰু নতুন ঔপনিবেশিক শক্তিৰ বিৰুদ্ধে প্ৰকৃত স্বাধীনতা, শান্তিৰ হকে যুঁজ দি যাম।" কিমান সত্য আছিল এই ভৱিষ্যত দৃষ্টি সেই কথা এতিয়া আৰু বুজিবলৈ বাকী নাই।

সীমাৰ প্ৰশ্নটোত কাম্পুচিয়াই স্পষ্ট কৰি দিছিল যে ফলদায়ক দ্বিপক্ষীয় আলোচনা আৰম্ভ হোৱাৰ আগেয়ে ভিয়েটনামে তেওঁলোকৰ এলেকাৰ পৰা সকলো সৈন্য বাহিনী অপসাৰণ কৰি নিব লাগিব। সাম্ৰাজ্যবাদ বিৰোধী যুদ্ধৰ কালত কাম্পুচিয়াৰ এলেকাত হানয়ৰ সৈন্য বাহিনী আছিল আৰু নমপেনে কোৱা মতে তাৰ পিচতো আঠটা ডিভিজন ৰাখি থোৱা হৈছিল। তদুপৰি কাম্পুচিয়াৰ অভিযোগ হ'ল—মুক্তি যুদ্ধৰ কালত 'পুতলা' সামৰিক বাহিনী এটা সৃষ্টিৰ বাবে হানয়ে গোপনে কেইবা হেজাৰো কাম্পুচিয়ানক প্ৰশিক্ষণ দিছিল। ১৯৭৮ চনৰ ডিচেম্বৰত প্ৰকাশ কৰা হয় যে কাম্পুচিয়াৰ বিপ্লৱী ৰাষ্ট্ৰ শক্তিক আক্ৰমণ কৰিবৰ বাবে ভিয়েটনামে কাম্পুচিয়াতে এটা পৃথক প্ৰশাসন গঢ়ি তুলিবলৈ ধৰিছে। ইয়াৰ পিচত হানয়ৰ প্ৰচেষ্টাত সীমান্ত অঞ্চলত 'কাম্পুচিয়ান ইউনাইটেড ফ্ৰন্ট ফৰ নেছনেল ছেলভেছন' নামৰ সংগঠনটো গঠিত হোৱা কথা হানয় ৰেডিঅ'ই ঘোষণা কৰাৰ পিচত কাম্পুচিয়া চৰকাৰৰ উক্ত অভিযোগ সন্দেহজনক বুলি ভবাৰ অৱকাশ নাথাকিল। সেই সংগঠনটোৰ ঘোষিত লক্ষ্য আছিল পল পট চৰকাৰক ক্ষমতাচ্যুত কৰা; ছোভিয়েটৰ মতে 'নমপেনক উদ্ধাৰ কৰা, স্বদেশ আৰু জনগণক ৰক্ষা কৰা।'

ছোভিয়েটৰ 'বদান্যতা'ত ইন্দোচীন ফেডাৰেছন এখন গঠন কৰি (ছোভিয়েটৰ এছীয় নিৰাপত্তা ব্যৱস্থাৰ সৰু সংস্কৰণ দক্ষিণ পূব এছিয়াত চীনক ঘেৰি এখন দেৱাল গঢ়াৰ আৰু সেই খণ্ডটোত নিজৰ আধিপত্য স্থাপন কৰাই আছিল ভিয়েটনামৰ মূল লক্ষ্য। ইতিমধ্যে লাওছক কৰ্তৃত্বাধীনলৈ অনাত বিশেষ কষ্ট কৰিবলগীয়া নহ'ল। কিন্তু বিদেশৰ হস্তক্ষেপৰ বিৰুদ্ধে আৰু স্বাধীনতা ৰক্ষাৰ পক্ষে দৃঢ়তাৰে থিয় হোৱা কাম্পুচিয়া সেই লক্ষ্যত প্ৰবল অন্তৰায় হৈ উঠিল। চীনৰ লগত কাম্পুচিয়াৰ সু-সম্পৰ্কইও সামাজিক সাম্ৰাজ্যবাদ আৰু সিহঁতৰ তাবেদাৰ সকলক সচকিত কৰিলে। ছোভিয়েট-ভিয়েটনাম চুক্তি সম্পাদনেৰে শক্তি সংগ্ৰহ কৰি ইন্দোচীনক পুনৰগঠন কৰাৰ শেষ বাধা আঁতৰোৱাৰ উদ্দেশ্যে সৈ আক্ৰমণৰ মাৰফৎ এম্পেনত পুতলা চৰকাৰ এটা গঠন কৰিলে হানয়ে। উল্লেখ কৰিব পাৰি যে ভিয়েটনাম ছোভিয়েট মৈত্ৰী চুক্তি সম্পাদিত হওঁতেই পৰিস্কাৰ হৈছিল যে সেই চুক্তি ছোভিয়েট-ভিয়েটনামৰ সম্প্ৰসাৰণৰ লক্ষ্যত এক মৈত্ৰী বন্ধন মাত্ৰ। সেই চুক্তিৰ পিচত চীন আৰু কাম্পুচিয়া উভয়ে ভিয়েটনামৰ আক্ৰমণৰ আশংকা প্ৰকাশ কৰিছিল—যি আশংকা অমূলক নাছিল। ভাৰত-ছোভিয়েট মৈত্ৰী চুক্তি আৰু তেতিয়াৰ পূব পাকিস্থানত ভাৰতৰ সামৰিক হস্তক্ষেপৰ দ্বাৰা 'বিপ্লৱ' সম্পন্ন কৰা কাৰবাৰটোলৈ এই খিনিতে মনত পেলাব পাৰি।

ভিয়েটনামৰ আক্ৰমণৰ সপক্ষে যুক্তি দিবলৈ গৈ ছোভিয়েট আৰু সেইদেশৰ অনুচৰসকলে পল পট প্ৰশাসনৰ অত্যাচাৰ নিপীড়নৰ প্ৰশ্নটো তুলিছে। পল পট প্ৰশাসনৰ যে ভুল হোৱা নাছিল সেই কথা অস্বীকাৰ কৰা নাযায়—বিশেষকৈ জাতীয় গণতান্ত্ৰিক বিপ্লৱৰ স্তৰত শত্ৰু-মিত্ৰ বিচাৰ কৰাত, এই স্তৰত জনগণৰ মাজৰ দ্বন্দ্বৰ সম্যক উপলব্ধিৰে তাৰ সমাধানত এই প্ৰশাসনে যথেষ্ট ভুল কৰিছিল বুলি প্ৰাপ্ত তথ্যৰ পৰা জনা যায়—ছিহানুকৰ মন্তব্যৰ পৰাও সেই কথা অনুমান কৰিব পাৰি। কিন্তু সেই ভুল, অত্যাচাৰ-নিপীড়নৰ যুক্তিতে বিদেশীৰ আক্ৰমণ আৰু চৰকাৰ ভঙা-পতা কাৰ্য সমৰ্থন কৰিবলৈ গলে পৰদেশ লুণ্ঠনৰ ঔপনিবেশিক আৰু সাম্ৰাজ্যবাদী নীতিতে হাত তালি দি থাকিব লাগিব। অত্যাচাৰী চৰকাৰক ওফৰোৱাৰ দায়িত্ব সংশ্লিষ্ট দেশৰ জনগণৰহে—জনগণেহে সেইটো নিৰ্ণয় কৰিব পাৰে—। বিদেশী সৈন্য আৰু বন্দুক-বাৰুদেৰে গণতন্ত্ৰ আৰু বিপ্লৱ ৰপ্তানি কৰিব পৰা নাযায়—প্ৰতিবিপ্লৱ আৰু প্ৰতিক্ৰিয়াহে পৰা যায়।

এইখিনিতে কাম্পুচিয়াৰ সংক্ৰান্তত সাংবাদিকে দিয়া কেইটামান মন্তব্য উল্লেখ কৰিলো : Even western jounalists with an acute sense of scepticism who have toured Cambodia concede that the people are by no means malnourished. They have enough rice and fish to eat. In Vietnam, on the other hand, the privations are severe. Indeed, droughts and floods and the incompetence of cadres, specially in the south, have obliged some people to live on roots.........

......At what human cost has this been accomplished? According to western intelligence reports, Cambodia is a 'horror' story, a vast concentration camp of forced labour. But since, most observers are functioning in an area of darkness, it would be discreet to be cautious about these



OLD ISCD

remarks. They have certainly helped distract attention from American's guilt for its diabolical bombing of Cambodia.

......George Hildebrand and Gareth Ponter, in their book 'Cambodia starvation and Revolution' comment : U. S. govt. and news media commentary have contrived to avoid the subject of the death and devastation caused by U. S. intervention in Cambodia. They have gone to great lengths to paint a picture of a country ruled by irrational revolutionaries. In shifting the issue from U. S. crimes in Cambodia to the alleged crimes of the Cambodian revolutionary government the U. S. has offered its own version of the end of the Cambodian war and the beginning of the new government. ( Denzil Peiris)

ছোভিয়েট আৰু ছোভিয়েটৰ ভক্তবৃন্দ ( ভাৰতৰ ভক্তবৃন্দৰ হাততালি লৈ মনত পেলাওক ) আৰু প্ৰতিক্ৰিয়াশীল নন্দী-ভৃঙ্গীসবৰ যুক্তিবোৰো উক্ত মন্তব্যৰ আলোকত চাব নোৱাৰিনে ? নিৰাপত্তা পৰিষদত কামপুচিয়াৰ পৰা বিদেশী সৈন্য অপসাৰণ কৰিবৰ বাবে দাবী জনাই গোষ্ঠী নিৰপেক্ষ দেশ কেইখনে তোলা প্ৰস্তাবত 'ভেটো' প্ৰয়োগ কৰি ছোভিয়েটে ৰাষ্ট্ৰসংঘৰ নৰম ব্যবস্থাও যে ব্যৰ্থ কৰিব সেই কথাত আচাৰত হবলগীয়া একো নাই। কিন্তু সেয়ে হলেও ছোভিয়েটৰ আধিপত্যকামী আৰু তাবেদাৰ চৰকাৰৰ দ্বাৰা পুতলা চৰকাৰ গঠন কৰোৱাৰ ভয়াবহ ৰাজনীতিক পুনৰবাৰ বিশ্বই হাড়ে হাড়ে চিনি পালে। এছিয়াৰ বিভিন্ন দেশত ছোভিয়েট ভিয়েটনামে সৃষ্টি কৰা আশংকা আৰু সেই অনুসাৰে প্ৰবল ঘৃণাক জঘন্যতম শত্ৰুটোক চিনি লোৱাৰ আৰু তাৰ বিৰুদ্ধে প্ৰতিৰোধ গঢ়ি তোলাৰ প্ৰস্তুতি বুলি কোৱাৰ থল নথকা নহয়।

সাম্ৰাজ্যবাদ বিৰোধী সংগ্ৰামৰ দীঘলীয়া ঐতিহ্য থকা আৰু সেই ঐতিহ্য ৰক্ষা কৰি অহা বিশেষভাবে কাম্পুচিয়া আৰু সামগ্ৰিকভাবে ইন্দোচীনৰ জনগণে ইয়াৰ মোকাবিলা কৰিব---সেই আস্থা আছে। ইতিমধ্যে কাম্পুচিয়াৰ জনগণে বিদেশী আক্ৰমণকাৰীৰ বিৰুদ্ধে আগবঢ়োৱা প্ৰতিৰোধ আৰু স্বাধীনতা ৰক্ষাৰ সংগ্ৰামলৈ সমৰ্থন আগবঢ়োৱাটো বিশ্বৰ স্বাধীনতা আৰু গণতন্ত্ৰপ্ৰিয় জনগণৰ জৰুৰী কৰ্তব্য। ++

---

( ১৮ পৃষ্ঠাৰ পাচৰ পৰা )

তাক নবজীৱন দান কৰিব পৰা যাব। আৰু এই ধৰণৰ নতুন মতাদৰ্শইহে অসমৰ জনগণৰ প্ৰগতিৰ হেঙাৰসমূহ গুচাব পাৰিব। বিশুদ্ধ জাতীয়তাবাদৰ দ্বাৰা জাতীয় উন্নতি আৰু সম্ভব নহয়। কিন্তু মুক্তিৰ সাধনস্বৰূপ মতাদৰ্শ প্ৰচাৰৰ বাবে সাংস্কৃতিক সংগঠন কিমান আগবাঢ়িছে ?

সাহিত্য সভাৰ সকলো সদস্য অভিজাত বুদ্ধিজীৱী তথা ক্ষমতাৰ ৰাজনীতিৰ খেলুৱৈ নহয়। এওঁলোকৰ বহুতে স্বজাতীয় ভাষা সাহিত্যৰ প্ৰতি অকৃত্ৰিম ভালপোৱা পোষণ কৰে। এওঁলোকৰ প্ৰতি অবজ্ঞাৰ পৰাও কাম নহব। বৰং তৰুণসকলে চিন্তা কৰা উচিত এওঁলোকৰ মাজত নতুন মতাদৰ্শৰ প্ৰভাব কেনেকৈ বিয়পাই দিব পাৰি ? +




# অসমীয়া সাহিত্যৰ ভঁৰাললৈ আমাৰ নৈবেদ্য

| | | | |
|---|---|---|---|
| একাবেঁকা বৃত্ত ।। | চৈয়দ আব্দুল মালিক | (উপন্যাস) | ৬'০০ |
| সুৰুযমুখীৰ স্বপ্ন । | ,, | ,, | ১২'০০ |
| ন হন্যতে ।। | মৈত্ৰেয়ী দেৱী | ,, | ১৫'০০ |
| (অসমীয়া অনুবাদ) | অনুবাদঃ মনু সেন | | |
| নৰেশ,মালতী আৰু ।। | যোগেশ দাস | ,, | ৬'০০ |
| যুদ্ধ-পৰ্বৰ আখৰা আৰু | | | |
| পিতৃ বিয়োগ ।। | অৰুণ গোস্বামী | ,, | ৫'০০ |
| সুৰাগমণি ।। | প্ৰফুল্ল বৰা | ,, | ৪'৫০ |
| মিঠা জেংৰাই ।। | উপেন কাকতি | ,, | ৫'০০ |
| ৰাজধানী এক্সপ্ৰেছ ।। | অমিতাভ শইকীয়া | (ডিটেকটিভ) | ৪'০০ |
| বীভৎস বেদনা ।। | চৈয়দ আব্দুল মালিক | (গল্প সংকলন) | ৬'০০ |
| অন্ধকূপ | ,, | | ৬'০০ |
| ৰহযজ্ঞ ।। | সত্যেন বৰকটকী | (ৰম্য গল্প সংকলন) | ৮'০০ |
| পথ হেৰোৱাৰ পথ ॥ | নিত্যানন্দ তামুলী | (গল্প সংকলন) | ৪'৫০ |
| সোঁত সলনি হৈছে ॥ | প্ৰফুল্ল বৰা | ,, | ৪'৫০ |
| জীৱন স্মৰণ । | নন্দ তালুকদাৰ | (জীৱন চৰিত) | ৫'৫০ |
| অচিনাকি চীন ।। | মৈত্ৰেয়ী দেৱী | (ভ্ৰমণ কাহিনী) | ২'০০ |
| | অনুবাদ মনু সেন | | |

## আমাৰ বঙলা কিতাপ

| | | | |
|---|---|---|---|
| শৃংখল ।। | ভবেন্দ্ৰনাথ শইকীয়া | (গল্প সংকলন) | ৯'০০ |
| | অনুবাদ মনু সেন | | |

# ভৱানী পাবলিচিং কনচাৰ্ণ

১/এইচ, ৰাধানাথ মল্লিক লেন ※ কলিকতা ৭০০ ০১২

## ॥ গুৱাহাটী বুক ষ্টলৰ নিবেদন ॥

| | |
|---|---|
| সাহিত্য আৰু চেতনা (প্ৰবন্ধ) ডঃ হীৰেন গোহাঁই | ১৫.০০ |
| বিষ্ণু ৰাভা এতিয়া কিমান ৰাতি (জীৱনী) তিলক দাস— | ১২.০০ |
| অশান্ত প্ৰহৰ (উপন্যাস) কাঞ্চন বৰুৱা | ১০.০০ |
| বৰদোৱা-গুৰুচৰিত (প্ৰবন্ধ) ডঃ মহেশ্বৰ নেওগ | ১২.০০ |
| বণুকাবেহাৰ (উপন্যাস) মেদিনী চৌধুৰী | ১০.০০ |
| হস্তৰেখা আৰু জ্যোতিষ-বিজ্ঞান (বিজ্ঞানসন্মত) ভুৱন নাথ | ২০.০০ |
| অসীমত যাৰ হেৰাল সীমা (উপন্যাস) কাঞ্চন বৰুৱা | ১৫.০০ |
| মন আৰু মন (সাহিত্য আলোচনা) ৰাম গোস্বামী | ৮.০০ |
| হিমানী হিল্লোল (উপন্যাস) কুমাৰ কিশোৰ | ৮.০০ |
| জতুগৃহ (উপন্যাস) ৰুনু বৰুৱা | ৮.০০ |
| মেডিকেল কলেজ (উপন্যাস) প্ৰণব কুমাৰ শৰ্মা | ৮.০০ |
| গধূলি লগ্ন (উপন্যাস) ঘন হাজৰিকা | ৮.০০ |
| উপমা কালিদাসস্য (প্ৰবন্ধ) মুকুন্দমাধৱ শৰ্মা | ৭.০০ |
| সাহিত্য সংস্কৃতিৰ প্ৰবাহ (প্ৰবন্ধ) যজ্ঞেশ্বৰ শৰ্মা | ৭.০০ |
| অহৰী আত্মাৰ কাহিনী (উপন্যাস) চৈয়দ আব্দুল মালিক | ৬.৫০ |
| মঞ্চকলা (মঞ্চ আৰু অভিনয় সম্পৰ্কে) কুমাৰ কিশোৰ | ৬.০০ |
| সৃজন আৰু মনন (প্ৰবন্ধ) ইমদাদ উল্লাহ | ৬.০০ |
| বহাগতে পাতি যাওঁ বিয়া (ৰম্য ৰচনা) ভদ্ৰ বৰা | ৬.০০ |
| মণি-কাঞ্চন (উপন্যাস) সন্তোষ কুমাৰ শৰ্মা | ৬.০০ |
| মাটিৰ মানুহ (উপন্যাস) দেৱী দাস নেওগ | ৬.০০ |
| ৰাজপথৰ নায়ক (উপন্যাস) কামাখ্যা সন্যাপণ্ডিত | ৬.০০ |
| শিশুৰ প্ৰতিপালন (বিজ্ঞানসন্মত) চন্দ্ৰপ্ৰভা দেৱী | ৬.০০ |

**লগতে**

বিবাহ আৰু জীৱন ৫.০০॥ ৰোমন্থন ৫.০০॥ অভিনেত্ৰী ৫.০০। বলম—৫.০০॥ অঙ্কুৰ—৫.০০॥ সম্পূৰ্ণ ডাকৰ বচন ৫.০০॥ ছিপ্ৰিয়ো কৰ্ম বন্ধন ৫.০০॥ উ খুন জংগা—৫.০০॥ মুছাফিৰখানা—৫.০০॥ শিল জুৰিৰ সাকোঁ—৫.০০॥ অচিন নায়ক—৪.০০॥ গ্ৰহণান্ত—৪.০০ প্ৰিয়ঙ্গু—৪.০০॥ উত্তাপ—৪.০০॥ দেৱী ইন্দ্ৰানী—৪.০০॥ জৰাসন্ধৰ নৃত্য ৪.০০॥ শেষ ক'ত?—৩.৫০॥ ৰঙা জিয়া—৩.০০॥ মণ্টু সংবাদ—৩.০০॥ কুঁৱলী—৩.০০॥ সোণালী চুলি—৩.০০॥ ফুলি থকা সূৰ্য্যমুখী ফুলটোৰ ফালে—২.৫০॥ ৰামধেনু কাৰ ধেনু?—২.০০॥ পলৰীয়া-প্ৰতিধ্বনি—৪.০০ ইত্যাদি।

**গুৱাহাটী বুক ষ্টল**

শিলপুখুৰী, গুৱাহাটী—৭৮১০০৩


# প্ৰবন্ধ

## দায়িত্বপূৰ্ণ বিতৰ্ক সম্পৰ্কে

অতুল গোস্বামী

সমাজৰ কিছুমান লোকক কোনো কোনোৱে পোনছাটেই ব্যাধিগ্ৰস্থ বোলা শুনি আমি ৰৰ বিব্ৰুধিত পৰিছো। কাৰণ, সমাজত এখেতসকলৰ স্বকীয়া স্থান আছে আৰু আজি এই স্থান ইমান স্বাভাৱিক হৈ পৰিছে যে এখেতসকলক ব্যতিক্ৰম বুলিবও নোৱাৰি। এখেতসকলৰ সৰহভাগৰে বয়স এতিয়া কুৰিৰ পৰা পয়ত্ৰিশৰ ভিতৰত। এইছোৱাই জীৱনৰ আটাইতকৈ মূল্যবান সময়। সমাজৰ মূল্যায়নত যিয়েই নহওক লাগে প্ৰত্যেকে এইছোৱাকে আটাইতকৈ বেছি মূল্য দিয়ে। দেখাত হাড়-ছালৰ বাহিৰে একো নথকা শৰীৰতো এই বয়সত অসীম শক্তি আৰু বিপুল সম্ভাবনা লুকাই থাকে।

এখেতসকল আজি এক ব্যাপক সামাজিক ষড়যন্ত্ৰৰ বিষয়ে সজাগ। এই ষড়যন্ত্ৰৰ ফলত এখেতসকলৰ যি দুৰবস্থা হৈছে সি সমাজৰ যৌবনৰ দুৰবস্থা। জীয়াই থাকিবলৈ প্ৰয়োজনীয় উৎপাদন আৰু উৎপাদন বৃদ্ধি সুচল কৰিবলৈ লগা বৈজ্ঞানিক পৰীক্ষা -নিৰীক্ষাৰ সুব্যৱস্থা নথকা সমাজত এখেতসকলে ৰত্নমূল্য হোৱাৰ শিক্ষা পালে। আশ্বাস পাইছিল যে এই শিক্ষাৰে জীৱন-ধাৰণতো সম্ভৱ হ'বই, সমাজো সমৃদ্ধিৰ পথত আগবাঢ়িব। কিন্তু পিছত দেখা গ'ল যে ই অসম্ভৱ আৰু সেই আশ্বাসটো এটা ভুৱা। এখেতসকলে ঠগ খালে। আজি এখেত-সকলৰ সংখ্যা বাঢ়ি গৈছে। অথচ সমাজে যেন আজি কাকো নেদেখেই; দেখিলেও সন্ত্ৰাসৰ বৰটোপ যেনহে দেখে। চক্ৰকাৰে পাৰিলে ক'ৰবাত শুকান জেগাত, গোঁজ মাৰি থ'ব খোজে—যাতে জীয়াই থাকিবলৈ ৰস চুহি থাকোতে সন্ত্ৰাসী স্বভাৱ দমি যায়। কিন্তু এখেতসকলক এনেকৈ বান্ধি ৰাখিব নোৱাৰি। এখেতসকলৰ অসীম শক্তি। ঠায়ে-অঠায়ে খুন্দিয়াই ফুৰোতে এখেতসকলে শুই থকাৰ হিস্বা হেৰুৱাই পেলালে। এতিয়া, কেৱল মাত্ৰ এটা ষড়যন্ত্ৰ কিয়, আন বহুত বিষয়েও সজাগ হ'ল।

এখেতসকল কোন? প্ৰচলিত ধাৰণামতে এখেতসকলৰ কিছুমানক নিবনুৱা বোলে। বাকীসকল বনুৱাৰ ছদ্মবেশত থকা নিবনুৱা; অৰ্থাৎ, উৎপাদনমুখী কামত প্ৰত্যক্ষে বা পৰোক্ষে নিজৰ শ্ৰম আৰু বুদ্ধি নিয়োগ কৰিবলৈ নাপাই, যন্ত্ৰণাত ভোগা লোক। সকলোৱেই শিক্ষিত। জীৱিকা নাথাকিলেও বেছিভাগৰে বাচি থকাৰ প্ৰবল প্ৰয়াস আছে। সমাজে নিৰাশ কৰিলেও এখেতসকলৰ অফুৰন্ত আশা আছে। টকা নাথাকিলেও ক'বলগীয়া কথাৰ শেষ নাই। অবিৰাম সন্ধান কৰি, বাস্তৱৰ অনেক তথ্য এখেতসকলে গোটাইছে। সেইবোৰেই আকৌ



OKDISCD

চকুৰ টোপনি কাঢ়ি নিছে। আমিও এখেতসকলৰ প্ৰতিবেশী। এই অৰ্থত আমি এখেতসকলৰ লগত একগোট হৈ আছো।

এখেতসকলে বৰ চিন্তা কৰে। জীৱনৰ উদীয়মান সাঁচটো খামুচি-পিটিকি চোৱাৰ সহজ উপায় হ'ল কথা পতা আৰু তৰ্ক কৰা। ইয়াকে কৰি থাকোতে যুক্তিবিদ্যাতো এখেতসকলে পটু হৈ উঠিছে। কথা কোৱা, লিখা বা উভয়তে এখেতসকল বৰ পাকৈত। অথচ এই জাগ্ৰত শক্তিৰ গতি কোন দিশে তাৰ একো উমান পোৱা নাযায়। কাৰণ. এখেতসকলৰ বহুতৰে দৃষ্টিভংগী অস্পষ্ট; স্পষ্ট হোৱা সকলৰো মিল নাই। তথাপি, এখেতসকলৰ লগত আমি একেটা গোটত আছো। আমি সকলো প্ৰতিবেশী। সেয়ে আমি প্ৰয়োজন সাপেক্ষে মাত মতাৰ অধিকাৰ পাইছো।

যুক্তি আৰু তৰ্কৰ বিষয়ে পণ্ডিতে কোৱা কথা কিতাপত পাওঁ। কিন্তু আমাৰ নিজৰ অভিজ্ঞতাৰ পৰা কি পাইছো? ইয়াৰ সম্যক হিচাপ নহ'লে এই জাগ্ৰত শক্তিৰ গতিপথ নিৰ্ণয় কৰিব নোৱাৰো।

থূলমূলকৈ, আমাৰ সাধাৰণ অভিজ্ঞতা এই যে নিৰ্ধাৰিত তথ্যৰ ওপৰত গঢ়া, আপেক্ষিকভাৱে শুদ্ধ বা অশুদ্ধ ধাৰণাবোৰক তদ্ৰূপে জীয়াই ৰাখিবলৈ, কেতিয়াবা কেতিয়াবা তৰ্কজাল গোঁঠা হয়। ইয়াকে কৰোঁতে যুক্তিবিদ্যা (logic)ৰ ব্যৱহাৰ কৰা হয়। নতুন তথ্যৰ নিৰ্বাচনত আদিৰে পৰাই ব্যক্তিগত বা ৰক্ষণাত্মক পক্ষপাতিত্ব থাকে। দেখি-শুনি এনে ভাব হয় যেন সেইবোৰ পূৰ্বধাৰণাই স্বতঃসিদ্ধ তাত যেন সাৰ-পানী দিলেই হ'ব, বস্তুৰ যেন গতিও নাই, বিকাশো নাই আৰু ঘটনা—কাণ্ডবোৰো চিৰাচৰিতহে। এইমতে চৰ্চা কৰা যুক্তিবিদ্যা সদায় সুফলদায়ক নহয়। দ্বন্দ্বমূলক পদ্ধতিৰ অনুবৰ্তী নহ'লে ই তেনেই মিছা। অতি জংগী মানুহৰ হাততো ই ভোটা অস্ত্ৰ।

দ্বন্দ্বমূলক পদ্ধতিৰে দ্বান্দ্বিক সম্পৰ্কৰ সাৰ সংগ্ৰহ কৰোঁতে যুক্তিবিদ্যাৰ ব্যৱহাৰ অনিবাৰ্য। কিন্তু স্বতঃসিদ্ধ বুলি ধৰি লোৱা ধাৰণা বা প্ৰবচনৰ সপেক্ষে বা বিপক্ষে গতানুগতিকভাৱে ইয়াক ব্যৱহাৰ কৰিলে (অৰ্থাৎ ওপৰত কোৱাৰ দৰে কৰিলে) ইয়াৰ ফল বেয়া হ'বলৈ বাধ্য। চূড়ান্ত বিচাৰত দেখা যায় যে দ্বান্দ্বিক পদ্ধতিৰ অনুবৰ্তী নহ'লে এনে যুক্তিক জীৱনে বৰ্জন বা নাকচ কৰে। আনহাতে, ই দ্বন্দ্বমূলক পদ্ধতিৰো এক অবিচ্ছেদ্য উপাদান। তেনেহ'লে, দ্বন্দ্বমূলক পদ্ধতিৰ অনুবৰ্তী নহ'লে যুক্তিক কিয় জীৱন দ্বন্দ্বৰে প্ৰকাশ। জীৱনৰ সামগ্ৰিক ৰূপটো মনস্থ কৰাৰ একমাত্ৰ পদ্ধতিটোও দ্বন্দ্বমূলক। ওপৰতে থাকি যুক্তিবিদ্যাই সেই কামত সহায় কৰিব নোৱাৰে। মানুহে সাধাৰণতে এই কথা পাহৰি অযথাই যুক্তিবিদ্যা থটুৱাই আৰু অনৰ্থক জংগী হৈ উঠে। এনেলোকৰ কিছুমানক যদিও মানুহে বস্তুবাদী বুলি অভিহিত কৰে, তথাপি বাস্তৱ ঘটনা-পৰিক্ৰমাৰ পৰা নিলগত ৰৈ, দ্বন্দ্ব নিৰীক্ষণ নকৰাকৈয়ে এখেতসকলে ওপৰতে কোৱা কথাবোৰত প্ৰত্যয় যাব নোৱাৰি। জীৱনৰ সামগ্ৰিক ৰূপ মনস্থ কৰিবলৈ যি শক্তি লাগে তাৰ অভাৱত এনে লোকৰ জংগী ধাতুও দুৰ্বল আৰু ক্ষণস্থায়ী। সংগ্ৰামত তিষ্ঠিব



নোৱাৰি, তথাকথিত আত্মবল বা উচ্ছ্বাসৰ শেষত এখেতসকল ভাঙি পৰে। যুক্তি বিদ্যাৰ এনে ব্যৱহাৰৰ বিৰুদ্ধে আমি সতৰ্ক হ'ব লাগিব।

আমি জানো যে দৈনন্দিন জীৱনত ব্যক্তিগত বা ঘৰুৱা স্বাৰ্থ পূৰণ কৰিবলৈ মানুহে সচৰাচৰতে কেৱল মাত্ৰ যুক্তিবিদ্যাৰ আশ্ৰয় নলয়। বৰং প্ৰয়োজনৰ তাগিদত, তৃপ্তি-আনন্দৰ সন্ধানত, যাৱতীয় কাম কৰোঁতে সেয়ে যিমান পাৰে বাস্তৱ সম্পৰ্কৰ আউল ভাঙে। এই দোকোলটকা সমাজতো, জীৱনৰ লংগৰ পেলাবলৈ ঠাই অকণমান পালেই, মানুহৰ বাস্তৱ-বুদ্ধিয়ে বিস্ময়কৰ ৰূপত আত্ম-প্ৰকাশ কৰে। ক্ৰমে, নিজ নিজ ক্ষেত্ৰত দখলো বঢ়াই নিয়ে। ব্যক্তিগত দক্ষতাৰ কম-বেচ অনুযায়ী (শ্ৰেণীভিত্তিক সমাজত এনে কম-বেচ থাকিবই) এই ক্ষেত্ৰ ঠেক বা বহল হ'ব পাৰে। কিন্তু সকলোৱেই বাস্তৱবুদ্ধি প্ৰয়োগ কৰে। যুক্তি-বিদ্যাত কাল হাৰিবলৈ কাৰো সময় নাই। আনহাতে, ব্যক্তিগত বা ঘৰুৱা ক্ষেত্ৰৰ "বাহিৰত" সামাজিক ক্ষেত্ৰ এখন মনেৰে সাজি লোৱা মানুহে কি কৰে? সামাজিক সম্পৰ্কবোৰ তেখেতসকলে জীৱনৰ উৰ্ধত থকা বিমূৰ্ত সম্পৰ্ক হিচাপে লয়। এইখিনিতে কেনা।

আজিৰ দোকোলটকা সমাজত জীৱনৰ লংগৰ পেলাবলৈ ঠাই নোপোৱা নতুন চামৰ বহুতে সামাজিক ক্ষেত্ৰখন "বাহিৰত" দেখা নাই যদিও, এনে বিমূৰ্ত সম্পৰ্কৰ আউল ভাঙি কাল হাৰিছে। এইদৰে ভাববাদী ঐতিহ্যৰ সোঁতত উটিছে। লগতে উজান দি আছে সেইসকলে যি ঘৰুৱা আৰু ব্যক্তিগত কথাবোৰ চিজিল কৰিবলৈ কৰা অনিবাৰ্য যত্নৰ লগতে যুক্তিবিদ্যাৰ নকৰিবলগীয়া চৰ্চাৰ বিলাস কৰে সামাজিক ক্ষেত্ৰত। এওঁলোকে বৌদ্ধিক যশস্যা বিচাৰে। সামাজিক সম্পৰ্কবোৰৰ আউল ভাঙি, তাৰ ভিতৰলৈ সোমাই গৈ জীৱনৰ সাম্প্ৰতিক ৰূপ মনস্থ কৰাৰ প্ৰয়াস-প্ৰচেষ্টা নাথাকিলেই মানুহে এনে কাণ্ড কৰি ফুৰে। প্ৰয়াস-প্ৰচেষ্টা নোহোৱাৰ কাৰণ কেৱল সমাজবিমুখিতাই নহয়, বিমূঢ়তাও হ'ব পাৰে। পিছৰটো কাৰণহে বেছি সক্ৰিয় যেন অনুমান হয়।

কিছুমান ধাৰণাক স্বতঃসিদ্ধ বুলি মানি লৈ, বাস্তৱ পৰিস্থিতিৰ পৰা নিলগত থাকি, নিৰ্বাচিত তথ্যৰে স্বতঃসিদ্ধ বোৰক সাৰ-পানী দি ৰাখিবলৈকে, যুক্তিৰ ব্যাপক জাল মেলি দিয়াৰ দুৰন্ত উচ্ছ্বাস আজি দেখিছো। পূৰ্বলব্ধ সিদ্ধান্তক পৰীক্ষা কৰাৰ সাহস নাথাকিলে, তাৰ বিৰুদ্ধে সম্ভাব্য যুক্তি থাকা নকৰি, এনেকৈয়ে প্ৰতাৰণা-আত্মপ্ৰতাৰণাৰ জাল মেলি দিয়া যায়। এতিয়া আমাৰ সমাজত এইবোৰ ঘটিবলৈ ধৰিছে। এই পৰিস্থিতিটো আমি কিদৰে ল'ম? এইটোৱেই মূল প্ৰশ্ন।

কেৱল অবাস্তৱ যুক্তিৰ আউল ভাঙি আত্মসন্তুষ্টি লাভ কৰা যিদৰে ভুল; আনৰ যুক্তিক পৰীক্ষা নকৰাকৈ আওকাণ কৰি থকা সেইদৰেই ভুল। সুবিধা অনুসৰি ব্যক্তিগত—পাৰিবাৰিক পৰ্যায়ত যেনেতেনেকৈ চলি থাকি, সামাজিক ক্ষেত্ৰত অযথাই যুক্তিৰ কছৰৎ কৰি; সমাজত বিভ্ৰান্তি সৃষ্টি কৰাও ভুল। যুক্তিবিদ্যাৰ পাৰ-দৰ্শিতাৰে আনৰ ওপৰত মইমতালি চলাই থকাটো ভয়ংকৰ সমাজদ্ৰোহিতা।

কেতিয়া, কোনে, কি মতলবত যুক্তিবিদ্যা প্ৰয়োগ কৰে ধৰা টান । সেয়ে আজি
আমাৰ সতৰ্ক হোৱাৰ প্ৰয়োজন খুব বেছি । এই সতৰ্কতা সুবিধাবাদৰ বিপক্ষে ।
দ্বন্দ্বমূলক পদ্ধতিৰে দ্বান্দ্বিক সম্পৰ্কৰ সাৰ সংগ্ৰহ কৰিব পাৰি । সমাজৰ
ৰূপান্তৰ বিচৰা লোকে ইয়াৰ সহায়েৰে সামাজিক জীৱনৰ প্ৰয়োজনত কাৰ্যকৰী
সিদ্ধান্ত লয় আৰু ভুল সিদ্ধান্ত বৰ্জন কৰে । সামাজিক প্ৰয়োজনে সকলোৰে
মূল্য নিৰূপণ কৰে । যিটো সামাজিক প্ৰক্ৰিয়াত সচেতনভাবে অংশ লওঁতে
প্ৰয়োজনৰ উপলব্ধি হয় তাৰ নাম সংগ্ৰাম । ইয়াত অংশ লোৱা মানেই পক্ষ
লোৱা । কিন্তু কোন পক্ষ ?

নতুন চামৰ জাগ্ৰত লোকসকলে যি ষড়যন্ত্ৰ গম পোৱাৰ কথা ওপৰত
কোৱা হৈছিল, সি চলিছে দেশৰ ব্যাপক জনগণৰ বিপক্ষে । আজি জনসাধাৰণৰ
দুখে কুলাই-পাচিয়ে নধৰা হৈছে । এই কথা জনাৰ পিছত, ব্যক্তিগত তথা
ৰক্ষণাত্মক পক্ষপাতিত্বৰ পৰিবৰ্তে ৰূপান্তৰমুখী সামাজিক সংগ্ৰামত শুদ্ধ পক্ষ
লোৱাৰ সিদ্ধান্ত অনিবাৰ্য । প্ৰশ্ন হয়, এতিয়া উক্ত জাগ্ৰত শক্তি কিদৰে সংগঠিত
হ'ব, ই কেনেকৈ বিতৰ্ক চলাব আৰু কোন পথে গতি কৰিব ? সমাজমুখী
চিন্তাত লিপ্ত বুদ্ধিজীৱিমাত্ৰৰে সমুখত এইটো আটাইতকৈ গুৰুত্বপূৰ্ণ প্ৰশ্ন ।

সকলোৱে ঐক্যবদ্ধ হৈ বিচাৰিলেহে এনে প্ৰশ্নৰ উত্তৰ মিলে । এই কথা
জনসকলৰ মাজত আজি উৎকণ্ঠাৰ শেষ নাই । অথচ, উত্তৰ বিচৰাৰ প্ৰক্ৰিয়াটো
চলাও দেখা নাই । বিমূঢ়তাই যদি এই অচলাবস্থাৰ কাৰণ, তেনেহ'লে তাক
দূৰ কৰাৰ কামো অতি জৰুৰী হৈ পৰিছে । সেইবাবেই বুদ্ধিজীৱীৰ সংগ্ৰামী
ঐক্য লাগে আৰু এই ঐক্যৰ স্বাৰ্থতে লাগে গণসেৱামুখী বিতৰ্ক । এনে বিতৰ্কই
সৃষ্টিশীল । কাৰণ, ইয়াৰ মাজেদিহে পথৰ সন্ধান পোৱা যাব । সঠিক ব্যাখ্যা
নিষ্প্ৰয়োজন । এটা ঘটনা মন দি চালেই কথা মুকলি হ'ব ।

কাগজে-পত্ৰই বৰ্তমান চলি থকা ৰাজনৈতিক বিতৰ্কৰ কথাই এবাৰ চাওঁ ।
যি কোনো সমাজৰ শাসকশ্ৰেণীৰ চিন্তাই সেই সমাজৰ জনসাধাৰণৰ চিন্তাক নিয়ন্ত্ৰণ
কৰে । শাসন-ব্যৱস্থাৰ বিভিন্ন অংশত থকা মানুহে শাসকৰ চিন্তা-ধাৰণাবোৰ
শাসিতৰ মনত সুমাই দিয়ে । আনুষ্ঠানিকভাবে যাৱতীয় কামকাজ, আইন, প্ৰথা
আদি চলাওঁতে কৰ্তব্যপৰায়ণ, আইনমনা প্ৰথানুৰাগী মানুহে নিজৰ অজ্ঞাতেই
এইবোৰ চিন্তা-ধাৰণা গ্ৰহণ কৰি লয় । এইদৰে গ্ৰহণ কৰা চিন্তা-ধাৰণাবোৰ
জণসাধাৰণৰ স্বাৰ্থত নাহিলেও বা আনকি তাৰ বিৰুদ্ধে গ'লেও, সংগঠিত নহয়
বাবেই তেওঁলোকে আপত্তি বা প্ৰতিবাদ কৰিব নোৱাৰে । শাসকশ্ৰেণীয়ে দিয়া
সীমিত নিৰাপত্তা পাবলৈকে এইবোৰ মানি ল'ব লাগে । গতিকে শাসনৰ
স্বাৰ্থত গঢ়া এই ধ্যান-ধাৰণাবোৰ শাসনমনা মানুহে নিজৰ কৰি লৈ নিৰাপদে
থাকে । এইবোৰ গণস্বাৰ্থবিৰোধী তাৎপৰ্য সম্পৰ্কে সচেতন হ'লেহে জনসাধাৰণে
এইবোৰৰ বিৰোধিতা কৰিব । নহ'লে নকৰে । ৰাজনৈতিক বিতৰ্ক বা আলো-
চনাৰ মাজেদি জনসাধাৰণক সচেতন কৰিব পাৰি । এইবোৰৰ সাফল্য নিৰ্ভৰ
কৰে চেতনা-সঞ্চাৰী, প্ৰেৰণা-সঞ্চাৰী গুণৰ ওপৰত । আজি বাঙালী বুৰ্জোৱাৰ



স্বাৰ্থত সম্প্ৰসাৰণবাদী নীতিৰ সপক্ষে যিবোৰ ধাৰণা জীয়াই ৰখা হৈছে সেইবোৰৰ
ৰথাকে উদাহৰণস্বৰূপে ল'ব পাৰি । সৰ্বসাধাৰণ বাঙালী লোকৰ কথা-বতৰা
আৰু চাল-চলনতো এইবোৰ দেখা পোৱা যায় । বাঙালী বুৰ্জোৱাৰ স্বাৰ্থত
বাঙালী জনসাধাৰণৰ মনত এইবোৰ ধাৰণা ক্ৰিয়াশীল কৰি ৰখা বুলি আমি
জানোহঁক । এতিয়া আমি বাঙালী বুৰ্জোৱা সম্প্ৰসাৰণবাদৰ বিৰোধিতা কৰিমনে
বাঙালীৰ বিৰোধিতা কৰিম ? বুৰ্জোৱাৰ বিৰুদ্ধে বাঙালী জনসাধাৰণক জগাই
তুলিম নে চব বাঙালীকে এফালৰ পৰা আক্ৰমণ কৰি যাম ? শ্ৰেণীসংগ্ৰামত
বিশ্বাসী মানুহে জনসাধাৰণক অসমীয়া, বাঙালী, বিহাৰী আদি ভাগত ভাগ কৰি
লৈ সংগ্ৰামী ঐক্যৰ সৃষ্টি নকৰে । বৰং, বুৰ্জোৱা শ্ৰেণীৰ ধাৰণাবোৰ
তাৰ আৰঁত থকা শ্ৰেণীস্বাৰ্থবোৰ আৰু তাৰ সপক্ষে চলোৱা ষড়যন্ত্ৰবোৰৰ
বিৰুদ্ধে জনসাধাৰণৰ লগত হাতহে মিলাব । বাঙালী-অবাঙালী সকলো শোষিত
লোকেই শ্ৰেণীহিচাপে একতা লাভ কৰি বুৰ্জোৱা জাতীয়তাবাদৰ তথা শোষণ-
দমনৰ বিৰুদ্ধে ঠিয় দিব পাৰিব । এই বিষয়ে সচেতন হ'লে কোনো কৰ্মীয়ে
বাঙালী বুৰ্জোৱাৰ শ্ৰেণী চৰিত্ৰকে বাঙালীৰ জাতীয় চৰিত্ৰ বুলি নকয় । বৰং,
সৰ্বহাৰা শ্ৰেণীচৰিত্ৰতহে গুৰুত্ব আৰোপ কৰিব । এই বুৰ্জোৱা শ্ৰেণীচৰিত্ৰক
বাঙালী জাতীয় চৰিত্ৰ বুলি দেখুৱাই সাম্প্ৰদায়িক বিদ্বেষ জগোৱাৰ প্ৰয়াস-প্ৰচেষ্টাৰ
মাজেদি অসমীয়া বুৰ্জোৱাৰ শ্ৰেণীচৰিত্ৰ স্পষ্ট হৈ ওলাই পৰিছে । অসমীয়া
বুৰ্জোৱাৰ ধাৰণাবোৰক জনসাধাৰণৰ মূৰত সুমুৱাই দি বুৰ্জোৱা জাতীয়তাবাদীয়ে
তেওঁলোকৰ নিজৰ স্বাৰ্থ সিদ্ধি কৰিব খুজিছে । এই কথা অস্বীকাৰ কৰি;
বাঙালী বিদ্বেষ পুষ্ট কৰিবলৈ বিতৰ্ক চলোৱা সকলে অসমীয়া জনসাধাৰণৰ কথা
অলপো ভৱা নাই । বাঙালী বুৰ্জোৱাৰ লগত অসমীয়া বুৰ্জোৱাৰ যুদ্ধখনত
জনসাধাৰণক ব্যৱহাৰ কৰিবহে খুজিছে । মনত ৰাখিব যে ক্ষুদ্ৰ হ'লেও ক্ষুদ্ৰ-
বুৰ্জোৱা বুৰ্জোৱাই । এওঁলোকো বুৰ্জোৱা চিন্তা-ধাৰাৰ ধাৰক আৰু বাহক ।
অসমীয়া বুৰ্জোৱাক দুৰ্বল বুলি পুতৌ কৰিলে নিজলৈহে গোঁজ পোটা হ'ব ।
কাৰণ, শেহত দেখিব যে সৰ্বহাৰাৰ বিপক্ষে সকলো বুৰ্জোৱাই গোট পাতিছে ।
সুদীৰ্ঘকাল চলি অহা দুৰাচাৰৰ বিৰোধিতা কৰাটো নিতান্তই জৰুৰী বুলি মানি
লোৱা লোকে এই দুয়োটা পক্ষৰ বুৰ্জোৱাৰে ষড়যন্ত্ৰৰ বিৰুদ্ধে চোকা নজৰ নাৰাখিলে
নহ'ব । আনহাতে, শ্ৰেণীসংগ্ৰামৰ স্বাৰ্থত, কেবল বাঙালী কিয়, সকলো বহিৰাগতৰে
অসমলৈ অবাধ প্ৰব্ৰজনৰ বাট মাৰিব লাগিব । ইয়ো নিতান্ত জৰুৰী । ইয়াৰ
মাজেদিহে থলুৱা লোকৰ দুখৰ বোজা পাতি লোৱাৰ আশ্বাস দি অৱস্থা উন্নত
কৰাৰ সংগ্ৰামলৈ সকলোকে মাতি আনিব পৰা যাব । জনসাধাৰণৰ লগত হাত
মিলাই শোষক-শাষকৰ বিৰুদ্ধে সংগ্ৰামত অংশগ্ৰহণ কৰিব খোজা সকলো
অসমীয়া জাতীয় স্বাৰ্থক কেতিয়াও অসমীয়া বুৰ্জোৱা স্বাৰ্থৰ সমাৰ্থক বুলি মানি
নলয় । বৰং, অসমতে থলুৱা হৈ থকা সকলো জাতি, বৰ্ণ, ভাষা জনগোষ্ঠী
আদিৰ সম্প্ৰদায়সমূহক ঐক্যবদ্ধ কৰি জাতীয় স্বাৰ্থ ৰক্ষা আৰু জাতীয় সমৃদ্ধি
বৃদ্ধিৰ পৰিকল্পনা লৈ যুঁজিব । কামৰ আঁচনি কৰোতে কোনবোৰ কাম আগতে



OKDISCD

কৰিব তাকো নিৰ্ণয় কৰিব শ্ৰেণীস্বাৰ্থই। এনে কামৰ তালিকা বুৰ্জোৱা আৰু সৰ্বহাৰা সকলোৰে কাৰণে একেখন হ'ব নোৱাৰে। ৰাইজৰ সংগ্ৰামী সংগঠনে নিৰ্ণয় কৰা কাম আৰু কামৰ ক্ৰম বুৰ্জোৱা জাতীয়তাবাদীয়ে কৰা মতে একে নহয়। কাৰণ, দুয়োটাৰে শ্ৰেণীবিৰোধ স্পষ্ট। এই কথা মনত ৰাখিহে প্ৰকৃত জাতীয়তাবাদীয়ে শ্ল'গান দিব বা বিতৰ্ক চলাব। এনে বিতৰ্কই দায়িত্বপূৰ্ণ। ইয়াত পক্ষপাতিত্বও স্পষ্ট। যি কোনো আলোচনা পঢ়ি বা শুনি তাক কেনেকৈ লোৱা হ'ব সিয়ো বিচাৰ্য। আলোচকে যদি নিৰ্লিপ্ত হৈহে বিচাৰ কৰে তেনেহ'লে তেওঁৰ আলোচনাক তীক্ষ্ণভাৱে পৰীক্ষা কৰি, তাৰ সত্যাসত্য বিচাৰ কৰি, প্ৰয়োজন অনুসৰি তেওঁৰ বক্তব্য গ্ৰহণ বা বৰ্জন কৰিব লাগিব। তেতিয়া, তেওঁনো কোন আৰু কি মতলবত কি কৈছে এনেবোৰ প্ৰশ্ন অবান্তৰ। তেওঁ এজন মানুহতকৈয়ো এজন 'আলোচক'হে। তেওঁৰ নিৰ্লিপ্ততাৰ দৰেই গ্ৰাহকেও নিৰ্লিপ্ততা দেখুৱাব। অৱশ্যে এইটো এটা অতি বিৰল চূড়ান্ত পৰিস্থিতি। ঘাইকৈ কাল্পনিক। সামাজিক জীৱ মানুহ এনেকৈ নিৰ্লিপ্ত হ'বই নোৱাৰে। গতিকে, কোন কিহত কিয় লিপ্ত তাক জানি লৈহে তেওঁৰ আলোচনা কেনেকৈ ল'ম তাক ঠাৱৰ কৰিব পাৰিম। আলোচকজনক এজন সামাজিক মানুহ হিচাপে গণ্য কৰি, তেওঁৰ আলোচনাৰ লগতে তেওঁকো বিচাৰ কৰি চাব লাগিব। তেওঁৰ সামাজিক ভূমিকা সম্পৰ্কে অন্ধ হৈ থাকিব নোৱাৰি। আমাৰ বাস্তৱ পৰিস্থিতিয়ে আমাক সদায় সতৰ্ক হ'বলৈ বাধ্য কৰে। এনে পৰিস্থিতি সদায় জটিল। সজীৱ আৰু বিপৰীতমুখী উপাদানৰ ক্ৰিয়াশীল ৰূপান্তৰৰ মাজেদি সাময়িকভাৱে চিহ্নিত হয়। সেয়ে সচেতন কৰ্মীয়ে কাম কৰি যাওঁতে আলোচনা-সমালোচনাৰ সচেতন গ্ৰাহকৰ ভূমিকাও লয়। সামাজিক লক্ষ্য আগত ৰাখি কৰা কামৰ আলোচনা সমাজৰ পৰাই আহে। সমাজৰ যি অংশই সেই কামৰ লক্ষ্য সমৰ্থন কৰিছে সেই অংশৰ সমালোচনা নুশুনিলেও ভুল কৰা হ'ব। কাৰণ, কৰ্মীৰ কামৰ সফলতা-বিফলতা নিৰ্ণয় কৰে জনসাধাৰণৰ সচেতন অংশই।

জনসাধাৰণৰ প্ৰয়োজন গম নাপালে কৰ্মীয়ে কাম কৰিব নোৱাৰে। কাৰণ, তেতিয়া কি কৰিব লাগে তাকে ঠাৱৰ কৰিব নোৱাৰে। কৰ্মীৰ সমৰ্থনত থকা অংশৰ সমালোচনাৰ মাজেদিহে কৰ্মীয়ে জনসাধাৰণৰ প্ৰয়োজনৰ উমান পায়। সেয়ে এনে লোকৰ সমালোচনা কাণ পাতি শুনিব লাগিব। নিৰ্লিপ্ত হৈ সমালোচনা শুনিবও নোৱাৰি। কৰ্মী আৰু সমালোচক দুয়ো একেখন সমাজৰে মানুহ আৰু একে কৰ্মধাৰাতে প্ৰত্যক্ষ বা পৰোক্ষভাৱে লিপ্ত। একে লক্ষ্যৰ অভিমুখে যোৱা মানুহবোৰে সচেতনভাৱে মানৱীয় সম্পৰ্কও ৰক্ষা কৰে। এই সম্পৰ্কৰ বিকাশৰ কাৰণেও চেষ্টা কৰে। সেয়ে এওঁলোকে পৰস্পৰৰ বিৰুদ্ধে পহৰাদাৰী কৰে। আৰু নিজ নিজ শ্ৰেণীগত দুৰ্গুণবোৰৰো পহৰাদাৰী কৰে। এই পহৰাদাৰী সৰ্বজনস্বীকৃত। সেয়ে সমালোচক আৰু কৰ্মীসকল আনৰ প্ৰতি যিমান কঠোৰ নিজৰ বিৰুদ্ধেও সিমানেই কঠোৰ হোৱাটো স্বাভাৱিক। এই কঠোৰ সতৰ্কতাৰেই এওঁলোক সহযোদ্ধা, সহযোগী বন্ধু। এনে মানুহৰ মাজৰ সম্পৰ্ক এখন বিমূৰ্ত



গল্প/

# 'শৰাইঘাটৰ হেংদান'

পূৰ্ণানন্দ চুতীয়া

ককাইদেউৰ নতুনকৈ জন্ম হোৱা ছোৱালীজনী পঁয়া লাগিল। কেইবাবিধৰো ঔষধপাতি দিয়ো ভাল হোৱা নাই। শেষত গাঁৱৰে কবিৰাজ কুলেন্দ্ৰই ক'লে বোলে ভীমকল পিতিকি তাক ছালনীৰে ছালি তাৰ লগতে ভেঁটফুল মিহলাই পিহি ছাগলী গাখীৰৰ লগত খুৱালে ছোৱালী ভাল হ'বই হ'ব। কিছুদিন নিয়মীয়াকৈ খুৱালে গেলা কঠিয়া ঠন ধৰাৰ দৰে যদি ছোৱালী লহ পহীয়া হৈ নাহে, তেনেহলে হেনো কুলেন্দ্ৰৰ কবিৰাজী গুণটোকে নাকচ কৰি দিব পৰা যাব।

সেয়ে বৌৰ কথামতে গলো শুকুৰবৰীয়া বজাৰলৈ ভীমকল বিচাৰি। লগতে বোলে কলিতা গাঁৱৰ হৰেশ্বৰ দত্তৰ ঘৰৰ পৰা শিশু তেলো অলপ আনিব লাগে। শিশু তেল মালিচ কৰিলেও বোলে পঁয়া লগা বেমাৰ ভাল হয়।

পিছে বজাৰ গৈ পাই দেখিলো, গোটেই উদং। আগৰ অভিজ্ঞতা মতে কল বাকলি, কলপাত চেলেকিবলৈ পোৱা কেইজনীমান স্বাধীন, স্বায়ত্বশাসিত গাই গৰু পিঙা-পিঙি দি ঘূৰি ফুৰিছে। বজাৰৰ এচুকত নিগাজীকৈ পতা ভলুকা ভৰালীৰ হোটেলতহে মাত্ৰ কেইজনমান মানুহ; বজাৰলৈ আহি সদায় গিলি যোৱা তৰল পানীয় কণ আজিনো কেনেকৈ এৰি যায়?

কিন্তু হ'লনো কি আজি? মাকৰ বুকুত ওলমি গাখীৰ খাই থকা কেঁচুৱাৰ পৰা লাখুটি লৈ অহা বুঢ়া বুঢ়ীৰে প্ৰতি শুকুৰবাৰত খদম্ দমাই থকা বজাৰখন উদং হল কিয়?

গম লৈ জানিলো, বজাৰলৈ অহা বঙালী কাপোৰ বেপাৰীমখা, তেল-মচলা-হালধী বেচা দেচুৱালী বেপাৰীমখা আৰু লগতে আথৈফুটীয়াৰ পৰা মৰাপাটৰ ৰছী, বাঁহৰ নগাঢাৰি আৰু অন্যান্য লাম লাকুট অনা চিলেটীয়া বঙালীমখা — এই আটাইবোৰকে বোলে স্কুল-কলেজৰ লৰা এমখা আহি খেদি দিলে। বজাৰখনৰ লাইখুটা সিহঁতবোৰ ভগাৰ পিছত ঔ-টেঙা, ঢেকীয়া, আদা, অকৰাধপাত বেচা

(৩০ নং পৃষ্ঠাৰ পিচৰ অংশ)

জগতৰ ভাৰৱীয়াৰ সম্পৰ্ক নহয়। আচলতে দায়িত্বপূৰ্ণ সামাজিক-ৰাজনৈতিক বিতৰ্ক এইবোৰ মানুহৰ মাজতহে চলে। ইয়াৰপৰা পৰস্পৰ উপকৃত হয়। একতাই এওঁলোকক সাহ আৰু বল দিয়ে। এওঁলোক লক্ষ্যত উপনীত হ'বলৈ আশাৰে আগবাঢ়ে। এওঁলোকৰ বিতৰ্কত নিৰ্লিপ্ততা নাই। এয়ে দায়িত্বপূৰ্ণ বিতৰ্ক। + +

OKDISCD

আমাৰ পালি খুটা গাঁৱৰ বেপাৰী মথাই সুদা মাৰলী ডালত ওলমি কি কৰে? গতিকে বেচিব পৰা খিনিয়ে ওচৰৰ পি-ডব্লিউ-ডি ই-এণ্ড-ডি'ৰ মহৰী-কেৰাণীবোৰক দুই এপদ দি বাকীখিনি পুনৰ কান্ধত লৈ ঘৰলৈ ঘূৰিল। চাইকেলত খালি মোনাটো ওলমাই ময়ো ঘূৰিলো। পিচে ঘৰলৈ নগৈ কলিতা গাঁৱলৈ পোনালোঁ, হৰেশ্বৰ দত্তৰ তাত আছে যদি শিশু তেলকে নিয়া যাওঁক।

দত্তৰ নঙলামুখ পাই চাইকেলৰ পৰা নামিছোহে, এনেতে কাণত সোমালহি দত্তৰ তৰ্জন-গৰ্জন; 'ঐ কলিজা খোৱা, কেলেই আহিছ ঘৰলৈ এতিয়া? বঙাল খেদি ধুবুৰীত থৈ নাহগৈ কেলেই? এতিয়া এগাল ভৰাবলৈ আহিছ পেটত? পিচে বজাৰখন যে ভাঙিলি এতিয়া কোন মাৰক মোৰ বস্তু কিটা বেচি তেল নিমখ কণকে আনো? যা চোন যা, সৌ জগ্‌লাল কেঞাৰ দোকানলৈ, নিমখ এসেৰমান ধাৰলৈ আনগৈ, তাৰ পুতেকটোও তহঁতৰ বঙাল-যুদ্ধৰ সেনাপতি নহয়! শালা কুকুৰ, চুৰা খোৱা! দিনৰ দিনটো তিনি আলি চাৰি আলিত গা ঘেলাই ফুৰিবি কাম এখন কৰিবলৈ দা-কোৰৰ নালত হাত নিদিয়! বৰ একেবাৰে নিবনুৱাটো ওলাইছে! গৰু! কেইহেজাৰ টকীয়া চাকৰি লাগে অ' তোক? কিমান 'এমে' 'বিয়ে' পাছ কৰিলি?

কিছু সময় তভক মাৰি শুনাৰ পিচত ভাবিলো, এনেকৈ ৰৈ থাকিলে দত্তৰ গৰ্জনো বন্ধ নহয় আৰু মোৰো কাম নহব। চোতাললৈ গৈ মাত লগালো।

মোক বহিবলৈ দি দত্তই কণ্ঠস্বৰৰ জোৰ অকনো নকমোৱাকৈ ক'বলৈ ধৰিলে; 'চোৱাচোন বোপাই, অমিতা, কোমোৱা এনেকে লাম লাকটু কেইটামান লৈ বহিছোঁহে এনেতে আহিল তোমাৰ ওখ ওখ জোতা পিন্ধা ল'ৰা এগাল। বেপাৰীবোৰেও নিজৰ নিজৰ পোহাৰ মেলিছিলহে, হ'ল আৰম্ভ সিহঁতৰ দপ্‌দপনি— সেই বোলে 'বঙালী, ভাগো, দেচুৱালী ভাগো বিদেশীয়ে বোলে দেশখন খালে— এইবোৰ বোপাই! বজাৰৰ হাট-খোৱাজনে দু-আষাৰমান কবলৈহে পালে, আহিল কেইটামান তেওঁৰ ওচৰলৈ চোচা মাৰি। তাৰপিছত আৰু কি হ'ব বোপাই! সেইখন গণ্ডগোলত কঁ'ৰ বজাৰ ৰহে?

মই 'হয়,' 'অ'—আদি দুই এটা শব্দ কৰি উচ্চাৰণ তেওঁৰ কথাত সহযোগিতা কৰাৰ বাহিৰে কোনো মন্তব্য নিদিলো।

দত্তই পুনৰ ক'লে, 'চোৱাচোন ময়না, এই কাপোৰ বেপাৰী বঙালীকিটা, তেল-নিমখ বেচা দেচুৱালী কেইটা বজাৰৰ পৰা এদিন গোৰজণি মাৰি খেদি পঠালেই তহঁতৰ ভূ-ভাৰস্তখন উদ্ধাৰ হৈ গলনে? লোকচান পিচে হ'ল— কাৰ? মৰিলো কোন? আমাৰহে লোকচান হল, মৰিলো আমি মথাহে! আজি বজাৰত নোপোৱা ধন কেইটা সিহঁতে অন্য এখন বজাৰত তহঁতৰ পৰাই উঠাই লব। পিচে আমি আজি বেচিব নোৱৰা কল আখি, অমিতা কেইটা আন এখন বজাৰত বেচিবলৈ সাঁচি থব পাৰিমানে? বঙালী-দেচুৱালী খেদিলি, সিহঁত গাড়ীত উঠি ভোঁ-ভোঁৱাই গুচি গল, কিন্তু সপ্তাহটোৰ কাৰণে আমি এতিয়া তেল-নিমখকণ ক'ৰ উপাৰ্জনেৰে কিনি আনো?... ... ... '

বুজিলো, তেওঁৰ বহু কবলগীয়া আছে। পুতেকহঁতৰ ক্ষন্তেকীয়া উত্তেজনা আৰু অবিবেচনাত নিজৰে বাপেকহঁতৰ যে ক্ষতিগ্ৰস্ত হ'ল, হৰেশ্বৰ দত্ত তাৰ প্ৰকৃষ্ট উদাহৰণ।

সুযোগ বুজি মোৰ প্ৰয়োজনৰ কথা ক'লো। পিচে নাই। আছিল, আদায় হল। থকা হলে নিজৰে দুপইচা আহিলেহেঁতেন বুলি দত্তই ইচইচালে।

হৰেশ্বৰৰ ঘৰৰ পৰা ওলাই জালভাৰী গাঁৱেদি আহি প্ৰধান ৰাস্তাত উঠিয়েই আঁতৰৰ পৰা দেখিলো—ভাৰ এখন মাটিত থৈ পুথিখাতীৰ 'মিৰি ককায়ে' গছ এজোপাৰ তলতে বহি আছে।

তেওঁক দেখি চাইকেলৰ পৰা নামি সুধিলো, 'মিৰি ককাই, কি হ'ল? বস্তা দুটা আগত লৈ থম্ থম্ মদন গোপাল হৈ আছাচোন? কি আছেনো তাত?'

'অ,' ময়না বাপু নেকি? কি কবি আৰু। বজাৰলৈ গৈছিলো। পিচে নিবিনো কি হাতীটো! ঔ-টেঙা সেইগাল। পিচে সেই বন্ধা ভাগেই লৈ আহিছো'— বুলি হৰেশ্বৰে দিয়া বৰ্ণনাকে তেঁৱো দিলে।

'কেলেই মাছ-তাছ ধৰি আনিব নোৱাৰানেকি?' ই-ই-ই বাপু! মাছ মাৰিবলৈ নিদিয়ে নহয় আমাক! একেবাৰে 'ভি-ডি'য়ে পহৰা দিয়াৰ দৰে গোটেই নৈ খনতে মহৰীবোৰে পহৰা দিয়ে। কিবা হেনো 'ৰেভিনি' নৈ। নাই নহয় বাপু; সেই ফালেও আমাৰ কৈবৰ্ত্ত সোপাৰ মৰণ। তাকে বাটে বাটে আহোঁতে ভাবি আহিছোঁ —আজিযে সেই লৰা মথাই বঙালী বুলি বেপাৰীবোৰক খেদিলে, এই বঙালী বিষয়াটোক নেখেদে কেলেই? সি যেতিয়া চহৰৰ পৰা চিকচিকিয়া গাড়ী লৈ মহল চাবলৈ আহে, আজি যে সেই লৰাবোৰ, সিহঁতৰে কেইটামানক তাৰ গাড়ীত উঠি ফুৰা দেখোঁ।'

'কোনোবা এজন মানুহে অকলে আজিকালি মাছৰ মহল লব পাৰে জানো?' —মই কথাটো 'মিৰি ককাই'ৰ নিচিনা মানুহে জানে নে নেজানে পৰীক্ষা কৰিবলৈকে সুধিলো।

ৰহস্যৰ ভেদ ভঙা ভংগীত তেওঁ কলে, 'হেৰ' বাপু, ক'ৰনো অকলে লব পাৰে? ছোচাইটি বুজিছা, ছোচোইটি। মাছমৰীয়া মানুহৰ ছোচাইটি। কিন্তু ধন সোপা ক'ৰ বুলি ভাবিছা?'

বুজে। আচলতে এওঁলোকে সব কথাই বুজে, জানে। শোষণ—পীড়নৰ প্ৰচ্ছন্ন লেকামডাল কোনখন হাতে চালনা কৰিছে, সেই কথা লাহে লাহে এওঁলোকৰ চকুত ধৰা পৰিছে।

মিৰি ককাইক এৰি থৈ আহি তিনি আলিটোৰ মুৰ পাইছোঁহে, এনেতে দেখিলো, দেবেন নামৰ লৰা এটাই দেচুৱালী বেপাৰী এটাক গটিয়াই-ভুকুটিয়াই হায়ৰাণ কৰিছে। 'ঐ, খোল, খোল তোৰ মচলাৰ টোপোলা। শ্যালা বিহাৰীচব! তহঁতেই অসমখন খালি। বিহাৰত জন্ম হৈ মাটিত পৰহি অসমত! ইয়াত থাকি থাকিয়েই বিহাৰত ছাদি কৰিবি, ইয়াৰ পৰা পয়চা পঠাই থাকিবি-আৰু বিহাচব বাচ্চা পয়দা হৈ থাকিব। খোল তোৰ মচলাৰ টোপোলা! নহলে তোৰ 'গৰম মচলা' এতিয়াই বাজ কৰিম বাপেক্কে! কভি নাই চুৰেগা। ......।'

OKDISCD

দেবেনৰ কথা আৰু বেপাৰীটোৰ পুতৌলগা অবস্থাই গোট খাই থকা প্ৰায় আটাইখিনি মানুহকে আমোদ দিছিল। দুই একে দেবেনক উৎসাহো দিলে। গুম্‌টি দোকানে দোকানে ভৰি ওলমাই আমোদ লোৱা কেইজন মানে মন্তব্য দিলে-'এই বিদেশীবোৰক খেদিব লাগে। ইহঁতেই আমাৰ দেশখন খালে!'—ইত্যাদি।

দেবেনৰ অত্যাচাৰত দেচুৱালীজন কন্দনামুৱাহৈ পৰিল। অবশেষত সি এৰি দিবলৈ দেৱেনক হাতযোৰ কৰি কাকুতি কৰিলে। এনেতে শৈলেন নামৰ লৰা-জন আগবাঢ়ি আহি কলে, 'ঐ দেবেন! সেই নীৰিহ মানুহটোক কেলেই লটি-ঘটি কৰিছ? সিনো তোৰ কি জগৰ লগালে?'

তাৰফালে বিদ্ৰুপেৰে চাই দেবেনে কলে, 'অ' এইডালি আৰু' কমিউনিষ্ট নহয়! বঙালী-দেচুৱালী, ৰিক্সাৱালা-ঠেলাৱালা চব ইহঁতৰ কমৰেড,' সি দেচুৱালীটোক আকৌ গটা এটা মাৰি কলে, 'ঐ বিহাৰী কমৰেড; এই কম্‌ৰেডক লাল চেলাম, এটা দে!'

'ই মোৰ কমৰেড ঠিকেই, কিন্তু সেই মতিলাল নামৰ লাখপতি মাৰোৱাৰীটোৰ পুতেক হীৰালাল তোৰ কি হয়? সি নিজৰ বুঢ়া আঙুলি ভিয়াই তইঁতক শান্তিয়নী পানী খুউৱা 'সাধু-বুঢ়াটো নহয়নে'? শোষণ কোনে কৰিছে? কোটি কোটি টকাৰ ঠিকা লোৱা তইঁতৰ হীৰালালৰ বাপেক মতিলালে, নে মহাজনৰ দৰ্মহাত মচলা বেচা এই সাধাৰণ দেচুৱালীটোৱে? হীৰালালৰ পকেটৰ পয়চাৰে চুলাই মদ খাবলৈ পাই তইঁতে তাৰ পোকৰ ধোৱা ঘটিটোও পায়খানালৈ কঢ়িয়াই নিয়!

'ঐ শৈলেন! মুখ চম্ভালি কথা কবি। মোক চিনি পাইছনে নাই কোন বাপেকৰ পুতেক? একে ঘোচাই শ্যালা তোৰ ভোটা নাকত,' লাল-ঝাণ্ডা লগাই দিব পাৰো জাননে? দেশৰ বঙালী-দেচুৱালীমথা ইহঁতৰ কমৰেড্! ইহঁতে আটাইবোৰ লগ হৈ অসম দেশখন এফালৰ পৰা খাই নিব এতিয়া! তই কচোন, আমি চাকৰি নেপাওঁ, বঙালীয়ে কিয় চাকৰি পায়?'

'বঙালীয়ে চাকৰি পোৱাত চাকৰী বিচৰা বঙালী কিটা দায়ীনে, সিহঁতক চাকৰি দিয়া অসমীয়া চাহাবকিটা দায়ী? তই-'ই-এণ্ড-ডি'ৰ চাকৰিটো নোপোৱাত্ত বৰকেৰেণী গোলাপ শইকীয়া দায়ীনে, তই বিচৰা চাকৰিটো পোৱা 'হৰেন দে' দায়ী? তই গোলাপ শইকীয়াক চাকৰিৰ বাবে পাচশ টকা ঘোচ দিয়া নাছিলিনে? তইঁতৰ অসমীয়া শইকীয়া বাবুৱে অসমীয়া দেবেন বড়াক সাধাৰণ চাকৰিটো দিয়াব নোৱাৰিলে আৰু বঙালী দে'ক দিয়াব পাৰিলে! এতিয়া শুনিছোঁ, স্বজাতি প্ৰেমী শইকীয়া চাহাবৰ পৰা তই ঘোচ দিয়া টকাটো উলিয়াবলৈ আন্দোলন কৰি আছ।'

দেবেন একেবাৰে খঙত তিক চি বিকচি হৈ সপ্তমত উঠিলগৈ। সি শৈলেনলৈ খেদামাৰি আহিল। 'শালা, ঘৰ বিভীষণ! জ্ঞাতিদ্ৰোহী, জাতিদ্ৰোহী; দেশদ্ৰোহী কমিউনিষ্ট এনেইনো তইঁতক 'কৰ্মনীচ' বুলি কয়নে?'

দুজনমানৰ মধ্যস্থতাত যেনিবা সিহঁতৰ কাজিয়াখন শাম কাটিলে। সেই চলতে

(৪১ পৃষ্ঠাত চাওক)



গল্প/

# ৰণথলী গড়ৰ কিহৰ শব্দ

অৰূপা (পটঙ্গীয়া) কলিতা

দিগন্ত বিয়পি কেবল সেউজীয়া ক'লা সাকুৱা মাটিৰ বুকুৰ পৰা বৈ আহিছে কেবল সেউজীয়া ৰঙৰ পোহৰ। গাঢ় সেউজীয়া পাতৰ বুকুত চৰাইৰ কিছিৰ-মিছিৰ; জিৰ-জিৰিয়া বতাহ। সেউজীয়াখিনিৰ মাজেদি বৈ আছে শান্ত নদীখন। নদীখনৰ ওপৰেদি পাৰ হৈ গৈছে সভ্য জগতৰ স'তে যোগাযোগ ৰখা ৰেলৰ আলিটো আৰু গাড়ীৰ ৰাস্তাটো। এইখন ঠাই ঠিক নগৰো নহয়, গাঁৱো নহয়।

ইয়াত এটা বাছষ্টেণ্ড আছে। তাত মন গলে বাঁছ ৰয়, মন নগলে অন্য ৰাস্তাদি যায়গৈ।

দুখনমান হাইস্কুল আছে।

এখন কলেজ আছে, অনাৰ্ছ নথকা সৰু কলাৰ কলেজ, য'ত শিক্ষকে তিনি চাৰি মাহ দৰমহা নোপোৱাকৈ থাকে।

দুখনমান কিতাপৰ দোকান আছে য'ত বিক্ৰী হয় কেবল বিস্ময়ৰ খোৰাক যোগোৱা আলোচনী।

ৰাস্তাৰ দুইকাষে থিয় দি থকা সৰহ সংখ্যক ঘৰবোৰ খেৰৰ, প্ৰায় ধোকা দি ৰখা। এনে ভগা ঘৰবোৰৰ ভিতৰত আছে কেবল যন্ত্ৰণা, কেবল কান্দোন, কেবল হুমনিয়াহ।

এনে হালি পৰা লানি লানি ঘৰৰ মাজত অহংকাৰেৰে থিয় হৈ আছে পাঁচটা-মান দালান। শীত-তাপ-নিয়ন্ত্ৰিত। তাত আছে কেবল ভোগ আৰু বিলাসৰ প্ৰাচুৰ্য।

সমগ্ৰ নগৰ বা গাঁওখনতে বিয়পি আছে এক বিশৃংখলতা। বজাৰ, ৰাস্তা সকলোতে আবৰ্জনাৰ দ'ম। এই আবৰ্জনাৰ মাজত ঘূৰি ফুৰে হালি পৰা ঘৰৰ মানুহজাক বা দুই এজন মধ্যবিত্তৰ ছাইকেল ইয়াৰ বোকা দালানৰ মানুহখিনিৰ ভৰিত নালাগে, গাড়ীৰ চকাইহে সিঁচৰিত কৰি যায়। সেয়েহে ইয়াৰ জাবৰ চাফা কৰাৰ প্ৰয়োজন হোৱা নাই।

নিশা এই ঠাইত আৰু বিশৃংখল পৰিবেশৰ সৃষ্টি হয়। হালি পৰা ঘৰৰ মানুহজাকে কাঢ়া চুলাই মদ খাই চিঞৰি ফুৰে। নৈৰ কাষে কাষে এলানি খেৰী ঘৰ। ইয়াতে বহুদিনৰ পৰা বাস কৰি আহিছে এজাতি জংগী অনুন্নত সম্প্ৰদায়ৰ মানুহ। সিহঁতে এতিয়া একো নাজানে, জানে কেবল মদ খাই গাহৰীৰ দৰে বোকাত লেটি লবলৈ। মদৰ খৰছ উলিয়াবলৈ সিহঁতে গাঁচোটা দালানৰ মালিকৰ ওচৰত মাটি টুকুৰা টুকুৰাকৈ বন্ধক দিলে। ইয়াত কোনো সভ্য মানুহ থাকিবলৈ



OKDISCD

দেবেনৰ কথা আৰু বেপাৰীটোৰ পুতৌলগা অবস্থাই গোট খাই থকা প্ৰায় আটাইখিনি মানুহকে আমোদ দিছিল। দুই একে দেবেনক উৎসাহো দিলে। গুম্‌টি দোকানে দোকানে ভৰি ওলমাই আমোদ লোৱা কেইজন মানে মন্তব্য দিলে-'এই বিদেশীবোৰক খেদিব লাগে। ইহঁতেই আমাৰ দেশখন খালে!'—ইত্যাদি।

দেবেনৰ অত্যাচাৰত দেচুৱালীজন কন্দনামুৱাহৈ পৰিল। অবশেষত সি এৰি দিবলৈ দেবেনক হাতযোৰ কৰি কাকুতি কৰিলে। এনেতে শৈলেন নামৰ লৰা-জন আগবাঢ়ি আহি কলে, 'ঐ দেবেন! সেই নীৰিহ মানুহটোক কেলেই লটি-ঘটি কৰিছ? সিনো তোৰ কি জগৰ লগালে?'

তাৰফালে বিদ্ৰুপেৰে চাই দেবেনে কলে, 'অ' এইডালি আক' কমিউনিষ্ট নহয়! বঙালী-দেচুৱালী, ৰিক্সাৱালা-ঠেলাৱালা চব ইহঁতৰ কমৰেড,' সি দেচুৱালীটোক আকৌ গটা এটা মাৰি কলে, 'ঐ বিহাৰী কমৰেড; এই কম্‌ৰেডক লাল চেলাম, এটা দে!'

'ই মোৰ কমৰেড ঠিকেই, কিন্তু সেই মতিলাল নামৰ লাখপতি মাৰোৱাৰীটোৰ পুতেক হীৰালাল তোৰ কি হয়? সি নিজৰ বুঢ়া আঙুলি তিয়াই তহঁতক শান্তিয়নী পানী খুউৱা 'সাধু-বুঢ়াটো নহয়নে'? শোষণ কোনে কৰিছে? কোটি কোটি টকাৰ ঠিকা লোৱা তহঁতৰ হীৰালালৰ বাপেক মতিলালে, নে মহাজনৰ দৰ্মহাত মচলা বেচা এই সাধাৰণ দেচুৱালীটোৱে? হীৰালালৰ পকেটৰ পয়চাৰে চুলাই মদ খাবলৈ পাই তহঁতে তাৰ পোকৰ ধোৱা ঘটিটোও পায়খানালৈ কঢ়িয়াই নিয়!

'ঐ চৈলেন! মুখ চম্ভালি কথা কবি। মোক চিনি পাইছনে নাই কোন বাপেকৰ পুতেক? একে ঘোচাই শ্যালা তোৰ ভোটা নাকত, 'লাল-ঝাণ্ডা' লগাই দিব পাৰো জাননে? দেশৰ বঙালী-দেচুৱালীমখা ইহঁতৰ কমৰেড্! ইহঁতে আটাইবোৰ লগ হৈ অসম দেশখন এফালৰ পৰা খাই নিব এতিয়া! তই কচোন, আমি চাকৰি নেপাওঁ, বঙালীয়ে কিয় চাকৰি পায়?'

'বঙালীয়ে চাকৰি পোৱাত চাকৰী বিচৰা বঙালী কিটো দায়ীনে, সিহঁতক চাকৰি দিয়া অসমীয়া চাহাবকিটো দায়ী? তই-'ই-এণ্ড-ডি'ৰ চাকৰিটো নোপোৱাত 'হৰেন দে' বৰকেৰেণী গোলাপ শইকীয়া দায়ীনে, তই বিচৰা চাকৰিটো পোৱা দায়ী? তই গোলাপ শইকীয়াক চাকৰিৰ বাবে পাচশ টকা ঘোচ দিয়া নাছিলিনে? তহঁতৰ অসমীয়া শইকীয়া বাবুৱে অসমীয়া দেবেন বড়াক সাধাৰণ চাকৰিটো দিয়াব নোৱাৰিলে আৰু বঙালী দে'ক দিয়াব পাৰিলে! এতিয়া শুনিছোঁ, স্বজাতি প্ৰেমী শইকীয়া চাহাবৰ পৰা তই ঘোচ দিয়া টকাটো উলিয়াবলৈ আন্দোলন কৰি আছ।'

দেবেন একেবাৰে খঙত তিক চি বিক্‌চি হৈ সপ্তমত উঠিলগৈ। সি শৈলেনলৈ খেদামাৰি আহিল। 'শ্যালা, ঘৰ বিভীষণ! জাতিদ্ৰোহী, জাতিদ্ৰোহী; দেশদ্ৰোহী কমিউনিষ্ট এনেইনো তহঁতক 'কৰ্মনীচ' বুলি কয়নে?'

তুজনমানৰ মধ্যস্থতাত যেনিবা সিহঁতৰ কাজিয়াখন শাম কাটিলে। সেই চলতে

( ৪১ পৃষ্ঠাত চাওক )



গল্প/

# ৰণথলী গড়ত কিহৰ শব্দ

অৰূপা (পটঙ্গীয়া) কলিতা

দিগন্ত বিয়পি কেবল সেউজীয়া ক'লা সাৰুৱা মাটিৰ বুকুৰ পৰা বৈ আহিছে কেবল সেউজীয়া ৰঙৰ পোহৰ। গাঢ় সেউজীয়া পাতৰ বুকুত চৰাইৰ কিছিৰ-মিছিৰ; জিৰ-জিৰিয়া বতাহ। সেউজীয়াখিনিৰ মাজেদি বৈ আছে শান্ত নদীখন। নদীখনৰ ওপৰেদি পাৰ হৈ গৈছে সভ্য জগতৰ স'তে যোগাযোগ ৰখা ৰেলৰ আলিটো আৰু গাড়ীৰ ৰাস্তাটো। এইখন ঠাই ঠিক নগৰো নহয়, গাঁৱো নহয়।

ইয়াত এটা বাছষ্টেণ্ড আছে। তাত মন গলে বাঁছ ৰয়, মন নগলে অন্য ৰাস্তাদি যায়গৈ।

তুখনমান হাইস্কুল আছে।

এখন কলেজ আছে, অনাৰ্ছ নথকা সৰু কলাৰ কলেজ, য'ত শিক্ষকে তিনি চাৰি মাহ দৰমহা নোপোৱাকৈ থাকে।

তুখনমান কিতাপৰ দোকান আছে য'ত বিক্ৰী হয় কেবল বিস্ময়ৰ খোৰাক যোগোৱা আলোচনী।

ৰাস্তাৰ তুইকাষে থিয় দি থকা সৰহ সংখ্যক ঘৰবোৰ খেৰৰ, প্ৰায় ধোকা দি ৰখা। এনে ভগা ঘৰবোৰৰ ভিতৰত আছে কেবল যন্ত্ৰণা, কেবল কান্দোন, কেবল হুমনিয়াহ।

এনে হালি পৰা লানি লানি ঘৰৰ মাজত অহংকাৰেৰে থিয় হৈ আছে পাঁচটা-মান দালান। শীত-তাপ-নিয়ন্ত্ৰিত। তাত আছে কেবল ভোগ আৰু বিলাসৰ প্ৰাচুৰ্য।

সমগ্ৰ নগৰ বা গাঁওখনতে বিয়পি আছে এক বিশৃংখলতা। বজাৰ, ৰাস্তা সকলোতে আবৰ্জনাৰ দ'ম। এই আবৰ্জনাৰ মাজত ঘূৰি ফুৰে হালি পৰা ঘৰৰ মানুহজাক বা দুই এজন মধ্যবিত্তৰ ছাইকেল ইয়াৰ বোকা দালানৰ মানুহখিনিৰ ভৰিত নালাগে, গাড়ীৰ চকাইহে সিঁচৰিত কৰি যায়। সেয়েহে ইয়াৰ জাবৰ চাফা কৰাৰ প্ৰয়োজন হোৱা নাই।

নিশা এই ঠাইত আৰু বিশৃংখল পৰিৱেশৰ সৃষ্টি হয়। হালি পৰা ঘৰৰ মানুহজাকে কাঢ়া চুলাই মদ খাই চিঞৰি ফুৰে। নৈৰ কাষে কাষে এলানি খেৰী ঘৰ। ইয়াতে বহুদিনৰ পৰা বাস কৰি আহিছে এজাতি জংগী অনুন্নত সম্প্ৰদায়ৰ মানুহ। সিহঁতে এতিয়া একো নাজানে, জানে কেবল মদ খাই গাহৰীৰ দৰে বোকাত লেটি লবলৈ। মদৰ খৰছ উলিয়াবলৈ সিহঁতে গাঁচোটা দালানৰ মালিকৰ ওচৰত মাটি টুকুৰা টুকুৰাকৈ বন্ধক দিলে। ইয়াত কোনো সভ্য মানুহ থাকিবলৈ



OKDISCD

নিবিছাৰে। নিশা ভদ্ৰলোকসকলে মদৰ নিচাত উন্মত্ত হৈ ৰাজপথত প্ৰস্ৰাব কৰি থকা অভদ্ৰ মথাৰু চাবলৈ নিবিছাৰে। সেয়েহে নিশা ইয়াত সিহঁতৰ অবাধ ৰাজত্ব।

ইয়াতেই আছিল ৰমা, সুৰেন, ভদৰাম, কালীয়াহঁতৰ ঘৰ। ৰামলাল কেঞ্চাৰ খাটাত এটুকুৰা দুটুকুৰাকৈ মাটি জমা কৰাৰ পাছত নাজল-নাথল হৈ বৈঠালাংচুলৈ উঠি গলগৈ। তাত হাবি ভাঙি সিহঁতে বাচি থাকিবলৈ প্ৰাণ-পণে চেষ্টা কৰিছে।

আৰু প্ৰাণপণে চেষ্টা চলাইছে জগৰু, ৰূপৰাম, ভদীয়াহঁতে আমচৈ পাহাৰৰ দাঁতিত হাতী খেদি ধান কেইডৰা বচাবলৈ। সিহঁতো এদিন নৈৰ পাৰতে উমলি-জামলি ডাঙৰ হৈছিল। সিহঁতৰ সাৰুৱা মাটিৰ ফচল আজিকালি ৰামানুজ, চৌধুৰী-হঁতৰ দুমহলীয়া পকী ভৰালত মিঞা কামলাই ভৰাই থৈ আহেগৈ।

ৰমাহঁত, জগৰুহঁত গ'লগৈ, কিন্তু পাঁচোটা দালানৰ মালিকৰ মাটি আধিয়াকৈ লৈ বা কামলা খাটি কিছু মানুহ থাকি গল। উদয়াচল পৰিশ্ৰম কৰি বিনিময়ত একো নোপোৱা এই মানুহখিনিৰ বহু যন্ত্ৰণা, বহু বোবা দুখ। সিহঁতে দিনটো পৰিশ্ৰম বিক্ৰী কৰি পোৱা পইছা কিটাৰে চৌধুৰীৰ মহলত মদ খাই বেহুচ হৈ পৰি থাকে। সিহঁত বিভিন্ন কাৰণত উঠি যাব নোৱাৰিলে বা নগল। কাৰোবাৰ মাক অলৰ-অচৰ বৃদ্ধা, কাৰোবাৰ হাপানী, কাৰোবাৰ মনত উছাহ নাই, কাৰোবাৰ বুকুত সাহ নাই, শৰীৰত বল নাই।

মোহন আতাৰ সকলো আছিল; কিন্তু আতা উঠি নগলগৈ। সাৰুৱা মাটিত মুখ ঠেকেছি আতা ৰৈ গল। মোহন আতা এই গাওঁ বা চহৰখনৰ তথাকথিত ভদ্ৰ মানুহখিনিৰ মানত এক অসভ্যামী, সভ্য জগতৰ চকুত আতা এজন লেতেৰা মদাহী; ৰামানুজ চৌধুৰীকে আদি কৰি মালিক কিটাৰ বাবে এক আতংক, খাটি খোৱা মানুহৰ বাবে এক নিৰ্ভৰ আশ্ৰয় আৰু নতুন কিবা বিছৰা মধ্যবিত্তৰ চকুত মোহন আতা এক ইতিহাস; মেহনতী মানুহৰ ইতিহাস।

যাঠী বছৰীয়া আটিল বৃদ্ধ মোহন আতাৰ অকশৰীয়া জীৱনটো বৰ বিশৃংখল। থকা খোৱাৰ ঠিক নাই। মন গলে ভগা ঘৰটোলৈ নাহি ৰাস্তাতে টোপনি যায়। মন গলে কোনোবা বাবু এটাৰ পথাৰতে দিনটো কাম কৰি থাকে। মন নগলে ঘৰৰ এচুকতে বহি থাকে, ভোক লাগিলেই যিহকে পাই তাকে এগাল সিজাই খাই, নাপালে নাখায়। কাপোৰ বুলিবলৈ জাৰ-জহ সকলো সময়তে এখন মলিয়ন গামোছা।

মোহন আতাই ডেকা কালত বিৰি এটাও নাখাইছিল। তেওঁ এতিয়া ঘোৰ মদাহী। খঙাল আতাৰ খঙটো আজি কালি এটাৰ মদেৰে শান্ত কৰিব পাৰি।

আজিকালি মোহন আতা যেন কিছু নিৰ্বিকাৰ। আচলতে আতাৰ মন হতাশাৰে পৰিপূৰ্ণ। জীৱনে অতদিনে আতাক শিকাইছিল হতাশ নহবা, কাম কৰি খোৱা, এদিন বিছৰা খিনি পাবাই। মোহন আতাই কাম কৰি খোৱা মানুহখিনিক ভাল পাইছিল, এতিয়াও পায়। ডেকা কালত আতাই জীৱনৰ শ্ৰেষ্ঠ সময়খিনি কটাই দিছিল এই মাটি খোৱা মানুহৰ সুখৰ বাবেই। বগা চাহাবৰ বঙলাৰ আগেদি ছাতি মেলি যোৱা বাবে চাবুকৰ কোব খায়ো মূৰ তল নকৰা মোহন আতাৰ



বুকুত একুৰা জুই জলিছিল—নিজকে জ্বলাই মানুহৰ মাজত সোমাই তেজ পি থকা চেলাপতি জোকবোৰ জলাই দিয়াৰ সৰ্বাত্মক জুই। দেশ জুৰি জলি উঠা জুই কুৰাত খঙাল ডেকা মোহন কোঁৱৰো জপিয়াই পৰিছিল। মাকৰ মৰম, ঘৰ খনৰ মৰমৰ বান্ধোনেও শীতল কৰিব নোৱাৰা মোহন কোঁৱৰৰ গাৰ কেঁচা তেজ উতলি উঠিছিল। তেওঁৰ চকুত মাত্ৰ এটাই সপোন বগা চাহাববোৰ যাবগৈ, দেশ স্বাধীন হব, দেশত ৰামৰাজ্য হব। সমস্ত শক্তি, সমস্ত প্ৰেৰণাৰে মোহন আতাই যুঁজিছিল।

সেই যুঁজৰ, আতাৰ মনৰ জুইকুৰাৰ উত্তাপৰ চিহ্ন আজিও বহন কৰি আছে মদাহী মানুহবোৰ গাওঁখনৰ অলপ নিলগৰ নৈৰ পাৰতে থকা গড় এটাই— ৰণথলী গড়।

ৰণথলী গড়ৰ সম্পৰ্কে নানা কিংবদন্তী আছে। হয়তো আহোম ৰজাৰ দিনতে এই গড়টো বন্ধা হৈছিল। গড়টোত এতিয়া এখন ফুটুকা গছৰ হাবি। মানুহে কয় তাত নিশা এতিয়াও মৃত্যুমুখী মানুহৰ গেঙনি শুনা যায়।

মদপী মানুহজাকক এই ৰণথলী গড়টোৰ সম্পৰ্কে কিবা সুধিলে সিহঁতৰ নিছাত আচ্ছন্ন মুখবোৰ ক্ষন্তেকৰ বাবে হলেও দপ্‌কৈ জলি উঠে; নিছাৰ বিভোৰতা আতৰি যায়। সুৰুযৰ পোহৰৰ দৰেই সিহঁতৰ অন্ধকাৰ, সেমেকা মনবোৰলৈ ভুমুকি মাৰে অতীতৰ এক সংগ্ৰামী অধ্যায়ৰ উত্তাপে। ক্ষন্তেকৰ বাবে হলেও জন্তৰ জীৱনৰ পৰা সিহঁতে মুক্তি লাভ কৰে। কিন্তু ৰামানুজ, ৰামলাল, চোধাৰীহঁতৰ মকৰা জালৰ চিকাৰ হৈ সোমাই থকা মদপী মানুহজাকৰ মনৰ মাজত এই উত্তাপ ডাৱৰীয়া বতৰৰ সূৰ্যহে।

মোহন আতাক সময়ে অসময়ে এই ৰণথলী গড়ত দেখা যায়। কেতিয়াবা নিছাত বিবোৰ হৈ, কেতিয়াবা সজ্ঞানে মোহন আতা বহি থাকে। আতাই তাত বহি কেতিয়াবা কান্দে, কেতিয়াবা তৃপ্তিৰ হাঁহি মাৰে, কেতিয়াবা খঙত নিজৰ শুকুলা চুলি কোচা টানি টানি ৰামলাল, ৰামানুজ, চৌধুৰীহঁতক গালি পাৰে; মদপী মানুহজাকক, কেতিয়াবা চাহাব খেদা মন্ত্ৰ দিয়া নেতাকেইটাক গালি পাৰি থাকে।

এই ফুটুকা হাবিৰে আবৰা গড়টোৰ স'তে মোহন আতাৰ অভিন্ন সম্পৰ্ক আছে। ইয়াতেই মোহন আতাই বৈঠালাংচু, আমচৈলৈ গুচি যোৱা, নৈৰ পাৰত থাকি যোৱা মানুহখিনিক নতুন দিনৰ সপোনৰ কথা বুজাইছিল। ইয়াৰ পৰাই বগা চাহাবৰ হাতত ধৰ্ষিতা হোৱা, সমাজ চ্যুতা ৰূপহী আত্মহত্যা কৰাৰ পৰা বিৰত কৰি পুৰণা নৈতিক ধ্যান-ধাৰণাৰ মাজত পচি থকা সমাজক বুঢ়া আঙুলি দেখুৱাই বিয়া কৰাইছিল। ৰাইজে আতাক পৰাচিত কৰি দহ ধনুৰ মূল্য হিছাপে দহ সিকি জৰিমনা লৈ সমাজত সুমুৱাব খুজিছিল। আতাই সমাজক ক'লে 'মই দহ ধনুৰ মূল্য হিছাপে দহ সিকি নিদিও, দহোটা নিগনিৰ মূল্য হিছাপেহে দিম। অতীজত দহ সিকিত দহজনী গৰু পাইছিল, আজিকালি দহোটা নিগনিহে পাৰ।" আতাৰ স্পৰ্দ্ধা দেখি ৰাইজ তবধ মানিছিল। বস্তুনিষ্ঠ, যুক্তি-বাদী আতাৰ মনে ৰাইজৰ পুৰণি ধ্যান-ধাৰণাৰ লগত আপোচ কৰিবলৈ নিবিছাৰে। সেয়েহে জনপ্ৰিয় মোহন আতা আজিও সমাজৰ পৰা বাহিৰত।



OKDISCD

এই মোহন আতাৰ নেতৃত্বত খাটী খোৱা মানুহজাক বগা চাহাবৰ বিপক্ষে মৰিয়া হৈ ঠিয় দিছিল, বাবে আমনি পাই বগা চাহাবৰ চৰকাৰে অকথ্য অত্যাচাৰ চলাইছিল মানুহখিনিৰ ওপৰত। কিন্তু দেশৰ মুক্তি যাৰ সপোন, সিহঁতক জোতাৰে গছকি ৰাখিব নোৱাৰি। এতিয়াৰ আবৰ্জনাৰে ভৰা বিশৃংখল মদপী নগৰ বা গাঁওখন তেতিয়া এখন জংগী ডগমগাই থকা গাওঁ আছিল। সেই গাওঁৰ ডগমগীয়া শক্তিক দমাবলৈ অহা বগা চাহাবৰ বন্দুকধাৰী সৈন্যৰ লগত মোহন আতাৰ মানুহৰ বিহকাঁড়ৰ যুঁজ লৈছিল—ৰণথলী গড়ৰ কাষৰে পাজৰে। গড়ৰ বুকুত লুকাই লুকাই অকাই-পকাই কাড় মাৰি বন্দুকধাৰী সৈন্য জাকক সৰিয়হ ফুল দেখুৱাই দিছিল। যুজত ৰূপহী মৰিল, সোণমাই মৰিল, জগৰু, ডালিমহঁতৰ বাপেক মৰিল কিন্তু ঘোৰাত উঠি বন্দুক চলোৱা বগা চাহাবৰ মানুহজাকৰ দেহা খণ্ডাল মানুহজাকে টুকুৰা-টুকুৰকৈ কাটিলে। মোহন আতাৰ গাওঁখন বিপদজনক ঠাই বুলি চিহ্নিত হৈ পৰিল। বগা চাহাববোৰ যোৱাৰ খবৰ পাই উল্লাসিত হৈ মোহন আতাই এই গড়ৰ ওপৰতে ঠিয় হৈ ৰাইজক আহিব ধৰা দিনবোৰৰ সম্পৰ্কে বুজাইছিল।

নতুন দিনৰ বাবে বৈ বৈ মোহন আতাইঁতৰ আমনি লাগিল। চকুৰ আগতে আতাইঁতে দেখিলে নতুন দিন আহিল সচা, কিন্তু আতাইঁতৰ দৰে মানুহখিনিৰ বাবে নহয়, ৰামানুজ বাবু, চৌধুৰী দেউতা বা ৰামলাল বাবুইঁতৰ মানুহখিনিলৈহে বগা চাহাবৰ ছাগলী যোগান ধৰা চৌধুৰী দেউতাৰ মানুহখিনিৰ চকুৰ আগতে ভৰাল, গাড়ী, বাছ দিনে দিনে বাঢ়িবলৈ ধৰিলে, চাহাবৰ চৰকাৰে ৰায়বাহাদুৰ উপাধি দিয়া জীৱন শইকীয়াই নতুন দেশৰ ৰাস্তা বন্ধা কাম লৈ ঘৰৰ মহলা বঢ়াবলৈ ধৰিলে। আতাইঁতে কেৱল হাঁ কৰি চাই থাকিল।

মোহন আতাইঁতৰ গাৰ তেজ চেচা হোৱা নাই। খঙত গুজৰি-গুমৰি তেওঁলোকে চাই থাকিল। ভেল্কীবাজী চাই চাই মানুহজনক কনকনীয়া কাঠৰ দৰে হৈ আছে, জুই নালাগে অলপ উত্তাপ পালেই জ্বলি উঠিব।

এদিন নৈৰ পাৰৰ মানুহখিনিয়ে দেখিলে পটলুং পিন্ধা মানুহ জুটামানে বোপাৰ দিনৰে পৰা খেতি-বাতি কৰি থকা সোণসৰা পথাৰখন জুখিছে। কেতিয়াবা বহল পথাৰখনত সোণ সৰিছিল নেকি কব পৰা নাযায়, কিন্তু কেবাযুগো ধৰি এচাম খাটী খোৱা মানুহৰ ঘামৰ লুণীয়া ৰস পৰি পৰি পথাৰখনত যে সোণ ফুলিছিল সেয়া আকাশ, বতাহ সকলোৱে ক'ব।

এদিন মানুহজাকে দেখিলে পটলুং পিন্ধা মানুহ জুটামানে আহি ৰাইজক কৈ গৈছেহি যে চৌধাৰী, বৰুৱা, ৰামলাল, ৰামানুজ বাবুইঁতে গোট খাই সোণ সৰা পথাৰখন কিনি লৈছে, গতিকে সোণসৰা পথাৰৰ সোণৰ ভাগ আৰু মানুহজাকে নাপায়। কাৰ পৰা কেনেকৈ কিনিলে সিহঁতে নাজানে। জংগী মানুহজাকৰ আকৌ জক উঠিল। চৌধাৰীহঁতে সিহঁতক বুজালে মাটি মানুহখিনিৰে হৈ থাকিব, মাত্ৰ তেওঁলোকক অলপ অচৰপ ধানৰ ভাগ দিব লাগিব। গন্ত্যন্তৰ একো নাছিল।

নতুন দেশ গঢ়াৰ পথত চৌধাৰী, বৰুৱা, ৰামানুজ, ৰামলালৰ বাবে জংগী



মানুহজাক সেন্দুৰীয়া পথৰ হুল হৈ পৰিল।

মোহন আতাক দেশৰ আইন শৃংখলা ভংগ কৰাৰ অপৰাধত বন্দী কৰিবলৈ অহা পুলিচৰ দলপতিৰ বাহু মানুহজাকৰ দাৰ কোবত সৰি পৰিল।

ধান সাধিবলৈ অহা ৰামলাল কেঞাৰ কামলাকেইটা কোনোমতে প্ৰাণ লৈ পলাই গল।

আকৌ এবাৰ মোহন আতাৰ গাওঁখন বিপদজনক ঠাই বুলি পৰিচিত হল।

সচাই ইহঁত সেন্দুৰীয়া পথৰ হুল। হুল উঘালিবই লাগিব। চৌধাৰীহঁতে মকৰা জাল মেলি ধৰিলে। বৰ সূক্ষ্ম অদৃশ্যমান এই মকৰাজাল।

মোহন আতাৰ গাওঁখনৰ মাজভাগতে এটা মদৰ মহল সজা হ'ল। আতাইঁতৰ মানুহেও মদ খাই, চাউলৰ মিঠা মদ, তাকো বিয়াই-সবাহে।

বাহ-কাঠৰ নামঘৰটো ৰামলাল কেঞাই পকী কৰি সজাই দিলে। তাতে বৰুৱাই এদিন নতুন মহলৰ নতুন মদেৰে ৰাইজক ভোজ দিলে।

সেই মহলৰ পৰা মানুহবোৰে মদ খাবলৈ শিকিলে। সেই নামঘৰতেই মানুহবোৰৰ খেল ভাগ হল। সেন্দুৰীয়া পথেৰে আগবাঢ়িব খোজা মানুহখিনিয়ে জালখন আৰু মেলি ধৰিলে।

যিদিনা মোহন আতাই দেখিলে গাৱঁৰ মানুহজাকে কান্ধত তুলি ডাঙৰীবোৰ বৰুৱাইঁতৰ ভৰালত থৈ আহিছে, সেইদিনাই বুৰি এটাও নোখোৱা আতাই নতুন মহলত মদ খাই বেহুচ হৈ পৰি থাকিবলৈ আৰম্ভ কৰিলে। লাহে লাহে আতাই ৰণথলী গড়ৰ ফুটুকা হাবিত বহি কান্দিবলৈও আৰম্ভ কৰি দিলে।

মহলৰ প্ৰতিপত্তি বাঢ়ি আহিল। মদৰ খৰছৰ বাবদ এটুকুৰাকৈ সোনসৰা পথাৰৰ মাটি চৌধাৰী, ৰামানুজ, ৰামলালহঁতৰ বৰপেটত সোমাল।

তাহানিৰ খোল-তালেৰে গমগমাই থকা মোহন আতাৰ গাওঁখনত আজি কালি শুনা যায় মদপীৰ চিঞৰ। পেটৰ ভাত মুঠিৰ বাবে সৰু সৰু লৰা-ছোৱালীয়েও পকৰী ভজা, পিয়াজ-জলকীয়া কুটা ভিজা বুট, সিজোৱা কণী বা ভজা মাছৰ দোকান দিবলৈ আৰম্ভ কৰিলে মহলৰ আশে-পাশে। ক্ৰমে জালত মেৰ খাই জঙ্গী মানুহবোৰ অসভ্য মদপী হবসৈ আৰম্ভ কৰিলে।

সেন্দুৰীয়া পথৰ হুল আতবোৱাৰ আনন্দত চৌধাৰীহঁত আত্মহাৰা হল।

কিন্তু মোহন আতাই এতিয়াও ফুটুকা হাবিৰ মাজত বহি খঙত চুলি আজোৰে। এতিয়াও মদৰ নিচাত মদপী মানুহজাকে দাঁত কৰছে— "সিহঁতক চাই লম।" এতিয়াও ৰিণুৰ দেউতাকে মাজে মাজে কয়—"ৰাজনৈতিক কাৰণত এই জুহাতেৰে আজিও মানুহ মৈয়াই পেলাবৰ শক্তি অন্ধকাৰ বুকুত আছে।" আঁহতৰ তলত ভিজা বুট, কেইটামান কণী সিজোৱা আৰু জুডোখৰ মান ভজা বৰালী মাছ লৈ বহি থকা সুৰেণে এতিয়াও গধুলি মহলৰ বিক্ৰীৰ পইচা নিবলৈ অহা চৌধাৰীৰ পুতেকক দেখিলে থু পেলাই আক্ৰোশত, ঘৃণাত।

মকৰা জালৰ চিকাৰ হোৱা মানুহজাকে প্ৰতি মুহূৰ্ততে ঘৃণাত আক্ৰোশত চটফটাই থাকে।



OKDISCD

সুৰেণৰ বাপেকৰ চৌধাৰীৰ মহলৰ মদ খাই খাই এতিয়া যক্ষ্মা। ডাক্তৰে কৈছে কণী গাখীৰ খুৱাবলৈ। ঘৰৰ কুকুৰা কিজনীৰ কণী কেইটাকে গধুলী বেচি চাউল নিনিলে ঘৰে-ঘৰোৱাহে লঘোণ। তাৰ মাকৰ মুখত আজিকালি কেবল অবাইচ মাত, শাও-শপনি। সুৰেণৰ বৰ বাপেকৰ যোৱা কালি মৃত্যু হৈছে। মৰাৰ সময়ত তেওঁৰ পেট পিত্ত আৰু মদে গেলাই পেলাইছিল। বৰ মাক আজিকালি নিবোকা-চামোন হৈ পৰিছে। তেওঁৰ ঘোলা চকুত অনবৰতে জিল-মিলাই থাকে দোফোটা পানী।

মদপী মানুহজাকে দিনে দিনে মনুষ্যত্ব হেৰুৱাই পেলাইছে! অদৃশ্য জালখনে সিহঁতক মেৰাই ধৰি প্ৰাণশক্তি শেষ কৰি দিছে। সোণসৰা পথাৰত আগৰ দৰে দেহৰ ঘামৰ জীপ দি সোণ ফুলাবলৈ সিহঁতৰ দেহত জকাবোৰহে আছেগৈ।

মেটমৰা ডাঙৰী নাপাই চৌধাৰীহঁত খড়্গহস্ত হৈ পৰিল।

এদিন পথাৰলৈ গৈ মানুহখিনিয়ে দেখিলে কিছুমান মিঞা কামলাই পথাৰত কাম কৰি আছে। চৌধাৰী, বৰুৱা, ৰামলাল, ৰামানুজহঁতে কাম চাই গাড়ীৰ ধূলি উৰুৱাই গুচি গৈছে। হাল কোৰ সামৰি মানুহখিনি থমকি ৰ'ল।

জালেৰে চিকাৰ ধৰি এতিয়া তুহাতেৰে পিহি শেষ কৰাৰ পৰিকল্পনা।

মানুহখিনিৰ নিচ'গ্ৰস্ত চকুবোৰত কেবল বিভীষিকা, কেবল আসন্ন মৃত্যুৰ আশংকা; গাঁওঁ জুৰি কেবল ভোকৰ কান্দোন। দলে দলে মানুহ গৈ চৌধাৰীহঁতৰ ভৰিত লুটি খাই পৰিছে 'আমাক নামাৰিব দেউতাহঁত'।

চিকাৰ পিহি পেলোৱাৰ সুবৰ্ণ সুযোগ! ভালকৈ কাম কৰিব নোৱৰা মদপী এজাকৰ হাতত সোণসৰা পথাৰৰ দৰে সোণৰ খনি এৰি দিবলৈ দালানৰ গৰাকীহঁত ইমান অকৰা নহয়।

কোনো কাকুতি মিনতিয়েও কাম নিদিলে। মানুহখিনি কাৰ ওচৰলৈ যাব? বোপা ককাৰ দিনৰ সোণসৰা পথাৰৰ সোণালী ধান খনি যে নৈৰ পাৰৰ অভাবী মানুহখিনিৰ প্ৰাপ্য সেয়া নীলা আকাশৰ গান গোৱা চৰাইজাক, পথাৰৰ বুকুৰেদি বৈ যোৱা বতাহজাকৰ বাহিৰতো আৰু কোনেও নকয়।

উদভ্ৰান্ত মানুহজাক দৌৰি গল বয়োবৃদ্ধ মোহন আতাৰ কাষলৈ।

আতাৰ দিহামতে পকী নামঘৰত মেলপতা হল। তেলাল শৰীৰ ফিৰফিৰিয়া কাপোৰেৰে সজাই বৰুৱা, চৌধাৰী, ৰামমাল, ৰামানুজ, সকলো আহিল। ভোকাতুৰ মানুহখিনিয়ে কিবা কোৱাৰ আগতে দেখিলে তেলাল দেহা কেইটা কঢ়িয়াই অনা গাড়ীখনৰ পাছৰ পৰা মিঞা কামলা তুটাই ধৰাধৰিকৈ নমাই আনিছে জহা চাউল, ফুল কবি, খাছীয়া আলু, পকা বিলাহীৰ বৰ বৰ পাছি; এটা তেলাল খাহী আৰু সৰ্ব্বশেষত বিলাতী মদৰ বাকচ। ক্ষুধাতুৰ মানুহজাকে জিভাত অনুভৱ কৰিলে মাংসৰ আঞ্জা, জহাচাউলৰ ভাতৰ সোৱাদ।

ভমকাফুলীয়া গামোছাখনেৰে মাটিটুকুৰা মচি বৰুৱাই তামোল-পানৰ শৰাই আগবঢ়াই কিবা এটা কব খুজিছেঃ মোৰ লৰাই পৰীক্ষা পাছ কৰাৰ… …। মানুহখিনি নীৰৱ। সকলোৱে মোহন আতালৈ চাইছে।



মোহন আতাৰ বৃদ্ধ শৰীৰটো থৰে থৰে কপিছে ঘৃণা, খং আৰু আক্ৰোশত, সুৰেণৰ হাতৰ মুঠি টান হৈ আহিছে। মানুহবোৰে মাংস ভাতৰ সোৱাদ পাহৰি গৈছে, সকলোৱে চাই আছে আতাৰ ফালে।

আতা খঙত ফাটি পৰিছে 'তহঁতি চিটিকা পাতি সিংহ ধৰিবলৈ আহিছ!'

সুৰেণে বিলাতী মদৰ বটলৰ বাকচটো গোৰ মাৰি চিঞৰি উঠিছেঃ 'মদ খুৱাবলৈ আহিছ!'

তৎক্ষণাত মানুহখিনি জকি উঠিল। ক'ৰ চাউল ক'লৈ গ'ল, কাৰ ভৰিত পকা বিলাহী পেটুকণা উঠিল, ক'ৰ তেলাল খাহী কলৈ গ'ল হিছাপ নোহোৱা হ'ল।

তীব্ৰ বেগেৰে গাড়ী চলাই ফুটুকা হাবিৰে আবৰা ৰণথলী গড়টো পাৰ হৈ যাওঁতে বৰুৱাহঁতে যেন আকৌ এবাৰ শুনিবলৈ পালে এক চাহাবৰ মৃত্যুমুখী গেঙনি। সিহঁতৰ তেলাল দেহা কেইটাৰ প্ৰতি শিৰা-উপশিৰাত সোমাই পৰিছে সেই গেঙনি।

আকৌ এবাৰ মোহন আতাৰ গাওঁখন বিপদজ্জনক এলেকা বুলি পৰিগণিত হ'ল। + +

---

(৩৪ পৃষ্ঠাৰ পিছৰ অংশ)

মচলা বেপাৰীজন খৰ-খোজত আঁতৰিল। ভয়ত তাৰ অষ্ঠ-কণ্ঠ শুকাইছিল। কিবা এটা গোলমাল হোৱা হলে তাৰ মহাজনে তাৰ পৰা কেইবাদিনৰো হাজিৰা কাটি ল'লেহেঁতেন। আঁতৰি যাওঁতে দেখিলো—সি চকুলৈ হাত এখন নিছে। বোধহয় ওলাই আহিব বিচৰা চকুপানী সি মোহাৰি পেলাইছিল, বোধহয় তাৰ 'দেচ'ত থকা আধাপেটীয়া লৰা-ছোৱালী কেইটালৈ মনত পৰিছিল!

শৈলেন আঁতৰি যোৱাৰ পিচত গুজৰি-গুমৰি দেবেনো অবশেষত নিমাত হল। সি ওচৰতে থকা দেচুৱালী মহাজন ঠাকুৰ প্ৰসাদৰ দোকানলৈ আহি ক'লে, 'দিয়কহে প্ৰসাদবাবু বিড়ি-চিড়ি এটাকে। শিয়ালচবৰ লগত ফেৰপাতি মুখৰ থু অলপহে নষ্ট কৰিলো। মুখখন একেবাৰে কেহেটা— কেহেট লাগিছে।'

হাঁহি হাঁহি প্ৰসাদে কেপ্‌চ্‌টান চিগাৰেট এটা উলিয়াই দিলে।

ময়ো চাহ এগিলাচকে গিলি যাওঁ বুলি ধৰ্ম্মেশ্বৰৰ হোটেলত সোমালো। তাত ইতিমধ্যে হাইস্কুলৰ হেড্‌মাষ্টৰ মানিক বৰুৱা, ই-এণ্ড-ডি ৰ মহৰী ডিম্বেশ্বৰ গগৈ আৰু সৰুস্থৰা ঠিকাদাৰ মনবৰ চমুৱাই এইবোৰ কথাকে পাতি আছিল।

'আমি অসমীয়া, নহও দুখীয়া'—বুজিছে চমুৱা। কিন্তু কি হ'ব? আমাক চাৰিওফালৰ পৰা চেপি খুন্দি শেষ কৰি আনিছে। আমি ঘৰতে আলহী হৈ পৰিলো। আৰু কিছুদিনৰ পিচত চাবচোন! একেবাৰে বঙালী, নেপালী আহি পাকঘৰত পিৰা পাৰি বহিব।'—দেশপ্ৰেম আৰু স্বজাতি প্ৰেমত শ্বহীদ হওঁ হওঁ কাৰহে আছে যেন—এনে বিগলিত কণ্ঠত, আকুল হৈ হেড্‌পণ্ডিত মানিক বৰুৱাই কলে।

'নকব আৰু বুজিছে! তাহানি ইংৰাজৰ দিনৰ পৰাই গোটেই দেশত দুৰ্নীতি আৰু শোষণ বঢ়ালে এই বঙালী গথাই। এনেকৈ হাত সাবটি বহি থাকিলে আৰু নহ'ব।'

মহৰীৰ মন্তব্য শুনি মোৰ হাঁহি উঠিল। পিচে হাঁহিটো শাসন কৰি ভাবিলো— তেওঁক সোধো নেকি হেৰি মহৰী মহাশয়! আপুনি চৰকাৰী ৰাষ্টাৰ শিলগুটি



OKDISCD

কড়িয়াই ভৰাঁল বান্ধিবলৈ; মাৰোৱাৰী ঠিকাদাৰৰ শিলৰ স্তূপ জোখোতে ফিটাডাল গুপৰত ধৰিবলৈ কোনকিটা বঙালীয়ে শিকাই গলহি? —পিচে সেই ভাবো দমন কৰিলো। কিছুমান অজ্ঞজনোচিত অথবা মতলবী মন্তব্য হলেও ইতিকিণ্ডৰ সুৰত প্ৰতিবাদ কৰিলে পৰিস্থিতিটো সুকিয়া হৈ পৰে। ইফালেদি কিছুমান কথাত একেবাৰে নীৰৱ হৈ থাকিলেও বিবেকে ধমক দিয়ে। সেয়ে দুআষাৰমান ক'লো, 'বুজিছে গগৈ, এই যে অসমীয়া লৰাই অসমতে চাকৰী নাপায়, অসমত শিল্প উদ্যোগ হোৱা নাই, অসমৰ প্ৰাকৃতিক সম্পদ অন্যৰাজ্যৰ বা বিদেশী পুঁজিপতিয়ে চল চক্ৰান্ত কৰি নিজৰ স্বাৰ্থত ব্যবহাৰ কৰিছে—এইবোৰ জলন্ত সমস্যা কোনো স্থিৰ-মস্তিষ্ক, শুভবুদ্ধিসম্পন্ন মানুহে উলাই নকৰে। এইবোৰৰ সমাধান নহলে অদূৰ ভবিষ্যতত যে অসমৰ অবস্থা বৰ বেয়া হব, সেই কথাও কোনেও অস্বীকাৰ নকৰে। ভগনীয়া অথবা বহিৰাগতৰ সমস্যাও নুই কৰিব নোৱাৰি। কিন্তু বঙালীৰ লগত, দেচুৱালীৰ লগত সাম্প্ৰদায়িক কাজিয়া পেচাল কৰি এনেবোৰ সমস্যা দূৰ কৰা সম্ভৱনে?'

সাম্প্ৰদায়িক, কাজিয়া মানে? অসমীয়া মানুহৰ—জাতীয়তাবোধক আপুনি সাম্প্ৰদায়িকতা বুলি আখ্যা দিছে কেলেই?'

'সাম্প্ৰদাদায়িকতা, জাতীয়তা'—এইকেইটা শব্দ বিশেষ এটা সময়ত অসমৰ আকাশত কমোৱা তুলাৰ দৰে উৰিফুৰা শব্দ। মোক ওভটাই কৰা প্ৰশ্নটোও আচলতে মহৰীয়ে বহুবাৰ শুনিছে। অহোৰাত্ৰ দুৰ্নীতি কৰি টকা— পয়চা অৰ্জন কৰাৰ চিন্তাত নিমগ্ন ডিম্বেশ্বৰ মহৰীয়ে সাম্প্ৰদায়িকতা অথবা জাতীয়তাবোধৰ প্ৰকৃত সংজ্ঞা বিচাৰি মগজুৰ শক্তি খৰছ নকৰে।

মনবৰ চমুৱাও তথৈবচ। ঠিকা' মানে বিশ্বাসী মানুহক তেওঁ দুৰ্নীতি বুলিয়েই কয়। অসমত বঙালী, নেপালী, মুছলমান ভগনীয়া সোমোৱাৰ বাবে তেওঁৰ অকনো মূৰ কামোৰণি নহয়। বামুনেই মৰক বা লগুনেই ছিগক-তেওঁ জানে মাত্ৰ ঠিকা পাব লাগে। তাৰবাবে তেওঁ বঙালী ইঞ্জিনীয়াৰৰো ভৰিত ধৰিব আৰু দৰ্কাৰ হলে নিজৰ অঙহী-বঙহীৰ মানুহকো গুৰিয়াব। চানা-বেপাৰী, মচলা-বেপাৰী, দেচুৱালীক অপদস্থ কৰিবলৈ দেবেনৰ নিচিনা লৰাক উচটাব আৰু দৰ্কাৰ হলে বিহাৰৰ পৰা নৃ নিয়া আনিবলৈ বিহাৰী ঠিকাদাৰক খাতিৰ কৰিব।

গতিকেই এইবোৰ মানুহৰ লগত অনৰ্থক চুপতি মাৰি লাভ নাই বুলি মই যাবলৈ উঠিলো। আহিবৰ বেলিকা কলো, 'হেৰি নহয় চমুৱা! আজি বজাৰলৈ অহা বঙালী দেচুৱালী সোপাক খেদাতো, দেবেনৰ নিচিনা লৰাই নিমাখিত মচলা বেপাৰী এটাক হায়ৰাণ কৰাটো কেনেধৰণৰ জাতীয়তাবোধ বুলি আপুনি ভাবে?'

চমুৱাই একো নামাতিলে। সেই প্ৰশ্নৰ উত্তৰ তেওঁৰ মুখস্থ হোৱা নাই। কিন্তু চাইকেলত লাফ মাৰিবলৈ লওঁতেই জান্ নেজান্কৈ কাণত পৰিল—'এইটিও আকৌ কমিউনিষ্ট নহয়! 'চি-এম-পি' নে—কি!' —'চি-এম-পি' নহয় হেৰা, 'চি-পি-এম'—অভিজ্ঞ সুৰত হেডমাষ্টৰ মানিক বৰুৱাই শুধৰাই দিলে। মোৰ হাঁহি উঠিল। আগেয়ে গাঁৱত—কিবা গাঁৱলীয়া সমাজৰ কু-সংস্কাৰ অথবা অন্ধ-বিশ্বাসৰ বিৰুদ্ধে কথা কলে মানুহে কয়—'এইটো কমিউনিষ্ট ঔ ৰাইজ! এইটো নাস্তিক।' এতিয়া



'বঙাল খেদা' বা 'বিহাৰী ঠেলা' আন্দোলনত কিবা মাত মাতিলে উতনুৱা-মথাই কয়,—'সি তেনেহলে 'চি-পি-এম!'

এনেবোৰ চিন্তাৰ চাকনৈয়াত পাকঘূৰণি খাই খাই আহি গাঁৱৰ ৰাস্তাত সোমালো। আগলৈ লক্ষ্য কৰি এইবাৰ হলে অলপ সশব্দেই অকলে অকলে হাঁহি উঠিলো। সৌটি মিয়া দদাই। কান্ধত ছাতিৰ নাল এমুঠা আৰু হাতত ক'লা ছাতি কাপোৰৰ টোপোলা এটালৈ টুকুৰ-টুকুৰ তেওঁ আগবাঢ়ি আছে।

জামাল মিয়া। দেশ বিভাজনৰ পিচত তেওঁ পূব পাকিস্তানলৈ গৈ এবছৰৰ মূৰত পুনৰ অসমলৈ ঘূৰি আহিল। ইংৰাজৰ দিনতে জীৱিকাৰ দায়ত পুত্ৰ-পৰিবাৰ লৈ তেওঁ অসমত ঘূৰি ঘূৰি শেষত লক্ষিমপুৰ জিলাৰ এই গাঁওখনত থিতাপি ললেহি। ছাতি বনোৱা, খেৰৰ ঘৰ চোৱা, নলী-নাদ বহুৱা—এইবোৰেই আছিল তেওঁৰ উপাৰ্জনৰ পথ। ভাৰত-পাকিস্তানৰ যুদ্ধৰ সময়ত তেওঁক খেদি দিয়া হৈছিল, কিন্তু অবস্থা শাম কটাৰ লগে লগে তেওঁ আকৌ আহিল। এতিয়া আৰু তেওঁক কোনেও খেদাৰ কথা নাভাবে। বঙালী মুছলমান এই বুঢ়াজন এতিয়া ঔ-গুৰি গাঁৱৰ নিগাজী বাসিন্দা। আমাৰ বয়সৰ ডেকাখিনিয়ে তেওঁক 'মিয়া দদাই' বুলিয়েই সম্বোধন ধৰো।

মই পিচফালৰ পৰা মাত লগালো, 'কি ঔ মিয়া দদাই, বঙাল খেদামথাই তোমাকো পালেনেকি?'

তেওঁ মোৰফালে ঘূৰি চাই 'অ' ময়না নেকি?' বুলি অসুচ্চ সুৰত হলেও এনে এটা প্ৰাণখোলা হাঁহি মাৰিলে, য'ত দুখ-বেদনা, খং-ক্ষোভৰ তিলমাত্ৰও প্ৰকাশ নাই। মই একপ্ৰকাৰ আচৰিত হ'লো। তেওঁৰ পৰিয়াল নিচেই সৰু নহয়। খেতি পথাৰ নাই। আজিৰ বেপাৰ নোহোৱাৰ বাবে কি কি বস্তু ঘৰত যোগাৰ দিব নোৱাৰে তেওঁহে জানে। তথাপি ইমান চিন্তাশূণ্য পৰিষ্কাৰ এটা হাঁহি তেওঁ কেনেকৈ মাৰিব পাৰিলে?

'বুজিছ ময়না' দুটামান চেঙেলীয়া ল'ৰা ওচৰলৈ আহি কলে, 'এইটো পাকিস্তানী গুপ্তচৰ। ইয়াত ছাতি বেপাৰীৰ ভাও লৈছেহি। ইয়াকো খেদিব লাগে! ঐ বুঢ়া ভাগ, ভাগো ইয়াচে … …।' মই একো নকৈ সিহঁতৰ মুখলৈ চালো। ওঁঠ চেপিলে গাখীৰ ওলাব। কোমল কোমল লৰা কিটা। মোৰ এনে লাগিল উদণ্ড নাতি লৰা কেইটাই যেন সিহঁতৰ ওমলা জেগা টুকুৰাত বহি থকাৰ কাৰনে মোক কৈছে, ঐ ঘুণুলা বুঢ়া—আঁতৰ ইয়াৰ পৰা!… … কি কৰিবি অ' ময়না! তাত থাকিলে সিহঁতৰ গটিয়া-ভুকুটিয়াখন কোনে সহি থাকে। গুচিয়েই আহিলো। বুজিছ ময়না, এই কুমলীয়া লৰাবোৰক উচতাই জোঁকা খোৱা কেইটামান আছে। সিহঁতকহে চিনি উলিয়াব লাগে।'

মই কোনো মন্তব্য দিয়াৰ পৰা বিৰত থাকিলো। 'তেনেহলে তুমি আহি থাকা দেই'—বুলি চাইকেলৰ পেদেলত হেঁচা মাৰিলো।

পিচে ঘৰৰ ওচৰ পাইহে আচল বাক্যুদ্ধখনৰ সন্মুখীন হলোঁহ।

নিজৰ নাওলামুখতে ইফালৰ পৰা সিফাললৈ ভাওনা কৰা মানুহৰদৰে হাত



OKDISCD

ভৰি এছাৰি দণ্ড যেন মৃত্যু-দণ্ড-ধাৰী সাক্ষাৎ এক যমদূত!

'পেহাৰ কি হ'ল বা?'—নিজৰ ঘৰৰ আগত বৈ পেহাৰ কথাত সমৰ্থন দি থকা মুনিয়াক কাইক সুধিলো।

'শুনচোন শুন।' - বুলি নঙলাখুটিৰ পৰা এৰাই যোৱা জেওৰাখন মুনিয়াই বেতৰ সূতটোৰে বান্ধিবলৈ ধৰিলে।

'শ্যালা কুকুৰ! তই আজি ঘৰলৈ আহিবি। তোক মই কাটি ডুছেও কৰিব পাৰোনে নোৱাৰো চা। ইহ্ ই বৰ শৰাইঘাটৰ লাচিতটো ওলাইছে! হেৰ,' সেও খাবলৈ নোপোৱা ভিক্ষাৰী বুঢ়া কিজনীয়ে তইতক কি কৰিলে? বৰ একেবাৰে অসমীয়া বীৰ! কেলেই গোটেই লোকমন মহাজন অসমীয়া নহয়নে? সি কেলেই সৰিয়হৰ দিনত, মাহৰ দিনত, ধানৰ দিনত পথাৰলৈ গৈ একেবাৰে যমদূতৰ দৰে আমাৰ নিচিনা লঘোণীয়া মানুহক 'ধান দে, মাহ দে' বুলি ৰঙা চকু নেদেখুৱায়নে? তাক তেতিয়া তইঁতে কি কৰিব পাৰ অ'? তাৰ শোষণতে গোটেই গাঁৱৰ মানুহৰ হাড় ছাল সোপাহে আছেগৈ। তাক তইঁতে খেদিব নোৱাৰ? তাৰ দগা-পালা ভাঙিব নোৱাৰ? অ'—অসমীয়া বুলি তাক অত্যাচাৰ কৰিবলৈ এৰি দিবি আৰু বঙালী বুলি খাবলৈ নোপোৱা অঘৰীবোৰক নগুৰ-নাগতি কৰিবি?... ...

ক্ষন্তেক সময় নিতালমাৰি তেওঁ আকৌ চিঞৰিবে 'চোৱাচোন চোৱাহঁক ৰাইজ, বঙালী দেচুৱালীবোৰ খেদি হেনো মাটিবাৰীবোৰ উদ্ধাৰ কৰে ইহঁতে। বোলো হেৰ'! সো যে মৌজাদাৰৰ হেজাৰ বাৰশ বিঘা মাটি আছে। সি নিজে কাহানিবা নাঙলৰ মুঠিত হাত দি পাইছেনে? তেনেহলে ইমানবোৰ মাটি সি কেনেকৈ ৰাখিছে? সেই মাটিবোৰ উলিয়াবলৈ তইঁতে আন্দোলন কৰি জেললৈ যাব নোৱাৰ? সৌখন চাহ বাগিছা শ শ বিঘা মাটি হাবি জংঘল হৈ পৰি আছে, কেলেই সেইবোৰ দুখীয়া অসমীয়াবোৰক দিব লাগে বুলি তইঁতে চৰকাৰক টানি ক'ব নোৱাৰ? ইহ্, বৰ একেবাৰে অসমখন উদ্ধাৰ কৰিবলৈ ডিঙিত ফাঁচি লোৱা কুশল কোঁৱৰ কনকলতাহঁত ওলালিহি তইঁত! . . . . .।'

কথাটোনো কি? মধুপুৰত থকা অঘৰী বঙালী তিৰোতা কেইজনীমানে মূৰত কঢ়িয়াই কিছুমান নগা ঢাৰি আৰু ডুলী নিছিল বজাৰলৈ। কিন্তু বেচিবলৈ সিহঁতে সুবিধাই নাপালে। তেনেকৈয়ে ঢাৰি-ডুলী মূৰত লৈ গাঁৱৰ মাজেদি থকচোক কোনোবাই লয়নেকি বুলি—পালে বাটতে লগ পেহাৰ লৰা প্ৰভাত আৰু চুকৰ লেখনে। দুয়ো দুটা জেওৰ গোজ উঘালি লৈ তিৰোতাক কিজনীক টিকাত কোবাবলৈ ধৰিলে। লগে লগে সিহঁতৰ জাতীয়তাবাদী বচন 'শ্যালা বেংগলী জাত! এতিয়া ঢাৰি মূৰত লৈ বেপাৰ কৰি দেখুৱাইছ? কিছুদিনৰ পিচত পিঠিত ধনৰ টোপোলা লৈ 'দেচলৈ' পোনাবি!'

ঢাৰি-চাৰি পেলাই চিঞৰি-বাখৰি লেৰেলা, শুকান দেহৰ মানুহকিজনী তৰা-নৰা চিঙি দৌৰ মাৰিলে। লৰৰ কোবত কোনোবা এজনীৰ এক মাত্ৰ ফটা, মলিয়ন কাপোৰখন স্খলকি বাটতে থাকি গ'ল! প্ৰাণৰ ভয়ত ৰুদ্ধশ্বাসে দৌৰি যোৱা শুকান উলংগ তিৰোতাজনী দেখি সৰু ল'ৰাবোৰ কাউৰীৰ দৰে ৰমলিয়াবলে, ডাঙৰবোৰে আনফালে চকু ঘূৰালে, মাইকী মানুহবোৰে চকুত কাপোৰ দি ভিতৰলৈ পলালে। এনে এটা বিভৎস দৃশ্য ইতিপূৰ্বে ইয়াত সংঘটিত হোৱা নাছিল।

টিকাত এছাট পৰোতাই তিৰোতাকিজনীৰ লৰৰ ভমক দেখি প্ৰভাত আৰু লেখনে বিকট শব্দ কৰি হাঁহিবলৈ ধৰিলে। একেটা ঘাপতে মিৰজুমলাৰ দুৰ্দ্ধৰ্ষ মুছলমান সেনাক ডুছেও কৰা আহোম সৈন্যৰ হেংদানৰ দৰে সিহঁতৰ হাতত জেওৰা গোজ দুটা ওলমি ৰল।

তাৰ পিছত দণ্ড পেহাৰ পুতেকৰ বিৰুদ্ধে হুংকাৰ ধ্বনি আৰম্ভ হ'ল। বাপেকৰ সংহাৰ মূৰ্তি দেখি প্ৰভাত ৰণক্ষেত্ৰ এৰি পলাল।

'......ইহঁতে দেশ ৰক্ষা কৰিবলৈ আহিছে! কোনে কাক লুটি-পুটি পেটাৰী ভৰাইছে পাষণ্ডহঁতে নেদেখে! সৌ মৌজাদাৰে খাজনা নিদিলে বুলি ধেনুৰামৰ ককাকৰ দিনৰ কাঁহি-বাতি কিয়োৰকৈ কোৰোক কৰি নিলেহি। তেনে তেজপিয়াহঁতক—তইঁতৰ ঢেল ওলোৱা চকুবোৰে নেদেখ?......শ্যালা! তই আজি আহিবি, তোক বলি দিলেহে যদি মই অলপ শান্তি পাওঁ! ......কুলৰ কলংক। ....। আৰু এই পাষণ্ডবোৰক কোনে এনে অকৰণীয় কাম কৰিবলৈ উচটাইছে, সিহঁতক পোৱা হ'লে......মই চাবিগুণীয়া পঘাৰে গোহালিত বান্ধি থলোহেঁতেন বাপেকে!!...।'

মোক অহা দেখি পেহাই আকৌ চিঞৰিলে—'হেৰ' ময়না! কেলেই তইঁতে এইবোৰ দেখা নাইনে? তইঁতৰ নিচিনা ডেকা ল'ৰাবোৰ থাকোতে এইবোৰ হ'বলৈ পাইছে কেনেকৈ? তইঁতে সিহঁতক বাধা দিব নোৱাৰ? ভয় লাগে তইঁতৰ? বুজিছ ময়না, ক'ৰবাত দৰ্কাৰ হলে আমাক লৈ যাবি। আমি ভয় নকৰো নহয়! ......... হুঁ:!... .....খাই কাৰশলা ডালত উঠিব আৰু কাঠিচেলেকাৰ মৰণ মিলিব! ......বোলে হাতীচোৰটো আগে আগে যায়, বেঙেনা চোৰক ধৰে ...,...।'

শেষৰ কথাকিটা পেহাই আপোন মনে কৈ কৈ নঙলামুখৰ পৰা ঘূৰিল। মই কোনো উত্তৰ দিবলৈ নেপালো।

মই ঘৰলৈ সোমাই অহাত চোতালত থিয় হৈ থকা বৌ দেখোন ভিতৰলৈহে গ'ল। মই তৎক্ষণাত বুজি পালো যে কিছু সময়ৰ পূৰ্বে ঘটি যোৱা অবাঞ্চনীয় কাণ্ডটোৱে তেওঁৰ মনত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে; বিশেষকৈ তিৰোতা হিচাবে তেওঁ আন কোনো তিৰোতাৰ, লাগে বঙালীয়েই হওক, নেপালীয়েই হওক—তেনে জঘন্য উৎপীড়ন হোৱাটো কেতিয়াও নিবিচাৰে।

সেয়ে মোক দেখি তেওঁ স্বাভাৱিকভাৱে 'বস্তুকেইটা পালানে নাই' বুলি সোধাৰ আগ্ৰহ প্ৰকাশ নকৰিলে। নিজৰ ছোৱালীৰ বেমাৰতকৈ তেওঁৰ বাবে এই মুহূৰ্তত তিৰোতাৰ আত্মসন্মানৰ প্ৰশ্নটোৱেই চাগে ডাঙৰ হৈ ধৰা দিলে।

চাইকেলখন যথাস্থানত থৈ কাপোৰ খোলোতে মই মনে মনে ভাবিলো—পঁচা লগা ল'ৰা-ছোৱালী নমৰে। তেনেকৈয়ে ভালেদিন লেলাই ধেওাই থকাৰ পিচত ঠিকমতে ঔষধ পালিলে সিহঁত ভাল হৈ উঠে। তেতিয়া কিন্তু সিহঁতৰ চেহেৰা কি চাবা, একেবাৰে উইপোকটোহে যেন! + + +





OKDISCD

প্ৰবন্ধ

# ভাৰতবৰ্ষ আৰু নাগা জনসাধাৰণ/নেভিল মেক্সৱেল

অনুঃ মৃণাল দেউৰী

( যোৱা সংখ্যাৰ পিছৰ পৰা )

শাসিত জাতিৰ মনোভাবৰ লগত নিজৰ শাসনপ্ৰণালী খাপ খুৱাই বৃটিছে এক অলিখিত আইন গ্ৰহণ কৰিছিল—যে কোনো ভাৰতীয় অফিছাৰক পাৰ্বত্য জিলাসমূহত নিয়োগ কৰা নাযাব আৰু বৃটিছে শেষ পৰ্যন্ত সেই আইন মানি চলিছিল। আইনৰ বলত তেওঁলোকে এইটোও অব্যাহত ৰাখিছিল যে সমতল ভূমিৰ ব্যৱসায়ী আৰু পৰ্যবেক্ষকসকলে ( যি 'বাবু'সকলক নাগাসকলে সংগত-কাৰণতেই অপছন্দ কৰিছিল ) নাগালেণ্ডত প্ৰবেশ কৰি তেওঁলোকক শোষণ কৰিব নোৱাৰিব। 'এশ বছৰ ধৰি বৃটিছ ৰাজকৰ্মচাৰীসকলে পৰিশ্ৰম কৰিছিল যাতে নাগাসকলে তেওঁলোকৰ গোষ্ঠিগত বৈশিষ্ট্য অটুট ৰাখিব পাৰে আৰু 'সমতল-ভূমিৰ উপজাতি—যিসকল অস্পৃশ্য বুলি গণ্য আৰু মহাজন আৰু উচ্চ জাতিৰ লোকৰ অবাধ শোষণৰ চিকাৰ; তেওঁলোক যাতে সেই শোষণৰ বলি নহয়।'

বৃটিছসকলৰ সম্পৰ্কে যি অভিযোগ পৰবৰ্তীকালত প্ৰায়েই কৰা হয় যে তেওঁলোকে সমতল ভূমিৰ মানুহ আৰু নাগা আৰু অন্যান্য পাৰ্বত্য জাতিৰ মাজত এক ব্যৱধানৰ সৃষ্টি কৰিছিল—সেয়া সত্য নহয়। বৃটিছে দেখিছিল যে এই দুয়োৰে মাজত এক সাংস্কৃতিক দূৰত্ব ইতিমধ্যেই বিৰাজমান, ইয়াৰ মাজত তীব্ৰধৰণৰ পাৰস্পৰিক বিদ্বেষ আৰু পাৰ্বত্য সংস্কৃতি ধ্বংস হৈ যোৱাৰ সম্ভাবনা নিহিত আছে। পাৰ্বত্য মানুহৰ ক্ষতি কৰি এই দূৰত্ব তেওঁলোকে গুচাব বিছৰা নাই। কিন্তু শাসক হিচাবে তেওঁলোকৰ উপস্থিতিয়েই এনে এক পটভূমি নিৰ্মাণ কৰিছিল যিটোৱে নাগা আৰু অন্যান্য পাৰ্বত্য জাতিক সমভূমিৰ মানুহৰ পৰা; বিশেষকৈ হিন্দুসকলৰ পৰা বিচ্ছিন্নতাই এটা ৰাজনৈতিক চেহেৰা লৈছিল য'ত বৃটিছৰ উপস্থিতিয়েই উপমহাদেশখনৰ বিচ্ছিন্ন জাতিসত্বাসমূহৰ অধিকাংশৰ মাজত একাত্মতাৰ চেতনা আনি দিছিল, বৃটিছসকল গুচি যোৱাৰ সম্ভাবনাত বিভিন্ন নাগা উপজাতিৰ মাজত সেই একেই প্ৰতিক্ৰিয়াই দেখা দিলে। প্ৰথমে মিছনাৰীসকল, আমেৰিকান ধৰ্মপ্ৰচাৰকসকল এই দেশলৈ আহিছিল বৃটিছৰ পদাংক অনুসৰণ কৰি আৰু নাগাসকলেও এওঁলোকৰ প্ৰতি সদ্ভাবেই দেখুৱাইছিল। খৃষ্টান ধৰ্ম, আৰু সাক্ষৰতাই উপজাতিসমূহক দ্ৰুতগতিত ঐক্যবদ্ধ কৰিলে। এই সাধাৰণ সাংস্কৃতিক ভিত্তিয়েই হয়তো পাৰস্পৰিক যুদ্ধত উপজাতিসমূহৰ মাজত ঘুমন্ত সাম্প্ৰদায়িক চেতনা জগাই তুলিছিল। ১৯২০ আৰু ১৯৩০ ৰ দশকত যেতিয়া বুজা গ'ল, বৃটিছ শাসনৰ সূৰ্যাস্ত আৰম্ভ হৈছে, তেতিয়াৰ পৰাই নাগা জাতিয়তাবাদে এটা পৰিস্কাৰ আৰু সুদৃঢ় চেহেৰা ল'বলৈ আৰম্ভ কৰে।

১৯২৯ চনত সাংবিধানিক সংস্কাৰৰ বাবে গঠিত ছাইমন কমিছন যেতিয়া কোহিমালৈ যায়; তেতিয়াই প্ৰথম এই জাতিয়তাবাদ প্ৰকাশ পায়। নিঃসন্দেহে বৃটিছ শাসকসকলৰ সন্মতিক্ৰমেই এটি নাগা প্ৰতিনিধিদলে নতুন কোনো সাংবিধানিক ব্যৱস্থাত অসমৰ অংশ ল'বলৈ অনিচ্ছা প্ৰকাশ কৰে আৰু আবেদন জনায় যে বৃটিছসকল যদি গুচি যায়, নাগাসকলে যেন তেওঁলোক অহাৰ পূৰ্বৰ স্বাধীনতা ঘূৰাই পায়। 'তোমালোকেই একমাত্ৰ জাতি, যি আমাক জয় কৰিছা। যেতিয়া তোমালোক যাবা আমি আগে যেনেদৰে আছিলো, তেনেদৰেই যেন থাকিবলৈ পাওঁ।'—এজন প্ৰতিনিধিয়ে কৈছিল। ১৯৩৫ চনৰ সংস্কাৰত ভাৰতৰ স্বায়ত্বশাসনৰ পৰিধি বিস্তাৰৰ সময়ত নাগা আৰু অন্যান্য উপজাতিসমূহক অসমৰ বাহিৰত ৰখা হৈছিল; সমতল অঞ্চলৰ অধীনলৈ অহাৰ ক্ষেত্ৰত তেওঁলোকৰ অনিচ্ছাক মানি লৈ বৃটিছে এই সমস্ত অঞ্চলটোৱেই শাসনত ৰাখিছিল।

## জাতীয় স্বাধীনতাৰ অভ্যুদয়

১৯৪০ চনত ভাৰতৰ স্বাধীনতা আগুৱাই অহাৰ লগে লগে নাগাসকলৰ ভবিষ্যত সম্পৰ্কীয় প্ৰশ্নটোও তীব্ৰ হৈ আহিল। বৃটিছসকলে, বিশেষকৈ যি সকলে তেওঁলোকৰ জীৱনৰ অধিকাংশ সময় নাগাসকলৰ মাজত কটাইছে—আশা কৰিছিল যে সমতল-ভূমিৰ পৰা নাগাসকলৰ নিৰাপত্তামূলক স্বাতন্ত্ৰ্য অটুট ৰখা হ'ব আৰু ইয়াক অক্ষুণ্ণ ৰখাৰ বাবে তেওঁলোকে নানাধৰণৰ প্ৰস্তাৱ আনিছিল। এটা প্ৰস্তাব আছিল: উত্তৰ-পূবৰ উপজাতি অঞ্চলসমূহক ভাৰতবৰ্ষৰ পৰা বিচ্ছিন্ন কৰি বৃটিছ অধিকৃত উপনিবেশ হিচাবে ৰখা হওক। অন্য এক প্ৰস্তাব আছিল, নাগাভূমিৰ সাৰ্বভৌমত্ব অক্ষুণ্ণ ৰাখিবলৈ বৃটেন, ভাৰতবৰ্ষ আৰু ব্ৰহ্মদেশৰ মাজত এটা ত্ৰিপক্ষীয় আলোচনা হওক। ভবিষ্যত সম্পৰ্কে নাগাসকলৰ নিজস্ব চিন্তা 'নাগা জাতীয় পৰিষদ' ( N N C )-ৰ চাৰিওফালে কেন্দ্ৰীভূত হৈছিল। এই সংগঠনটোৱে নাগাসকলৰ জাতীয়তাবোধ প্ৰকাশ আৰু নিয়ন্ত্ৰণ কৰিছিল, আৰু ইয়াতো নানা ধৰণৰ চিন্তাই দেখা দিছিল। পিছে সৰাতোকৈ প্ৰবল মতবাদটো হ'ল যে নাগাসকলৰ স্বাতন্ত্ৰ্য আৰু নিজস্ব অস্তিত্ব কেবল মাথো ৰাজনৈতিক স্বাধীনতাৰ অৰ্থাৎ এখন সাৰ্বভৌম ৰাষ্ট্ৰৰ স্বাধীনতাৰ মাৰফতহে ৰক্ষা কৰা সম্ভৱ। এইটো মতবাদ অৱশ্যে অধিকাংশ বৃটিছ, আনকি নাগাসকলৰ প্ৰতি সহানুভূতিসম্পন্ন বৃটিছসকলৰ বাবেও নাগা সমস্যা সমাধান সম্পৰ্কে যি মনোভাব আছিল তাৰ তুলনাত অধিকতৰ। দ্বিতীয় মহাযুদ্ধৰ সময়ত নাগাসকলে কহিমাত জাপানী হস্তক্ষেপৰ প্ৰতিৰোধ কৰিছিল আৰু নানানভাবে বৃটিছসকলক সাহায্য কৰিছিল। সেইফালৰ পৰা তেওঁলোকৰ সম্পৰ্কে বৃটিছৰ দায়িত্ব আছিল, কিন্তু তথাপি বৃটিছ সকলে যে তেওঁলোকৰ সাৰ্বভৌমত্বৰ দাবীত কোনোধৰণৰ সাহায্য কৰিছিল, তাৰ কোনো প্ৰমাণ দেখা নাযায়। স্বাতন্ত্ৰ্য, নিৰাপত্তা, স্বায়ত্ব শাসন—সকলো ঠিকেই, কিন্তু এটি ক্ষুদ্ৰ, অল্প অধ্যুষিত ৰাজ্যক সামগ্ৰিক স্বাধীনতা আৰু আনুসংগিক সকলো সুযোগ সুবিধা প্ৰদান কৰা ( এই অবস্থাত যিটো আকৌ সকলো সময়তেই

OKDISCD

বিঘ্নিত হোৱাৰ সম্ভাৱনা )-যি কোনো বৃটিছ অফিচাৰৰ বাবেই অতিৰিক্ত যেন লাগিছিল ।

নাগাসকলৰ দৃষ্টিকোণৰ ফালৰ পৰা— তেওঁলোকৰ অৱস্থাৰ পৰিপ্ৰেক্ষিতত— অৱশ্যে সাৰ্বভৌমত্বতকৈ কম বিছৰাৰ মানে হ'ল একেবাৰেই নিবিছৰা । তেওঁ-লোকৰ সম্মুখত আছিল এনে এক জাতিৰ শাসন যাক তেওঁলোকে বৃটিছসকলতকৈ বেছি নিজগৰ লোক বুলি ভাবিছিল আৰু যাৰ স্বাৰ্থ তেওঁলোকৰ স্বাৰ্থৰ সম্পূৰ্ণ বিপৰীত। বৃটিছে আইনৰ বলত আৰু কামে-কাজে নাগাভূমিক সমভূমিৰ পৰ্যবেক্ষক আৰু দখলকাৰীৰ হাতৰ পৰা দূৰত ৰাখিছিল আৰু সমভূমিৰ লোকক পাৰ্বত্য অঞ্চলত প্ৰৱেশ নিষিদ্ধ কৰি দিছিল । পৰবৰ্তী চৰকাৰ, যি প্ৰধানতঃ সমভূমিৰেই প্ৰতি-নিধিত্ব কৰিব, নাগাসকলৰ উন্নয়ন সম্পৰ্কে সম্পূৰ্ণ পৃথক দৃষ্টিভংগী গ্ৰহণ কৰিব পাৰে । এই চৰকাৰৰ ইচ্ছা আৰু কথা অনুযায়ী স্বায়ত্বশাসন তেওঁলোকক প্ৰদান কৰা হ'ব; কিন্তু সেইটো হ'ব অত্যন্ত ক্ষণস্থায়ী কথা । কেৱল মাথো সাৰ্বভৌম স্বাধীনতাৰ দ্বাৰাহে নাগাসকল নিশ্চিন্ত হ'ব পাৰিব ।

স্বাধীনতাৰ পূৰ্ববৰ্তী বছৰ কেইটাত নাগাসকল যিদৰে বৃটিছ পৰবৰ্তী ভাৰতত সংখ্যালঘু সম্প্ৰদায়ৰ ভৱিষ্যত লৈ উৎকণ্ঠিত হৈ আছিল, তেনেদৰে আৰু বহুতেই উদ্বিগ্ন হৈছিল। ক'ব পাৰি, স্বাধীনতাৰ দাবীৰ প্ৰধান বাধা আহিছিল সংখ্যালঘু সম্প্ৰদায়ৰ অধিকাৰ, প্ৰাদেশিক স্বায়ত্বশাসন আৰু কেন্দ্ৰীয় প্ৰভুত্ব আদি প্ৰশ্নৰ মাধ্যমেদিয়েই । যিসকলে নিজকে সংখ্যাগৰিষ্ঠৰ দলত বুলি গণ্য কৰিছিল, তেওঁ-লোকৰ পক্ষে, বৃটিছৰ হাতৰ পৰা স্বাধীনতা অৰ্জন কৰিব পৰাটোৱেই যথেষ্ট আছিল, কিন্তু বাকী অন্যান্যৰ বাবে— বিশেষতঃ, জিন্নাৰ নেতৃত্বাধীন মুছলমানসকলৰ বাবে বৃটিছৰ হাতৰ পৰা স্বাধীনতা পোৱাৰ অৰ্থ আছিল অন্য এক ধৰণৰ পৰাধীনতা । আনকি যুদ্ধ শেষ হোৱাৰ আগেই কংগ্ৰেছ নেতৃত্বৰ প্ৰশ্নৰ সমুখীন হ'ব লগা হৈছিল । আপাতদৃষ্টিত মুছলীম লীগৰ দেশবিভাজনৰ দাবীৰ বিৰোধিতা কৰি থাকিলেও, পৰবৰ্তী ভাৰতবৰ্ষ যে চিৰকাল এক আৰু অবিচ্ছিন্ন হৈ নাথাকিব, সেইটো কংগ্ৰেছ নেতৃবৃন্দই বুজিছিল । ১৯৪৪ চনত জেলত জহৰলাল নেহৰুৱে লিখিছিল— 'যি কোনো সুসংগঠিত অঞ্চলৰ ভাৰতীয় যুক্তৰাষ্ট্ৰৰ পৰা বিচ্ছিন্ন হোৱা অধিকাৰৰ প্ৰশ্ন প্ৰায়েই তোলা হৈছে আৰু ছোভিয়েট যুক্তৰাষ্ট্ৰই ইয়াৰ সপক্ষে যুক্তি প্ৰদৰ্শন কৰিছে । তেনে ধৰণৰ কোনো অধিকাৰ বাস্তৱক্ষেত্ৰত প্ৰয়োগ কৰাৰ আগেয়ে এখন স্বাধীন, কাৰ্যকৰী আৰু যথাযথভাৱে গঠিত ভাৰতবৰ্ষ থকা প্ৰয়োজন । যেতিয়া বহিৰাষ্ট্ৰৰ প্ৰভাৱ অন্তৰ্হিত হৈছে আৰু ইয়াকে লৈ সঁচাকৈয়ে সমস্যাৰ সৃষ্টি হৈছে, তেনে একমাত্ৰ এই প্ৰশ্নসমূহৰ বাস্তৱানুগ বিচাৰ, আজিৰ আৱেগ প্ৰৱণতাৰ পৰিৱৰ্তে তুলনামূলক নৈৰ্ব্যক্তিক বিচাৰ সম্ভৱ । অতএৱ, স্বাধীন ভাৰতীয় ৰাষ্ট্ৰ নিৰ্মাণ হোৱাৰ দহ বছৰৰ পিছৰ এটা সময় ঠিক কৰা যাব পাৰে, যেতিয়া যথাযথ সাংবিধানিক পদ্ধতিৰ মাধ্যমেৰে সংশ্লিষ্ট অঞ্চলসমূহৰ অধিবাসীক পৰিস্ফুট ইচ্ছানুযায়ী তেওঁ-লোকৰ বিচ্ছিন্ন হোৱাৰ অধিকাৰ কাৰ্যকৰী কৰা যাব পাৰে ।' (The Discovery of India) কংগ্ৰেছ কমিটিৰ অন্তৰ্ভুক্ত নেহেৰুৰ সহকৰ্মীসকল আছিল সেই একেখন জেলতে । তেওঁ ইয়াৰ পাণ্ডুলিপি তেওঁলোকৰ আগত পাঠ কৰিছিল আৰু তেওঁলোকে অনুমোদনো কৰিছিল । সেয়ে এইটোকেই কংগ্ৰেছৰ সেই সময়ৰ চিন্তাৰ দলিল হিচাবে ধৰা যায় । পিছলৈ কংগ্ৰেছৰ বক্তব্য আৰু কাৰ্যকলাপৰ মাজত পাৰ্থক্য দেখা গ'ল । ১৯৪৭ চনত নাগা প্ৰতিনিধিদল ভাবী ভাৰতীয় যুক্তৰাজ্যৰ পৰা বাহিৰত থকাৰ ইচ্ছা প্ৰকাশ কৰাৰ বাবে দিল্লীলৈ গৈছিল আৰু আশা কৰিছিল তেওঁলোকৰ অনুৰোধ মানি লোৱা হ'ব, সেই দিল্লী চফৰ কিন্তু সেই সময়ৰ ৰাজনৈতিক পৰিস্থিতিৰ বাবে অস্বাভাৱিক একেবাৰেই নাছিল ।

এই প্ৰতিনিধিদলৰ নেতৃত্ব কৰিছিল জেদ এ ফিজোৱে । নাগাসকলৰ সাৰ্ব-ভৌমত্বৰ পৰিপ্ৰেক্ষিতত ইতিমধ্যেই তেওঁ নেতা হিচাবে পৰিচিত হৈছিল । তেওঁলোকে জিন্নাক দেখা কৰে আৰু কয় যে তেওঁলোকেও ভাৰতৰ অন্তৰ্ভুক্ত হ'ব নিবিচাৰে । প্ৰকৃততে তেওঁলোকে পাকিস্থানৰ স্বাধীনতা দিৱস ১৪ আগষ্টৰ দিনা তেওঁলোকে নিজস্ব স্বাধীনতাও ঘোষণা কৰিবলৈ বিচাৰিছিল । ১৯ জুলাইৰ দিনা তেওঁলোকে গান্ধীক দেখা কৰে । ফিজোৰ কথাৰ উত্তৰত গান্ধীয়ে কৈছিল 'নাগাসকলৰ স্বাধীন হোৱাৰ সম্পূৰ্ণ অধিকাৰ আছে । আমি ব্ৰিটিছৰ শাসনাধীন হৈ থাকিব নিবিচাৰো আৰু এতিয়া তেওঁলোকে আমাক এৰি গৈছে । মই বিচাৰো যে তোমালোকে অনুভৱ কৰা ভাৰতবৰ্ষ তোমালোকৰ । মই ভাবোঁ যে নাগাপৰ্বত তোমালোকৰ বাবে যেনে, আমাৰ বাবেও তেনে । কিন্তু যদি তোমালোকে কোৱা যে সেইটো আমাৰ বাবে সম্ভৱ নহয়, তেনেহ'লে সিমানতেই ক্ষান্ত হোৱা উচিত । মই ভ্ৰাতৃত্বৰ আদৰ্শত বিশ্বাসী, কিন্তু বল বা বলপূৰ্বক ঐক্যত বিশ্বাসী নহয় । যদি তোমালোকে ভাৰতীয় যুক্তৰাজ্যত যোগ দিব নিবিচৰা, কোনেও তোমালোকক বাধ্য কৰিব নোৱাৰে ।

ফিজোৰ বিবৰণীত অবিশ্বাস কৰাৰ কোনো হেতু নাই । গান্ধীৰ বাবে বৰঞ্চ অন্য কোনো ধৰণৰ উত্তৰেহে তেওঁৰ চৰিত্ৰৰ লগত খাপ নাখায় । কিন্তু তিনি সপ্তাহৰ পিছত নাগাসকলে নেহেৰুৰ লগত দেখা কৰাৰ লগে লগেই শুনিলে বাস্তৱিকতে কংগ্ৰেছৰ নীতি কি আৰু কেনে ধৰণৰ হৈ থাকিব, "আমি তোমালোকক সম্পূৰ্ণ স্বায়ত্ব শাসন দিব পাৰোঁ, কিন্তু পূৰা স্বাধীনতা কেতিয়াও নহয়," — নেহেৰুৱে ক'লে । "তোমালোকে কেতিয়াও স্বাধীনতাৰ আশা নকৰিবা । ভাৰতৰ সৰু বৰ কোনো ৰাজ্যকেই স্বাধীনতা দিব পৰা নাযাব । সেই ধৰণৰ প্ৰৱণতা দমন কৰাৰ বাবে আমি আমাৰ সমস্ত প্ৰভাৱ আৰু সৰ্বশক্তি ব্যৱহাৰ কৰিম ।" নেহেৰুৱে সেই সময়ত হায়দৰাবাদৰ নিজাম আৰু অন্যান্য দেশীয় ৰাজ্য শাসিত অঞ্চলসমূহৰ উদ্দেশ্য সম্পৰ্কে অনিশ্চিতভাৱে কথা কৈছিল । নাগাসকলৰ অৱস্থাৰ মুখামুখি হোৱাটো সেই সময়ত তেওঁৰ বাবে বৃটিছ-পৰবৰ্তী ভাৰতৰ খণ্ড-বিখণ্ড অৱস্থা মাতি অনাৰ দৰে বোধ হৈছিল ।

পিছলৈ উভটি চালে দেখা যায়, নাগাসকলৰ বাবে এইটোৱেই আছিল সত্য উদ্ঘাটনৰ মুহূৰ্ত । যিটো তেওঁলোকে প্ৰথমেই ভয় কৰিছিল, আৰু ১৯২৯





OKDISCD

চনত প্ৰথম প্ৰকাশ কৰিছিল, সেইটো এতিয়া বাস্তৱিকতে ঘটিবলৈ আৰম্ভ কৰিছে। অন্যান্য সকলৰ স্বাৰ্থ আৰু দাবীয়ে তেওঁলোকৰ স্বাৰ্থ আৰু দাবীতকৈ উৰ্দ্ধ স্থান পাব। ভাৰতবৰ্ষৰ স্বাধীনতাৰ অৰ্থই হ'ল তেওঁলোকৰো সংযুক্তিকৰণ। কিন্তু নেহেৰু আৰু অন্যান্য ভাৰতীয়সকলৰ মনোভাব যেনেদৰে অনমনীয় আছিল, নাগাসকলৰো আছিল তদ্ৰূপ। নেহেৰুৰ লগত সাক্ষাতৰ পিছত নাগাসকলে সংবাদপত্ৰত এটি বিবৃতি দিছিল। তেওঁলোকে কৈছিল যে তেওঁলোকক স্পষ্টভাৱে বুজাই দিয়া হৈছে তেওঁলোকৰ দাবী পূৰা মানি লোৱা নহ'ব।

"যিহেতু নাগা জনসাধাৰণে তেওঁলোকৰ দাবীসমূহ সম্পূৰ্ণ মানি নল'লে অসন্তুষ্ট হ'ব, প্ৰতিনিধিসকলে স্থিৰ কৰিছে যে 'নাগা জাতীয় পৰিষদে' ইয়াৰ পিছৰ পৰাই নাগা জনসাধাৰণৰ ভৱিষ্যৎ সম্পৰ্কে নিজৰ প্ৰয়োজন অনুসৰিয়েই সিদ্ধান্ত ল'ব।" ফিজোৰ কথা অনুযায়ী NNC-ৰ নজন সদস্যৰ চহী সম্বলিত এখন টেলিগ্ৰাম কহিমাৰ পৰা ভাৰত চৰকাৰ আৰু জাতিসংঘৰ সচিবলৈ পঠোৱা হৈছিল। তাত লিখা আছিল—

'মণিপুৰৰ পাৰ্বত্য নাগা, কাছাৰ নাগা আৰু কন্যাক নাগাৰে সৈতে দক্ষিণৰ নাগাসকলে আজি ১৪ আগষ্ট, ১৯৪৭ চনত তেওঁলোকৰ স্বাধীনতা ঘোষণা কৰিছে।"

এই দাবী উপেক্ষা কৰা হৈছিল।

১৯৪৭ চনৰ আগষ্টত যদিও নেহেৰু-ঘোষিত 'স্বায়ত্বশাসনতকৈ বেছি একোৱেই নহ'ব'—অৱস্থাই অক্ষুণ্ণ থাকে, অন্যান্য বিকল্প প্ৰস্তাৱো নানান পৰ্যায়ত উত্থাপিত হৈছিল। বৃটিছ নিযুক্ত অসমৰ গভৰ্ণৰ ছাৰ আকবৰ হায়দাৰীয়ে ১৯৪৭ চনত NNC-ৰ নেতাসকলৰ লগত কথাবাৰ্তা চলায় আৰু জুন মাহত তেওঁলোকৰ লগত এটি ন-দফাৰ চুক্তিত চহী কৰে। ইয়াৰ প্ৰস্তাৱনাত আছিল—"নিজস্ব স্বাধীন ইচ্ছা অনুসাৰে নিজৰ উন্নয়নৰ সম্পৰ্কে নাগাসকলৰ অধিকাৰ মানি লোৱা হ'ল। প্ৰকৃততে এইটো আছিল ভাৰতীয় যুক্তৰাষ্ট্ৰৰ অন্তৰ্ভুক্ত অৱস্থাত নাগাসকলৰ স্বায়ত্বশাসন সম্পৰ্কিত এখন বিল। কিন্তু ইয়াৰ ৯নং অনুচ্ছেদত কোৱা হৈছে—"ভাৰতীয় যুক্তৰাষ্ট্ৰৰ চৰকাৰৰ প্ৰতিনিধি হিচাবে অসমৰ ৰাজ্যপালৰ দহবছৰ জুৰি এক বিশেষ দায়িত্ব থাকিব যাতে এই চুক্তি ঠিকমতে মনা হয়। এই কালছোৱাৰ শেষত NNC-ক সোধা হ'ব তেওঁলোকে এই চুক্তিৰ ম্যাদ আৰু বঢ়াব খোজে নে নাগা জনগণৰ ভৱিষ্যত সম্পৰ্কে অন্য কোনো নতুন চুক্তি কৰিব বিচাৰে।"

নাগাসকলৰ বাবে এই লাইনটোৱেই আছিল চুক্তিৰ সাৰমৰ্ম, আৰু তেওঁলোকে ভাবিছিল দহ বছৰৰ পিছত তেওঁলোকক ভাৰতীয় যুক্তৰাষ্ট্ৰৰ পৰা ওলাই অহাৰ অধিকাৰ প্ৰদান কৰা হৈছে। হায়দৰীয়ে নিজে এই ব্যাখ্যা সেই সময়ত গ্ৰহণ কৰিছিল নে নাই জনা নাযায়। যদি কৰিছিল, তেন্তে অতি সোনকালেই তেওঁ তাৰ পৰা আঁতৰি আহে। এইটোও হ'ব পাৰে যে এই চুক্তি কৰিবলৈ গৈ তেওঁ কেন্দ্ৰীয় চৰকাৰৰ পৰা পোৱা দায়িত্ব লংঘন কৰিছিল। ন-দফীয়া চুক্তি হোৱাৰ দিনাৰ পৰাই কেন্দ্ৰীয় চৰকাৰে নিশ্চিতভাৱে এইটো চুক্তিক মৃত চুক্তি (dead letter) হিছাবে গণ্য কৰিছিল যাৰ ফলত নাগা নেতৃবৃন্দ ক্ষুব্ধ হৈ উঠে। ইতিমধ্যে দিল্লীত



নিৰ্মিত আইন সভাৰ অধিবেশনত স্পষ্ট হ'বলৈ ধৰে যে ভাৰতীয় সংবিধানত নাগা-সকলৰ শাসন সম্বন্ধে যি ব্যৱস্থা গ্ৰহণ কৰা হ'ব সেয়া হাইদৰিৰ চুক্তিতকৈ একেবাৰে ওলোটা আৰু বিচ্ছিন্ন হোৱাৰ অধিকাৰত প্ৰকাশ্য বা প্ৰচ্ছন্ন কোনো সুবিধাই ৰখা নহ'ব। পিছে নাগাসকলক যে জোৰ কৰি ভাৰতৰ অন্তৰ্ভুক্ত কৰা হ'ব, সেই সম্পৰ্কে তেওঁলোকে সেই পৰ্যন্ত কোনো নিশ্চিত ইংগিত পোৱা নাছিল। উদাহৰণ স্বৰূপে, বাতৰি কাগজৰ ৰিপোৰ্ট অনুযায়ী গভৰ্ণৰ জেনেৰেল চি. আৰ. ৰাজাগোপালাচাৰীয়ে ১৯৪৯ চনৰ নবেম্বৰ মাহত এক নাগা প্ৰতিনিধিদলক কৈছিল যে, "তেওঁলোকৰ নিজৰ ইচ্ছামতে চলাৰ—ভাৰতৰ লগত অন্তৰ্ভুক্ত হোৱাৰ বা পৃথক হৈ থকাৰ—পূৰ্ণ স্বাধীনতা আছে—যদিহে তেওঁলোকে ভাবে যে পৃথক হৈ থাকিলে তেওঁলোকৰ সঁচাকৈয়ে স্বাৰ্থ সিদ্ধি হ'ব।" কিন্তু কথাৰে নহলেও, কাৰ্যক্ষেত্ৰত এনে ধৰণৰ প্ৰমাণেই বেছি হ'ব যে ভাৰত চৰকাৰে নাগা পৰ্বতমালাক তেওঁলোকৰ অধীনস্থ অন্যান্য অঞ্চলৰ দৰেই চাব বিচাৰিছিল। বৃটিছ আইন সভাৰ যি খন আইনে ভাৰতবৰ্ষক স্বাধীনতা প্ৰদান কৰে, সেই আইন অনুসাৰে পৰবৰ্তী চৰকাৰ পাকিস্থানৰ বাহিৰে বৃটিছ ভাৰতীয় ভূখণ্ডৰ সমস্ত অঞ্চলৰেই অধিকাৰী হ'ল। এই পটভূমিত নাগা পৰ্বতমালা বৃটিছৰ দ্বাৰা আগেয়ে পূৰাপুৰি শাসিত হৈছিল নে নাই সেই প্ৰশ্ন অবান্তৰ, মূল কথা হ'ল, বৃটিছে নাগাসকলক তেওঁলোকৰ অধীনস্থ বুলিয়েই গণ্য কৰিছিল।

নাগা পৰ্বতলৈ পৰিবৰ্তন লগে লগেই অহা নাছিল। তাত শাসন বিভাগত কেৱল মাত্ৰ দুজন বৃটিছ অফিচাৰ আছিল। আৰু দুজন উচ্চপদস্থ শাসক প্ৰায় সকলো সময়তেই পাৰ্বত্য জাতিৰ মানুহৰ মাজৰ পৰা লোৱা হয়, অন্ততঃ এজন হ'লেও নাগা আছিল। প্ৰধান শাসনভাৰ অৰ্পিত হৈছিল দোভাষীৰ হাতত, যিজনক প্ৰথমতঃ দোভাষী হিচাবেই নিয়োগ কৰা হৈছিল—তেওঁৰ হাততে কাজিয়া পেচালো মকামিলা কৰাৰ দায়িত্ব দিয়া হৈছিল আৰু তেওঁৰ লগত আছিল মুৰব্বী হিচাবে গাঁওবুঢ়া। নাগা গাঁওসমূহৰ সম্পূৰ্ণ গণতান্ত্ৰিক গঠনৰ বাবে সংশ্লিষ্ট শাসনপ্ৰণালী আছিল কৃত্ৰিম। বৃটিছ নাগা সকলৰ উন্নয়নৰ পৰিবৰ্তে তেওঁলোকক শোষণৰ পৰা বচোৱা সংক্ৰান্ততেই অধিক মনযোগী আছিল। হায়দৰি গভৰ্ণৰ থকা কালছোৱাত এই ব্যৱস্থাৰ কোনো সাল-সলনি হোৱা নাছিল, কিন্তু ১৯৪৮ চনত তেওঁৰ মৃত্যুৰ পিছতে সেই একে বছৰতেই অসমৰ প্ৰথম মুখ্যমন্ত্ৰী অধিস্থিত হোৱাৰ লগে লগে সকলো ধৰণৰ নতুন নীতি গ্ৰহণ কৰিবলৈ ধৰিলে। ইতিমধ্যেই এৰি যোৱা বৃটিছৰ ঠাই দখল কৰিলেহি ভাৰতীয়সকলে। ইয়াৰ পিছৰ পৰা অন্যান্য পদো দখল কৰিলেহি সমভূমিৰ মানুহেই। ইমানদিনে এই পদবোৰ নাগা মানুহেই পায় আছিল। শাসন নীতিলৈও পৰিবৰ্তন আহিল। ব্যৱস্থাৰ পৰিবৰ্তন নহলেও নাগাসকলে সেইটো অনুভৱ কৰিছিল। তেওঁলোকৰ প্ৰতিবাদৰ উত্তৰ স্বৰূপে শুনিবলৈ পালে যে বৃটিছৰ লগে লগে তেওঁলোকৰ শাসননীতিও গৈছে। নতুন নীতিৰ লগত খাপ খুৱাই ল'বৰ বাবে তেওঁলোকক উপদেশ দিয়া হ'ল। অসমৰ মুখ্যমন্ত্ৰীয়ে মুককচাং নামৰ এখন নাগা জিলাত ভ্ৰমণ কৰিছিল আৰু



OKDISCD

প্ৰকাশ্যভাৱেই তেওঁক বিৰূপ সম্বৰ্ধনা জনোৱা হৈছিল। উভটি আহি তেওঁ সেই জিলাত পুলিছ চকী বহুৱালে! সমভূমিত এই জাতীয় কাৰ্যবিধি স্বাভাবিক— স্থানীয় মানুহৰ লগত পুলিছে কেনেদৰে ব্যৱহাৰ কৰে তাৰ ওপৰত নিৰ্ভৰ কৰিয়েই শান্তিস্বৰূপে পুলিছ নিয়োগ কৰাৰ তাৎপৰ্য নিৰ্ভৰ কৰে, কিন্তু পাৰ্বত্য অঞ্চলত এই জাতীয় পন্থা আছিল পুৰণি শাসন ব্যৱস্থাৰ ঘোৰতৰ পৰিপন্থী। এইদৰে শাসকসকলক জোৰজবৰ বাধ্য কৰা বহু প্ৰচেষ্টাৰ প্ৰথমটি আৰম্ভ কৰা হ'ল আৰু অৱশ্যেই ফলত নাগাসকল আৰু বেছি প্ৰতিজ্ঞাবদ্ধ হ'ল যে ভাৰতীয়ৰ লগত তেওঁলোকে কোনো সংস্ৰৱ নাৰাখিব।

নিৰ্মীয়মান আইনসভালৈ NNC-ক প্ৰতিনিধি পঠাবলৈ কোৱা হ'ল, কিন্তু তেওঁলোকে প্ৰত্যাখ্যান কৰিলে। ১৯৫০ চনৰ ২৬ জানুৱাৰীত যেতিয়া নতুন সংবিধান প্ৰবৰ্তন হ'ল, ইয়াৰ ঠিক আগেই নাগাসকলে অন্য এটা বিবৃতি প্ৰচাৰ কৰিলে। আন্তৰ্জাতিক সংবাদপত্ৰত এই বিবৃতি প্ৰকাশিত হ'ল—'নাগাসকল এক স্বাধীন ৰাষ্ট্ৰ হৈ থাকিব। ভাৰতীয় সংবিধানে নাগাসকলক বান্ধি ৰাখিব নোৱাৰে। ভাৰতবৰ্ষৰ প্ৰতি এই আবেদন হ'ল যে প্ৰজাতন্ত্ৰ দিবসৰ দিনা নাগাসকলক স্বাধীনতা বাছি লোৱাৰ স্বাধীনতা প্ৰদান কৰা হওক।'

এই অৱস্থাক আইনানুগ কৰিবলৈ আৰু সমগ্ৰ নাগাজাতিৰ পক্ষৰ পৰা যে এই কথা কোৱা হৈছে, সেইটো প্ৰমাণ কৰিবৰ বাবে NNC-য়ে গণভোটৰ আয়োজন কৰিলে। টীপ-চহীৰে ভোট দি (কেৱল মাথোঁ নিৰক্ষৰতাৰ বাবেই নহয়, যাতে কোনো ধৰণৰ জালিয়াতিৰ অভিযোগ নুঠে।) নাগাসকলে বিপুল সংখ্যা বা ক'ব পাৰি, একেলগে ভাৰতবৰ্ষৰ পৰা স্বাধীন হোৱাৰ সপক্ষে ভোট দিলে। দিল্লী চৰকাৰক পৰ্যবেক্ষক পঠাবলৈ অনুৰোধ কৰা হৈছিল। কিন্তু তেওঁলোকে সেই অনুৰোধ আৰু সেই গণভোট অস্বীকাৰ কৰে। সংবাদপত্ৰত কেৱল জনোৱা হয়, 'উপজাতিসকলক কমিউনিষ্টসকলে উচটাইছে, সেই ঘটনাত চৰকাৰ উদ্বিগ্ন।' ১৯৫১ চনৰ ডিচেম্বৰত NNC-ৰ এক প্ৰতিনিধিদলে অসম গৱৰ্ণৰক এই গণভোটৰ ফলাফল জনায় আৰু উত্তৰত জানে যে চৰকাৰে ইয়াক স্বীকাৰ নকৰে। এজন চৰকাৰী মুখপাত্ৰই কৈছিল যে NNC, উপজাতিৰ মাজৰ মুষ্টিমেয় সংখ্যক শিক্ষিত ক্ষমতান্বেষীসকলৰ দ্বাৰা গঠিত। ভাৰতীয় সংবিধানৰ ৬ষ্ঠ অনুচ্ছেদত নাগাপৰ্বতক অসমৰ উপজাতি অঞ্চলৰ এটি অংশ হিচাবে দেখুওৱা হয়। কেন্দ্ৰীয় চৰকাৰে গৱৰ্ণৰৰ জৰীয়তে তাক তত্ত্বাৱধান কৰিব। + +

( আগলৈ )



# পুথি আলোচনা

## My years in an Indian prison.

—Mary Tyler

( Penguin Books 1978, p,218 )

১৯৬৭ চনত নক্সালবাৰী অঞ্চলত আৰম্ভ হোৱা কৃষি বিপ্লৱে গোটেই ভাৰতবৰ্ষতে বিশেষ উত্তেজনা জগাই তুলিছিল। স্বাভাৱিকতে কলিকতা চহৰ এই বৈপ্লবিক ঢৌৰ প্ৰধান কেন্দ্ৰ হৈ উঠিছিল। ১৯৬৯-৭০ চনত কলিকতাত বিৰাট উত্তেজনা আৰু উচ্ছ্বাস। বেৰত প্ৰকাণ্ড শ্ল'গান আৰু পষ্টাৰ, মিছিল, প্ৰতিদিনে সংঘটিত হোৱা একচন আৰু ইয়াৰ প্ৰতিশোধমূলক প্ৰতিবিপ্লৱী প্ৰতিক্ৰিয়া আৰু অতি মন কৰিবলগীয়া কথা, স্কুল-কলেজ, ইউনিভাৰ্ছিটিৰ পৰা হাজাৰ হাজাৰ ছাত্ৰ-ছাত্ৰীয়ে পঢ়া-শুনা এৰি প্ৰাণ ঢালি বিপ্লৱৰ কামত যোগ দিছেহি, চহৰ এৰি গাঁৱৰ পিনে খোজ লৈছে। এই সময়ত হাজাৰ হাজাৰ ডেকা-গাভৰুৱে বিচাৰ নোহোৱাকৈ পুলিছৰ গুলিত মৃত্যু হৈছে। আৰু কিমান হাজাৰে বিজাৰে ডেকা-গাভৰুৱে বেড়ি, শিকলিৰে বন্ধা অৱস্থাত কত বছৰ পচিব লগীয়া হৈছে। এই বিষয়ে বেছিভাগ মানুহেই ইমাৰ্জেন্সিৰ পাছৰ পৰাহে ভালদৰে জানিব পাৰিছে। এই বৈপ্লবিক পৰিস্থিতিত ১৯৬৯ চনত এজনী ইংৰাজ ছোৱালী মেৰী টাইলাৰ আহি ভাৰতবৰ্ষ ওলালহি। আন বহুতো টুৰিষ্টৰ নিচিনাকৈয়েই তেওঁ ভাৰতবৰ্ষ চাবলৈ আহিছিল। অৱশ্যে তেওঁৰ এটা বিশেষ ব্যক্তিগত কাৰণো আছিল। পশ্চিম জাৰ্মানীত ফুৰোতে ১৯৬৭ চনত তেওঁৰ বাঙালী ইঞ্জিনিয়াৰ অমলেন্দু সেনৰ লগত পৰিচয় ঘটিছিল। মনৰ মিল থকা হেতুকে চিঠিৰ জৰিয়তে তেওঁলোকে সম্বন্ধটো চলাই আছিল আৰু এতিয়া অমলেন্দুৰ নিমন্ত্ৰণত মেৰী টাইলাৰে কামৰ পৰা ছমাহৰ ছুটি লৈ নিজ চকুৰে ভাৰতৰ আচল ৰূপ চাবলৈ আহিছিল।

দেখিলে, এফালে সীমাহীন দৰিদ্ৰতা, দুখ-যন্ত্ৰণা যাৰ সমাধান বৰ্তমান প্ৰচলিত ভাৰতীয় সমাজ ব্যৱস্থাত হোৱা অসম্ভৱ; আনহাতে দেখিলে, এচাম আদৰ্শবাদী বিপ্লৱীয়ে নতুন ভাৰত গঢ়াৰ আদৰ্শত সশস্ত্ৰ বিপ্লৱৰ পথত আগবাঢ়িছে। তেওঁৰ জীৱনৰ, যৌৱনৰ পাঁচোটা ঘূৰাই পাব নোৱৰা বছৰ বিহাৰৰ জেলত পচি থাকিবলগীয়া হ'ল। ২৫,০০০-ৰ পৰা ৫০,০০০ ডেকা বিপ্লৱীয়ে দহ বছৰ পৰ্যন্ত অমানুষিক কষ্টত স্বাধীন ভাৰতৰ জেলত প্ৰাণ, শক্তি আৰু দেহা নষ্ট কৰিবলগীয়া হৈছে। মেৰী টাইলাৰৰ কিতাপখন এই হাজাৰ হাজাৰ ৰাজনৈতিক বন্দীৰ



OKDISCD

দুৰবস্থা গণতন্ত্ৰপ্ৰেমী ভাৰতীয় ৰাইজৰ আগত ডাঙি ধৰাৰ উদ্দেশ্যেই লেখা হৈছিল। যদিও, বহুত সংখ্যক ৰাজনৈতিক বন্দীক ইতিমধ্যে মুক্তি দিয়া হৈছে মেৰী টাইলাৰৰ কিতাপখনৰ তাৎপৰ্য্য এতিয়াও অকণো কমা নাই, কাৰণ এই সময়ছোৱাৰ ভিতৰত ভাৰতীয় সমাজত একো মৌলিক পৰিবৰ্তন হোৱা নাই। যি সামাজিক ব্যবস্থাই হাজাৰ হাজাৰ ডেকা-গাভৰুক নক্সালপন্থী কৰি তুলিছিল আৰু যি সমাজ ব্যবস্থাই তেওঁলোকক গুলি, অত্যাচাৰ আৰু জেলত ভৰাই দমন কৰিছিল, সেই একে ব্যবস্থা এতিয়াও একেদৰে চলি আছে।

কিতাপখনত ৰাজনৈতিক দিশ প্ৰায় অবহেলা কৰিলেও বিভিন্ন দিশৰ পৰা ই এখন লেখত লবলগীয়া কিতাপ। মেৰী টাইলাৰে নিজেও নক্সালবাৰী আন্দোলনৰ ৰাজনৈতিক দিশটোত জোৰ দিয়া নাই। কিতাপখন লিখাৰ সময়ত ভাৰতত ইমাৰ্জেন্সি চলি আছিল, যদিও তেওঁ মুক্তি পাইছিল, মাকৰ আকস্মিক মৃত্যুৰ পাছতেই। গ্ৰেপ্তাৰ কৰাৰ কিছু দিনৰ আগতে বিয়া কৰোৱা গিৰীয়েক অমলেন্দু সেন আৰু একেলগে বন্দী হোৱা মানুহবোৰ তেতিয়াও জেলতেই আছিল। তদুপৰি তেওঁলোকৰ ওপৰত কেইবাটাও গুৰুতৰ অপৰাধৰ মোকৰ্দমা চলি আছিল। নক্সালপন্থীৰ গতি বা আন্দোলনৰ ইতিহাস জানিব খুজিলে ইয়াত পাঠক হতাশ হ'ব। বহুত কথা মেৰী টাইলাৰে কোৱা নাই, আৰু ওপৰৰ কাৰণৰ পৰা বুজা যায় যে তেওঁ কবও নোৱাৰে। চীনৰ বিপ্লবৰ ৰণনীতিগত কৌশলে যিমান শিকাইছে তাত যোগ দিয়া বিপ্লবী-সকলৰ আদৰ্শমূলক জীৱনেও আমাক অনুপ্ৰাণিত কৰিছে। মেৰী টাইলাৰৰ কিতাপ-খনৰ পৰা বিপ্লবী মনস্তত্ব সম্পৰ্কে ধাৰণা কৰিব পাৰি। কাৰাগাৰৰ ভিতৰত মেৰী টাইলাৰৰ নিজৰ কাম-কাজৰ পৰা আৰু তেওঁ অঁকা কল্পনা আৰু জীৱনৰ ছবিৰ পৰা বৈপ্লবিক চৰিত্ৰৰ এটা আভাও পোৱা যায়। জনসাধাৰণৰ আস্থাভাজন আৰু বিশ্বাসভাজন হ'বলৈ আৰু দীৰ্ঘকাল জুৰি এই অবস্থা আৰু অটুট বিশ্বাস ৰাখিবলৈ যি সততা, আন্তৰিকতা, ধৈৰ্য আৰু মানুহৰ প্ৰতি মৰম আৰু সহানুভূতি লাগে এইবোৰ গুণৰ উপৰিও তেওঁলোকৰ আছে এটা অদ্ভূত কাঠিন্য আৰু ধৈৰ্য শক্তি যাৰ ফলত জেলৰ পৰা হাঁহিমুখে ওলাই আহিব পাৰে। কিন্তু তথাপি জেলত ভোগা যন্ত্ৰণাৰ কথা মেৰী টাইলাৰে লুকাই ৰখা নাই।

পৰমাণু এটা অধ্যয়ন কৰি যেনেকৈ গোটেই বস্তুটোৰে ধৰ্মখিনি বৈজ্ঞানিকে বুজিব পাৰে মেৰী টাইলাৰে একেদৰেই বিহাৰৰ হাজাৰীবাগ আৰু জামছেদপুৰ জিলাৰ মহিলা ৱাৰ্ডৰ সহবন্দিনীবোৰক এনে বৈজ্ঞানিক অথচ সহানুভূতিশীল চকুৰে চায়েই বৰ্তমান ভাৰতীয় সমাজৰ যেনেকুৱা বাস্তৱ চিত্ৰ এখন ডাঙি ধৰিব পাৰিছে বহুতো ভাৰতীয় বুদ্ধিজীৱীয়ে থতমত খাবলগীয়া! স্বাধীন মনৰ মেৰী টাইলাৰে বন্দীয়ে ঠাহ খাই থকা জেলৰ ৱাৰ্ডতে ভাৰতীয় সমাজৰ আচল ৰূপ বুজিবলৈ প্ৰচেষ্টা চলাই দিলে আৰু সম্বলো পালে যথেষ্ট। কাৰাগাৰৰ বাহিৰত বহুতো কথাৰ আচল ৰূপ ৰং-চং, হাই-হুলস্থূলৰ মাজত ঢাক খাই থাকে, কিন্তু জেলৰ ভিতৰত, জেলৰ শিলৰ ইটাৰ দেৱালৰ দৰে উলংগভাবে সমাজৰ হিংস্ৰমূৰ্তি আৰু কুৎসিত চেহেৰাটো ওলাই পৰে। দুকঠা মাটিৰ খোৱা-কামোৰাৰ যুঁজত এজন কুটুমৰ





মৃত্যু ঘটোৱাৰ অপৰাধত মাক-দেউতাক আৰু তিনিটা ডেকা ল'ৰাৰ পৰিয়াল এটাৰ প্ৰত্যেকেই কিছু বছৰকৈ কাৰাদণ্ড ভুগিছে আৰু দুজনী গাভৰু-ছোৱালী বাহিৰত সম্পূৰ্ণ অকলশৰীয়া হৈ আছে। সমাজৰ কঠোৰ। ক্ষমাহীন ব্যবস্থা সহিব নোৱাৰি মাকে গৰ্ভৱতী, অবিবাহিতা জীয়েকক হাবিত শিলেৰে খুন্দিয়াই হত্যা কৰিছে, সামান্য চুৰিৰ কাৰণে পাঁচ বছৰ পৰ্যন্ত বিচাৰ নোহোৱাকৈ জেলত আবদ্ধ হৈ আছে। আমি এইবোৰ ঘটনা উপন্যাসতহে পঢ়িছিলো, মেৰী টাইলাৰে এনেবোৰ অপৰাধীক মৰম কৰিছিল, সান্ত্বনা দিছিল। আমাৰ সমাজৰ জটিল সমস্যাবোৰ— ভূমিহীনতা, সামাজিক দুৰ্নীতি, অপসংস্কাৰ আদি বুজিবলৈ আৰু কি উদাহৰণ লাগে? মেৰী টাইলাৰ আচৰিত হৈছিল, আমি কিন্তু আচৰিত নহওঁ যে জেলৰ ভিতৰত জাত-পাত-বৰ্ণৰ শিপাই লোৰ শিকলিতকৈও টনটনীয়াকৈ শিপাই আছিল। আনহাতে জেলৰ কৰ্মচাৰীৰ—একেবাৰে কয়দী-ৱাৰ্ডাৰ, মেট্ৰনৰ পৰা ছুপাৰিণ্টেণ্ডেণ্ট পৰ্যন্ত—দুৰ্নীতিৰ যি বজাৰ চলিছিল ই আমাৰ সৰ্বভাৰতীয় দুৰ্নীতিমূলক অনুষ্ঠানবোৰৰেই এটা সৰু সুৰা সংস্কৰণ। যেতিয়া দাৰাই আৰু পথাৰ অভাবত বন্দীয়ে মৃত্যুৰ কাষ চাপে, যেতিয়া কিঞ্চিত ৰেহাই দিব পৰা দৰবৰ বড়ি এটা বা বেজী এটাৰ অভাবত কষ্ট ভুগিব লাগে তেতিয়া বন্দীলৈ বুলি অনা দৰৱ বিক্ৰী কৰি ধনী হোৱা মানুহৰ প্ৰতি ঘৃণা প্ৰকাশ কৰিবলৈ শব্দ বিচাৰি নোপোৱাৰ অবস্থা হয়। বন্দীৰ ভাগৰ খাদ্য, দৰৱ, কাপোৰ চুৰ কৰাটো সদায় ঘটা কথা, কাৰো গাত নালাগে। এবাৰ জৰত কাহি থকা বন্দিনীৰ কাৰণে কাপোৰ বিচাৰোতে সহকাৰী জেইলাৰে ভেকাহি মাৰি কৈছিল বাহিৰতনো সিহঁতে কি পিন্ধে বুলি। মেৰী টাইলাৰে বিদ্ৰূপৰ সুৰত লিখিছে যে সেই সময়ত 'গৰিবী হটাও'ৰ শ্লোগান দিয়েই কংগ্ৰেছে নিৰ্বাচনত জয়লাভ কৰিছিল। কাৰাগাৰৰ বাহিৰত যি অবিচাৰ, শোষণ-দুৰ্নীতি আৰু কষ্ট, কাৰাগাৰৰ বাহিৰতো একেই।

ইমাৰ্জেন্সিৰ ভিতৰত বহু ৰাজনৈতিক কৰ্মী, ৰাজনৈতিক নেতা, অধ্যাপক, শিক্ষক, ছাত্ৰই জেলৰ ভিতৰখন দেখিছিল। ওলাই অহাৰ পাছত কাৰাগাৰৰ চিঠিও লিখিছিল। পিছে বেছি ভাগেই প্ৰথম শ্ৰেণী, দ্বিতীয় শ্ৰেণী নহ'লেও ৰাজনৈতিক বন্দীৰ সমান পাইছিল। স্বাভাবিকতে এওঁলোক ইবিলাক বন্দীৰ পৰা আঁতৰ হৈ পাৰছিল। মেৰী টাইলাৰে কেতিয়াও ৰাজনৈতিক বন্দীৰ সন্মান পোৱা নাছিল। কাৰণ নক্সালপন্থীক ৰাজনৈতিক বন্দী বুলি গণ্য কৰা নাছিল। আনকি বৃটিছ প্ৰজা হিচাবেও তেওঁ একো বিশেষ সা-সুবিধা পোৱা নাছিল। আনবোৰ কয়দী আৰু বিচাৰাধীন বন্দীৰ দৰেই তেৰোঁ পাইছিল পোকে খোৱা চাউল, আটা-ডাইল, তৰকাৰী, ডাঠ কপাহী শাৰী, আৰু ঠাণ্ডা শিলৰ মাটিত বিচনা। কোনো ওজৰ-আপত্তি নকৰাকৈ হাঁহি-মাতি কয়দী-হত্যাকাৰিণী, চুৰুনী ডকাইতনীৰ লগত পাঁচটা বছৰ সুখ-দুখৰ ভাগ লৈ কটালে, লগে ভাগে দৰ্শন-প্ৰাৰ্থীৰ কাৰণে পিঠা ভাজি, বন্দিনীৰ কেচুৱাওঁতে, কেচুৱাৰ জৰ হওঁতে বা কাৰোবোৰ বেমাৰত মনপ্ৰাণ ঢালি সহায়-শুশ্ৰূষা কৰি ভাৰতীয় মানুহৰ লগত এক হৈ যাব পাৰিছিল।





OKDISCD

ইমাৰ্জেন্সিৰ আগতে আৰু মাজতো ৰাজনৈতিক বন্দীৰে ভাৰতৰ জেলবোৰ ভাৰ পৰিছিল। মেৰী টাইলাৰ থকা হাজাৰীবাগ জেলতো এই বিধৰ বন্দী বহুতো মহিলা-ৱাৰ্ডত কম সময়ৰ কাৰণে বাস কৰিছিল। সুন্দৰ সাজ-পোছাক পিন্ধা, গোন্ধত আমোলমোলাই থকা পৰীৰ দৰে সাজি-কাচি থকা এগৰাকী কয়লাখনিৰ ট্ৰেড ইউনিয়নৰ নেত্ৰীয়ে হত্যাৰ অপৰাধত জেলত কেইদিনমান কটাই অৱশেষত ঘৰখন সজাৰ পৰা বয়-বস্তু লৈ জেলৰ পৰা মুক্তি পালে। সদায় ৰাতিপুৱা তেওঁ দিয়া বজাৰৰ তালিকাৰ বস্তুবাহানি তেওঁক যোগান ধৰা হয়, আন কয়দীৰ হতুৱাই তেওঁৰ যাবতীয় কাম-কাজবোৰ কৰোৱা হয়। পিছত মেৰী টাইলাৰে গম পালে যে তেওঁ বিধান সভাৰ সদস্যা নিৰ্বাচিত হয় আৰু তেওঁৰ বিৰুদ্ধে থকা হত্যাৰ কেছটো নাইকিয়া হৈ যায়। আৰু এগৰাকী অতি ধাৰ্মিক ছি. পি. আই. মহিলা এম. এল. এ ও কিছুদিনৰ বাবে জেইলত আছিলহি। এওঁ কাহানিও মাৰ্ক্স, লেনিন, এংগেল্‌ছৰ নাম শুনা নাই। মেৰী টাইলাৰ বিৰক্ত হৈছিল, ৰাজস্থানত ঘটোৱা পাৰমাণবিক বিস্ফোৰণৰ সময়ত। এহাতে দাৰিদ্ৰ-দুৰ্ভিক্ষ, আনহাতে কুৰি শতিকাৰ আধুনিকতম্ জটিল অথচ অৰ্থহীন কাৰিকৰী বিদ্যা জাহিৰ কৰাৰ বিলাস!

অৱশ্যে আমি পাহৰিব নালাগে যে যিমানেই ভাষা-সংস্কৃতিৰ ভেদ ভাঙি দুলালী, জেবুনিছা, মোহিনী, পানো, মতীৰ অন্তৰত সোমাবলৈ সমৰ্থ নহওক লাগে মেৰী টাইলাৰ আচলতে ৰাজনৈতিক বন্দী, আৰু স্বাভাৱিকতে তেওঁৰ নিজৰ নিচিনা ৰাজনৈতিক ভাবে সচেতন সহকৰ্মী বন্দী-বন্দীনীৰ লগত জেলৰ ভিতৰত বিশেষ সম্পৰ্ক গঢ়ি তুলিছিল। বীণা আৰু কল্পনাই, দুয়ো দুটা বিপৰিত সামাজিক অৱস্থাৰ পৰা আহি নক্সালপন্থী আন্দোলনত যোগ দিছেহি। বীণা পশ্চিমবংগৰ দুখীয়া খেতিয়কৰ নিৰক্ষৰ ছোৱালী, জীৱনৰ সমস্ত তিক্ত অভিজ্ঞতা, ভোক, অভাৱ, সমাজৰ অত্যাচাৰৰ পৰা মুক্তিৰ সংগ্ৰামৰ পথ বিচাৰি পালে! কল্পনা কলিকতাৰ অৱস্থাপন্ন মধ্যবিত্ত পৰিয়ালৰ শিক্ষিত জিয়াৰী, যি বিবেকৰ টানত মধ্যবিত্ত সংসাৰৰ নিৰাপত্তা এৰি কলিকতাৰ কুখ্যাত বস্তিত কামত লাগিছিল। দুয়োৰে পৰা মেৰী টাইলাৰে বহুত শিকিছিল, পাৰ্টিৰ বিষয়ে, পাৰ্টিৰ কৰ্মীৰ বিষয়ে, কেনেকৈ সহজে কাৰাগাৰৰ জীৱনৰ লগত খাপ খাই যাব পাৰি ইত্যাদি। তেওঁলোকে ভাৰতীয় সমাজৰ বৈশিষ্ট্যবিলাকৰ লগত মেৰী টাইলাৰক চিনাকি কৰি দিছিল। বীণাৰ কথাবতৰাৰ পৰা বীণাৰ কামকাজ দেখি দেখি তেওঁ ভাৰতৰ গাঁৱৰ অৱস্থা, গাঁৱলীয়া মানুহৰ ভাবধাৰা, চিন্তা, সমস্যা আদিৰ বিষয়ে বহুতকথা শিকিলে। কিতাপখনৰ অ'ত ত'ত সিঁচৰিত অৱস্থাত মেৰী টাইলাৰে সৰলভাবে স্বীকাৰ কৰিছে যে আগেয়ে আকস্মিকভাবে অহা ধুমুহা-বৰষুণ এজাকত তেওঁ বৰ আনন্দ পাইছিল, জেলৰ জীৱনৰ একঘেঁয়া গতিত ই নতুনত্ব অনাৰ বাবে। পিছে অসময়ত অহা ধুমুহা-বৰষুণে খেতি নষ্ট কৰিব পাৰে বুলি বীণাৰ চিন্তিত অৱস্থা দেখি মেৰী টাইলাৰে নিজেও চিন্তা কৰিবলৈ ধৰিলে। তেতিয়াহে আগতে কাহানিও খেতি নেদেখা ছোৱালীজনীয়ে

৮৫ পৃষ্ঠাত চাওক)



# দুই বৃহৎ শক্তিৰ ৰণভূমি আফ্ৰিকা (৪)

ভাৰ্গৱ গোস্বামী

সাম্ৰাজ্যবাদৰ আশীষ ধন্য হৈয়ে দক্ষিণ আফ্ৰিকাই নিজৰ দেশখনত সংখ্যাগৰিষ্ঠ কৃষ্ণাংগসকলক দাস অৱস্থাত বন্দী কৰি ৰাখিবৰ বাবে বিভিন্ন নিপীড়নমূলক আইন-কানুন চালু কৰি অহাৰ উপৰি অবৈধভাবে নামিবিয়াকো (দক্ষিণ পশ্চিম আফ্ৰিকা) চামিল কৰি লৈ সেই দেশলৈও বৰ্ণবৈষম্যবাদী নীতি আৰু সমস্ত নিপীড়ন-মূলক আইন-কানুন সম্প্ৰসাৰিত কৰে। ৰাষ্ট্ৰসংঘৰ স্পষ্ট নিৰ্দ্দেশ হেলাৰঙে উলংঘা কৰি ৰাষ্ট্ৰসংঘৰ তদাৰকত নিৰ্বাচন পাতি সংখ্যাগৰিষ্ঠ নামিবিয়ানৰ হাতলৈ ক্ষমতা হস্তান্তৰ কৰিবৰ বাবে দিয়া আঁচনিৰ প্ৰতি বুঢ়া আঙুলি দেখুৱাই দক্ষিণ আফ্ৰিকাৰ সংখ্যালঘু চৰকাৰে যোৱা বছৰৰ ডিচেম্বৰত নিৰ্বাচনৰ ভেকোভাওনা পাতি বৰ্ণবৈষম্যবাদী দল এটাক জয়ী কৰি চূড়ান্ত বিচাৰত সাম্ৰাজ্যবাদৰে স্বাৰ্থৰক্ষাৰ পথ প্ৰশস্ত কৰাৰ উপায় উলিয়ায়।

নামিবিয়া ১৮৯০ চনৰ পৰা প্ৰথম মহাযুদ্ধ পৰ্যন্ত জাৰ্মান উপনিবেশ আছিল। প্ৰথম মহাযুদ্ধৰ পিচত লীগ অব নেছনছৰ পৰা দক্ষিণ আফ্ৰিকাই নামিবিয়াৰ প্ৰশাসনৰ কৰ্তৃত্ব লাভ কৰে। ১৯৪৬ চনত দক্ষিণ আফ্ৰিকাই সেই অঞ্চলটো নিজৰ দেশৰ লগত চামিল কৰিবলৈ ৰাষ্ট্ৰসংঘৰ অনুমতি বিচাৰে; ৰাষ্ট্ৰসংঘই সেই অনুৰোধ অগ্ৰাহ্য কৰি অঞ্চলটো ৰাষ্ট্ৰসংঘৰ ন্যাস হিচাপে অৰ্পন কৰিবলৈ (Trustee ship) আহ্বান জনায়। দক্ষিণ আফ্ৰিকাই তাকো অমান্য কৰি ১৯৫০ চনৰ পৰা একপক্ষীয় ভাবে নামিবিয়াক নিজৰ দেশৰ লগত চামিল কৰে। ইয়াৰ পৰৱৰ্তী কালত বহু ঘটনা সংঘটনৰ পৰিপ্ৰেক্ষিতত ১৯৬৬ চনত ৰাষ্ট্ৰসংঘই নামিবিয়াৰ ওপৰত দক্ষিণ আফ্ৰিকাক দিয়া কৰ্তৃত্ব (Mandate) নাকচ কৰি দক্ষিণ-পশ্চিম আফ্ৰিকাৰ এই অঞ্চলটো ৰাষ্ট্ৰসংঘৰ পোণপটীয়া দায়িত্বলৈ অহা বুলি প্ৰস্তাব লয় আৰু নিৰাপত্তা পৰিষদেও সেই অঞ্চলত দক্ষিণ আফ্ৰিকাৰ প্ৰশাসনক অবৈধ বুলি ঘোষণা কৰে। কিন্তু সেই সমস্ত প্ৰস্তাব ঘোষণাৰ প্ৰতি দক্ষিণ-আফ্ৰিকাই কেৰেপ কৰা নাই আৰু মাৰ্কিন যুক্তৰাজ্য, বৃটেইন, ফ্ৰান্স আদি দেশবোৰে ৰাষ্ট্ৰসংঘৰ নৰম প্ৰতি-ব্যৱস্থাবোৰো ব্যৰ্থ কৰি দক্ষিণ আফ্ৰিকাক বৰং শক্তিশালী কৰি তুলিবৰ বাবেহে উদ্যোগ লৈ আহিছে।

এই সমস্ত অবৈধ আৰু জঘন্য নীতিৰ প্ৰতি উৎসাহ দেখুৱাই অহা, লুণ্ঠনৰ মৃগয়া ক্ষেত্ৰখন সংকুচিত নোহোৱাকৈ ৰাখিব খোজা আৰু সংখ্যা গৰিষ্ঠ কৃষ্ণাংগ

সকলক কেবল মুনাফা লুট কৰি নিয়াত যন্ত্ৰ হিচাপে ব্যৱহাৰ কৰি থকাৰ ব্যৱস্থাটো চিৰস্থায়ী কৰি ৰাখিবলৈ বিচৰা সাম্ৰাজ্যবাদেও শেষত নতুন কৌশল গ্ৰহণ কৰিবলৈ বাধ্য হব লগা হয়। নামিবিয়াত চলি থকা ক্ৰমবৰ্ধিত সশস্ত্ৰ মুক্তিসংগ্ৰাম আৰু এংগোলাত ছোভিয়েট সামাজিক সাম্ৰাজ্যবাদৰ ঘাটি স্থাপন—এই দুই ঘটনা প্ৰবাহে মাৰ্কিন যুক্তৰাজ্য, বৃটেইন, ফ্ৰান্স আদি সৰু-বৰ সাম্ৰাজ্যবাদী দেশ কেইখনক নতুন কৌশলেৰে, সহনীয় নীতিৰে নিজা স্বাৰ্থ সংৰক্ষণ কৰাৰ উদ্যোগ লবলৈ বাধ্য কৰি তোলে।

এনে পৰিস্থিতিৰ পৰিপ্ৰেক্ষিতত ১৯৭৬ চনত কিছিঞ্জাৰৰ দ্বাৰা নামিবিয়াৰ একাংশ অনুগত কৃষ্ণাংগ নেতা আৰু দক্ষিণ আফ্ৰিকাৰ মাজত তথাকথিত বুজাবুজিৰ প্ৰক্ৰিয়া এটা আৰম্ভ কৰা হয়—যাৰ মাৰফৎ প্ৰকৃততে নামিবিয়াত সাম্ৰাজ্যৱাদৰে ঘাটি ৰক্ষা কৰিব পৰা যায়। ইয়াৰ পিচৰ পৰাই নামিবিয়াৰ প্ৰশ্নটোৱে গুৰুত্বপূৰ্ণ স্থান লাভ কৰিবলৈ ধৰে আৰু ১৯৭৮ চনত মাৰ্কিন যুক্তৰাজ্য, বৃটেইন, ফ্ৰান্স, পশ্চিম জাৰ্মানী আৰু কানাডা—এই পাঁচখন দেশে সংখ্যাগৰিষ্ঠৰ হাতত শান্তিপূৰ্ণভাৱে ক্ষমতা হস্তান্তৰৰ পক্ষে এখন আচনি আগবঢ়ায়—যাক চমুতে পশ্চিমীয়া আঁচনি বুলি জনা যায়। এই আঁচনিত মোটামুটি ভাৱে চাউথ ৱেষ্ট আফ্ৰিকান পিপুলছ অৰগেনাইজেছনেও (swapo) সমৰ্থন দিয়ে। মুঠ কথাত

( ৫৬ পৃষ্ঠাৰ পৰা )

বুজিব পাৰিলে বতৰৰ লগত খেতিৰ সম্বন্ধৰ কথা। অৱশ্যে মেৰী টাইলাৰে খালি শিকাই নাছিল, তেওঁ সময়ত শিকাবলৈকো প্ৰস্তুত। জেলত সোমোৱাৰ সময়ত ভাৰতীয় ভাষাৰ সৈতে মাথোন ছমাহৰ চিনাকি থকা ছোৱালীজনীয়ে জেলত থকা কালছোৱাত নিজেই শিকি লোককো শিকাব পৰা হ'ল। বীণাক বঙালী লিখিবলৈ শিকালে। আনহাতে বীণা, কল্পনা আৰু চকুৰে নেদেখা অথচ একেটা জেলত থকা পুৰুষ সহবন্দীবিলাকৰ বৃটেন, ইউৰোপৰ বিষয়ে কৌতুহল পুৰাবলৈ বহুত কষ্ট কৰি মেৰী টাইলাৰে কিতাপ-পত্ৰ গোটাই আয়াৰলেণ্ডৰ জাতীয় প্ৰশ্ন, বৰ্ণ সমস্যা ইত্যাদি পঢ়িবলৈ ধৰিলে যাতে শুদ্ধ উত্তৰ দিব পাৰে।

সহজ, সৰল, সাধাৰণ ভাবাই; অথচ মেৰী টাইলাৰৰ সহানুভূতিশীল, আবেগপূৰ্ণ অন্তৰখন সাংঘাতিক শাসনত ৰাখিলেও আবেগবৰ্জিত ভাষাৰে সংহত-ভাৱে ধৰি ৰাখিছে; অথচ ধৰি ৰখা শক্তিখিনিৰ জুই জ্বলিছে নিমজ surfaceটোক ভিতৰৰ পৰা পোহৰাই তুলিবলৈ, আৰু বিশেষকৈ ভাষাক উজ্জ্বল কৰি তুলিছে মেৰী টাইলাৰৰ মানুহৰ জীৱনলৈ সোমাই যাব পৰা অন্তৰ্ভেদী শক্তিয়ে, সমস্যাৰ লগত জড়িত হ'ব পৰা শক্তিয়ে। মনত পৰাৰ পৰা আমি ইমান বিভৎস কাণ্ডবোৰ দেখি আহিছোঁ যে সময়ত নেদেখা হৈ যাওঁ, মনকাণ নিদিয়া হৈ পৰো, এক প্ৰকাৰৰ এনাস্থেছিয়া দিয়া ৰোগীৰ দৰে সংজ্ঞাহীন হৈ যাওঁ। তেতিয়া মেৰী টাইলাৰ আৰু তেওঁৰ নিচিনা মানুহৰ দৰকাৰ হৈ পৰে। বস্তু আৰু মানুহৰ প্ৰতি তেওঁলোকৰ পোনপটীয়া, ভীষণভাৱে একাগ্ৰ আৰু প্ৰত্যক্ষ আচৰণৰ পৰা আমি শিকিব পাৰোঁ। ++

অপৰ্ণা মহন্ত





এই আঁচনিৰ লক্ষ্য হ'ল ৰাষ্ট্ৰসংঘৰ তদাৰকত নিৰ্বাচন পাতি সংখ্যাগৰিষ্ঠ নামিবিয়াৰ হাতত ক্ষমতা দিয়া। কিন্তু দক্ষিণ আফ্ৰিকাই বিভিন্ন অজুহাত দেখুৱাই এই আঁচনিও মানি নললে আৰু আগেয়ে সিদ্ধান্ত কৰা মতেই যোৱা ৪ ডিচেম্বৰত নামিবিয়াত নিৰ্বাচনত পাতিলে।

স্বাভাৱিকতে অনুমান কৰা মতেই সেই নিৰ্বাচনত দক্ষিণ আফ্ৰিকা চৰকাৰৰ বৰ্ণবৈষম্যবাদী নীতিৰ পৃষ্ঠপোষক সংগঠন ডেম'ক্ৰেটিক টাৰ্ণহল এলায়েঞ্চে (Democratic Turnhalle Alliance) জয় লাভ কৰে। ৰাষ্ট্ৰসংঘই এই বছৰত নিজৰ তদাৰকত নিৰ্বাচন পাতি ক্ষমতা হস্তান্তৰৰ ব্যৱস্থা কৰিব বুলি দক্ষিণ আফ্ৰিকাক নিৰ্বাচনৰ পৰা বিৰত থাকিবলৈ নিৰ্দেশ দিছিল যদিও দক্ষিণ আফ্ৰিকাই দীৰ্ঘকাল আন বহু আদেশ, নিৰ্দ্দেশ হেলাৰঙে উলাই কৰি অহাৰ দৰেই এই নিৰ্বাচন পাতি নিজৰ তাবেদাৰ সংগঠনৰ হাতত ক্ষমতা ৰাখি ভৱিষ্যতে ৰাষ্ট্ৰসংঘৰ তদাৰকত হ'ব পৰা নিৰ্বাচনত নিজা পক্ষৰ বিজয় সুনিশ্চিত কৰিবলৈ আগু ব্যৱস্থা গ্ৰহণ কৰে। 'স্বাপ্'ৱে এই নিৰ্বাচন বৰ্জন কৰে আৰু নিৰ্বাচনৰ আগমুহূৰ্তত 'স্বাপ্'ৰ ছয়জন নেতাক গ্ৰেপ্তাৰ কৰা হয়। ইতিমধ্যে ৰাষ্ট্ৰসংঘই এই নিৰ্বাচন অবৈধ বুলি ঘোষণা কৰিছে। কিন্তু পশ্চিমীয়া দেশ কেইখনে এই পৰ্যন্ত ৰাষ্ট্ৰসংঘই দক্ষিণ আফ্ৰিকাৰ ক্ষেত্ৰত কটা নীতি গ্ৰহণ কৰাৰ বিৰুদ্ধেই—অৰ্থহীন আলাপ আলোচনাৰে দক্ষিণ আফ্ৰিকাক সৈমান কৰোৱাৰ পক্ষেই ওকালতি কৰি আছে। ইয়াৰ অৰ্থই হ'ল দক্ষিণ আফ্ৰিকাৰ অত্যাচাৰী চৰকাৰক নিজৰ সুবিধামতে পৰিকল্পনাবোৰ সুস্থিৰ কৰি লৈ শাসন-শোষণৰ পুৰণি ব্যৱস্থাটোকে সবল কৰি লবলৈ সুবিধা দিয়া; প্ৰয়োজন স্থলত তাবেদাৰ কৃষ্ণাংগ লোকক কিছু 'কনছেচন' দি সংখ্যাগৰিষ্ঠৰ নামত আগৰ বৈষম্যমূলক আৰু সংখ্যালঘুৰ শাসনকে বৰ্তাই ৰখা। হৈ যোৱা নিৰ্বাচনৰ উদ্দেশ্যও আচলতে সেয়াই। নীতিগতভাৱে দক্ষিণ আফ্ৰিকাই ৰাষ্ট্ৰসংঘৰ তদাৰকত পুনৰ নিৰ্বাচন পাতিব বুলি কথা দিছে আৰু নিৰ্বাচনৰ আগেয়ে ডেমক্ৰেটিক টাৰ্ণহল এলায়েঞ্চে ক্ষমতা এৰি দিব বুলিও কৈছে। কিন্তু মূলতঃ তাৰ আগেয়ে সংখ্যালঘু শ্বেতাংগৰ আধিপত্য নিৰংকুশ কৰাৰ, অৰ্থনৈতিক স্থিতাবস্থা বৰ্তাই ৰখাৰ ব্যৱস্থা দহদহীয়া হৈ পৰিব আৰু ৰাষ্ট্ৰসংঘৰ তদাৰকত হব লগা নিৰ্বাচনতো দক্ষিণ আফ্ৰিকা তথা পশ্চিমীয়া সাম্ৰাজ্যবাদী শক্তিৰ তাবেদাৰ অংশই ক্ষমতা লাভ কৰাৰ সমস্ত কৌশল নিষ্কণ্টক হ'ব—এয়াই পৰিকল্পিত লক্ষ্য।

'শান্তিপূৰ্ণ সমাধানৰ' তত্ত্বটোত আচলতে মাৰ্কিন সাম্ৰাজ্যবাদকে মুখ্য কৰি সৰু-বৰ সাম্ৰাজ্যবাদৰ স্বাৰ্থই সংশ্লিষ্ট হৈ আছে; কাৰণ সেই পথেদি [illegible] হস্তান্তৰ কৰিব নোৱাৰিলে সিহঁতৰ নিজৰ স্বাৰ্থ কোনো প্ৰকাৰেই ৰক্ষা নপৰে। সৰু-বৰ এই সাম্ৰাজ্যবাদী শক্তিবোৰে নিজৰ স্বাৰ্থ ৰক্ষাৰ বাবেই মুক্ত গণতন্ত্ৰৰ নাম লৈ, কাৰ্টাৰৰ নিচিনা লোকে মানবীয় অধিকাৰৰ প্ৰশ্নত ঘৰিয়ালৰ চকুপানী টুকিও দমনমূলক, বৰ্ণবৈষম্যবাদী আৰু অত্যন্ত অগণতান্ত্ৰিক দক্ষিণ আফ্ৰিকাক 'মদৎ' যোগাই আহিছে আৰু তাৰ দ্বাৰাই সেই প্ৰশাসনক বিশ্বজনমতক হেলাৰঙে উলাই কৰি যাবলৈ শক্তি দিছে। তিনি বছৰৰ ভিতৰতে চাৰিবাৰতকৈ অধিক





OKDISCD

বাৰ মাৰ্কিন যুক্তৰাজ্য, বৃটেইন আৰু ফ্ৰান্সে দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে নিৰাপত্তা
পৰিষদে লব খোজা বিস্তৃত অৰ্থনৈতিক অৱৰোধৰ বিৰুদ্ধে 'ভেটো' প্ৰয়োগ কৰি
দক্ষিণ আফ্ৰিকাক বাধ্য কৰিব পৰা পৰিস্থিতি দূৰতে বিদূৰ কৰিছে। আনকি
অস্ত্ৰ-শস্ত্ৰ যোগানৰ বিৰুদ্ধে থকা নিষেধাজ্ঞা উলংঘা কৰি দক্ষিণ আফ্ৰিকাক কি
দৰে সামৰিক দিশত শক্তিশালী কৰি অহা হৈছে সেই কথা আগতে উল্লেখ কৰা
হৈছে। মুঠকথাত দক্ষিণ আফ্ৰিকাৰ সমস্ত দমনমূলক আৰু অবৈধ কাৰ্যকলাপত
মাৰ্কিন যুক্তৰাজ্যকে মুখ্য কৰি পশ্চিমীয়া সাম্ৰাজ্যবাদী দেশকেইখনৰ অভিসন্ধি
সংশ্লিষ্ট হৈ আছে আৰু সকলোবোৰ সুবিধামতে ক্ষমতা হস্তান্তৰৰ নামত
পৰবৰ্তী চৰকাৰৰ হাতত্তো ন্যস্ত কৰাৰ কৌশলেই আচলতে এই শান্তিপূৰ্ণ
সমাধানৰ প্ৰস্তাৱত ক্ৰিয়াশীল। সশস্ত্ৰ সংগ্ৰামৰ যোগেদি সমগ্ৰ ব্যৱস্থাটোকে
উৎখাত কৰিব খোজা শক্তিক পৰাপক্ষত 'নিয়ম-নীতিৰ' নিগড়লৈ আনি আৰু
নোৱাৰিলে সেই শক্তিক পৰ্যুদস্ত কৰিবলৈ অনৈক্য আৰু বিভাজন সৃষ্টিৰ কৌশল
খটুৱাই সাম্ৰাজ্যবাদৰ হিংস্ৰ হাতোৰা চিৰতৰে নিৰ্বিঘ্ন কৰি ৰখাই হ'ল এই
সকলোবোৰ আঁচনিৰ ঘাই লক্ষ্য। কিন্তু সেই আঁচনিবোৰো বৰ্তমান পৰ্যায়ত
দক্ষিণ আফ্ৰিকাৰ বাবে গ্ৰহণীয় হোৱা নাই—তাৰ কাৰণ হ'ল চূড়ান্ত স্বাৰ্থৰক্ষাৰ
অৰ্থে প্ৰয়োজনীয় থল নিকা কৰি লোৱা; আগতীয়াকৈ সুবিধা কৰি নোলোৱা
পৰ্যন্ত যি কোনো সময়তে সেই আঁচনি কাৰ্যকৰী কৰা সম্ভৱ নহয়—অন্যথাই
হিতে বিপৰীত হোৱাৰ আশংকা বিদ্যমান। কাল বিলম্ব কৰি সশস্ত্ৰ সংগ্ৰামৰ
ধাৰো ভোতা কৰিবলৈ আলোচনা-বিলোচনাৰে সমাধানৰ তত্ত্বটো অতি প্ৰশস্ত।
দক্ষিণ আফ্ৰিকাৰ এই সমস্ত কাম-কাজত সাম্ৰাজ্যবাদী দেশবোৰৰ হিত মত নাই
বুলি কোৱাৰো অৱকাশ নাই।

দক্ষিণ আফ্ৰিকাৰ লগত স্বাধীন হোৱাৰ পিচতো নামিবিয়াই যোগাযোগ ৰক্ষা কৰাৰ
পক্ষে আৰু শান্তিপূৰ্ণ সমাধানৰ প্ৰয়োজনীয়তা সম্পৰ্কে সাম্ৰাজ্যবাদী চৰকাৰবোৰে যি
গুৰুত্ব দি আহিছে তাক 'ডি ইকনমিষ্ট' (লণ্ডন) নামৰ পাত্ৰিকাখনেই বৰ বঢ়িয়াকৈ প্ৰকাশ
কৰিছে। পত্ৰিকাখনে (১৯৭৮, ১২ আগষ্ট) মত দিছে: 'আৰ্থিক ৰূপত দক্ষিণ
আফ্ৰিকাৰ লগত থকা নামিবিয়াক সহায়হে কৰিছে। ষাঠি বছৰ ধৰি প্ৰিটৰীয়াই নামি-
বিয়াৰ বাজেটত পৰিপূৰক মঞ্জুৰী দিছে: ১৯৭৭—৭৮ চনত ৬০ নিযুত ৰেণ্ড (৭০ নিযুত
ডলাৰ) পৰ্যন্ত। তদুপৰি উদ্যোগৰ ক্ষেত্ৰত প্ৰাথমিক কাম-কাজৰ বাবে দক্ষিণ আফ্ৰিকাই
কম সুদত ঋণ দিয়ে আৰু যথেষ্ট লোকচান ভৰিও পৰিবহন, ডাক আৰু
যোগাযোগ আগবঢ়ায়। ইয়াৰ লগত আছে পৈণত চিভিল' চাৰ্ভিছৰ সেৱা।
শাসনাধিষ্ঠিত শ্বেতাংগ সকলৰ মতে দক্ষিণ আফ্ৰিকাৰ লগত সম্পৰ্ক নথকা হ'লে
ষোৱা দেড় দশকৰ ভিতৰত নামিবিয়াই বছৰি গড়ে ৫ শতাংশৰো বেছি জাতীয়
আয়ৰ বিকাশ লাভ কৰিব নোৱাৰিলেহেঁতেন।'

ইউৰেনিয়াম আৰু হীৰাৰ পৰা ৰাহি হোৱা বৈদেশিক মুদ্ৰাৰ বিষয়ে
উল্লেখ কৰি পত্ৰিকাখনত কোৱা হৈছে: 'এই ৰাহি দ্ৰুত গতিৰে বৃদ্ধি পাব
পাৰে— যদিহে এটা শুভবুদ্ধিসম্পন্ন স্বাধীন চৰকাৰৰ হাতলৈ শান্তিপূৰ্ণভাবে ক্ষমতা



হস্তান্তৰ কৰা হয়। .........যদি নতুন চৰকাৰে বিদেশী নিয়োগকাৰীক আকৰ্ষণ
কৰে, তেনে স্বেচ্ছাই অহা নিয়োগকাৰীৰ অভাৱ নহব। ইতিমধ্যে, দক্ষিণ
আফ্ৰিকাৰ কনছাৰ্টিয়াম এটাই কাৰিবিবত চিমেণ্ট কাৰখানা এটা খুলিবলৈ আঁচনি
যুগুত কৰিছেই। উপকূলীয় অঞ্চলত তেলৰ সন্ধান পোৱা আৰু অধিকতৰ খনি
সম্পদৰ ভাণ্ডাৰ থকা বুলি উৰা বাতৰি ওলাইছে আৰু সিও বিদেশী ধন আকৰ্ষণ
কৰিব পাৰে। ব্যক্তিগত উদ্যোগক আৰু অঞ্চলটোত থকা শ্বেতাংগসকলক
আশ্বাস দি নতুন চৰকাৰে নামিবিয়াৰ পৰা পুঁজিৰ বহিৰ্গমণ. সংঘৰ্ষৰ পৰা বিৰত
থাকলে পাব পৰা বিত্তীয় সফলতা আকৰ্ষণীয় হৈ পৰিব পাৰে।

আচলতে এই দৃষ্টিভংগীত দক্ষিণ আফ্ৰিকা আৰু পশ্চিমীয়া সাম্ৰাজ্যবাদী দেশৰ
স্বাৰ্থ-সংশ্লিষ্ট অৱস্থানৰ গুৰুত্বই প্ৰতিফলিত হৈছে। নামিবিয়াত দক্ষিণ আফ্ৰিকাৰ
স্বাৰ্থতো আছেই, তাৰ উপৰি মাৰ্কিন যুক্তৰাজ্য, বৃটেইন, ফ্ৰান্স, কানাডা আৰু
পশ্চিম জাৰ্মানীৰ পুঁজিৰ লুণ্ঠনৰ বিস্তৃত স্বাৰ্থ সম্পৃক্ত হৈ আছে। ৰাষ্ট্ৰসংঘৰ এখন
প্ৰতিবেদনত প্ৰকাশ কৰা মতে নামিবিয়াৰ অৰ্থনীতিত পশ্চিমীয়া দেশবোৰৰ লিপ্ততাই
প্ৰমাণ কৰে যে বিদেশী পুঁজিয়ে গ্ৰহণ কৰা ভূমিকা কেৱল অৰ্থনৈতিক লক্ষ্যতে
সীমাবদ্ধ নহয়, ইয়াৰ ৰাজনৈতিক আৰু ৰণকৌশলৰ দিশৰ পৰাও প্ৰতিক্ৰিয়া
বৰ্তমান। বিদেশী শক্তিবোৰে নিজৰ স্বাৰ্থ আৰু বিনিয়োগকৃত পুঁজি ৰক্ষা কৰিবৰ
বাবেই দক্ষিণ আফ্ৰিকাক বিত্তীয় আৰু ৰাজনৈতিক সমৰ্থন দিছে আৰু তাৰ
যোগেদি সেই অঞ্চলটো অবৈধভাৱে দখল কৰি থাকিবলৈ আৰু নিজৰ স্বাৰ্থত
তাৰ সম্পদৰাজি লুণ্ঠন কৰিবলৈ দক্ষিণ আফ্ৰিকাক সহায় কৰিছে।

দক্ষিণ আফ্ৰিকা আৰু নামিবিয়াৰ সম্পৰ্কৰ ক্ষেত্ৰত 'ডি ইকনমিষ্ট' পাত্ৰিকাখনে
দাঙি ধৰা ছবিখন প্ৰকৃত ছবি নহয়। আচলতে নামিবিয়াক দক্ষিণ আফ্ৰিকাকে
মাধ্যম হিচাপে লৈ সাম্ৰাজ্যবাদী দেশবোৰে হিংস্ৰ লুণ্ঠনৰ মৃগয়াক্ষেত্ৰ কৰি লৈছে।
দক্ষিণ আফ্ৰিকাই সম্প্ৰতি নামিবিয়াৰ বাৰ্ষিক ৰপ্তানীৰ প্ৰায় ৫০ শতাংশৰ পৰা
বিদেশী মুদ্ৰা ৰক্ষা কৰিছে। আনহাতে ইউৰেনিয়াম, তাম, জিংক, সীহ, টিন,
কেডমিয়াম, মুক্তা আদি লুণ্ঠনক আছতীয়াভাৱে মনোনিবেশ কৰি দক্ষিণ আফ্ৰিকাই
নামিবিয়াক নিজৰ পণ্য ৰপ্তানিৰ বজাৰ হিচাপে ব্যৱহাৰ কৰি আহিছে। নামি-
বিয়াই কেৱল দক্ষিণ আফ্ৰিকাৰ পৰা সকলো ইন্ধন, যন্ত্ৰপাতি, সা-সৰঞ্জাম, চিমেণ্ট
আৰু ভোগ্যপণ্যই আমদানি নকৰে, প্ৰায়খিনি ফল-মূল আৰু শাক-পাচলি আৰু
খাদ্য-শস্যও আমদানি কৰিব লাগে।

খনি উদ্যোগৰ উপৰি আন দুটা প্ৰধান বাণিজ্যৰ ক্ষেত্ৰ মৎস্য উদ্যোগ আৰু
বাণিজিক কৃষিৰ পৰাও নামিবিয়াৰ পৰা দক্ষিণ আফ্ৰিকাই লুণ্ঠন চলাই আছে।
উপকূল অঞ্চলত মাছ মৰা ব্যৱসায়ত লিপ্ত আছে প্ৰায় ১১ টা দক্ষিণ আফ্ৰিকীয়
কোম্পানী। ১৯৭৪ চনত মৎস্য উদ্যোগৰ পৰা লাভ হয় ৯৬ নিযুত ৰেণ্ড (এক
ৰেণ্ডৰ মূল্য প্ৰায় ১ দশমিক ৪০ ডলাৰ)। সেইদৰে শ্বেতাংগ উদ্যোগীৰ দ্বাৰা
কৰা বাণিজ্যিক কৃষিৰ পৰা সেই বছৰত লাভ হয় ১০ নিযুত ৰেণ্ডৰো বেছি।
ৰাষ্ট্ৰসংঘৰ প্ৰতিবেদনখনত কোৱা মতে, ৰপ্তানিৰ অৰ্থে কৰা উৎপাদনৰ আধিপত্য

আৰু খনি আৰু মাছ মৰা উদ্যোগ খণ্ডত বিস্তৃত বিদেশী পুঁজি বিনিয়োগৰ পৰিণতিত অঞ্চলটোৰ পৰা ব্যাপক সম্পদ বাহিৰলৈ ওলাই গৈছে। প্ৰতি বছৰেই নামিবিয়াৰ মুঠ আয়ৰ প্ৰায় এক-তৃতীয়াংশৰ পৰা আধা ভাগ পৰ্যন্ত লাভ আৰু ডিভিদেণ্ডৰ ৰূপত অংশীদাৰ দেশলৈ স্থানান্তৰিত হয় আৰু তাৰ পৰা লাভ কৰে দক্ষিণ আফ্ৰিকা, বৃটেইন আৰু মাৰ্কিন যুক্তৰাজ্যই।

নামিবিয়াক খনিজাত সম্পদৰ ভাণ্ডাৰ বুলি ক'ব পৰা যায়। হীৰাৰ ক্ষেত্ৰত বিশ্বৰ প্ৰধান উৎস হ'ল নামিবিয়া, আনহাতে ভানাদিয়াম উৎপাদনত মাৰ্কিন যুক্তৰাজ্যৰ পিচতে। ১৯৭৩ চনত খনিজাত সম্পদ বিক্ৰীৰ পৰিমাণ হ'ল ২৩০ নিযুত ৰেণ্ড, তাৰ ভিতৰত অকল হীৰাতে ১৪৭ নিযুত ৰেণ্ড আয় হয়। হীৰা উৎপাদনৰ একমাত্ৰ কোম্পানীটো হ'ল দক্ষিণ আফ্ৰিকাৰ বিশ্বৰ ভিতৰতে সৰ্ববৃহৎ হীৰা কোম্পানী এটাৰ (De Beers consolidated Mines Ltd.) অংশ (subsidiary) Consolidated Diamond Mines of South West Africa Ltd. নামৰ কোম্পানী। আনহাতে ইউৰেনিয়াম সম্পদত বৃটেইন, ফ্ৰান্স, কানাডা পশ্চিম জাৰ্মানী আদিৰ স্বাৰ্থ জড়িত আছে। ইউৰেনিয়াম উৎপাদনত দক্ষিণ আফ্ৰিকা আৰু পাশ্চাত্যৰ সাম্ৰাজ্যবাদী দেশবোৰৰ লগ্নী পুজিৰ পৰিমাণ প্ৰায় ১ দশমিক ৫ বিলিয়ন ডলাৰ বুলি জনা যায়। ৰাছিঙৰ (Rossing) ইউ-ৰেনিয়াম উৎপাদনত সংশ্লিষ্ট কোম্পানীত বৃটেইনৰ এটা কোম্পানীৰ ৬০ শতাংশ, কানাডাৰ ১০ শতাংশ, দক্ষিণ আফ্ৰিকাৰ ১৩ দশমিক ২ শতাংশ, ফ্ৰান্সৰ ১০ শতাংশ অংশ আছে। পশ্চিম জাৰ্মানীৰ কোম্পানী এটাই ১৯৭১ চনত নামিবিয়াৰ ইউৰেনিয়াম উৎপাদনৰ কাম-কাজৰ পৰা অপসাৰণ কৰে যদিও তাৰ আগমুহূৰ্তত ৮ নিযুত ডি-এম লগ্নী কৰি থৈ আহে, তাৰ ৬ নিযুত ডি-এম দিয়ে পশ্চিম জাৰ্মানী চৰকাৰে। নামিবিয়াৰ পৰা ইউৰেনিয়াম ক্ৰয় কৰা বুলি প্ৰকাশ পোৱা দেশ কেইখন হ'ল বৃটেইন (৭৬২০ মেট্ৰিক টন), ফ্ৰান্স, জাপান আদি। গোপনভাবে ক্ৰয় কৰা দেশো যে নাই সেই কথা ন-দি ক'ব পৰা নাযায়।

ৰাষ্ট্ৰসংঘই পোৱা তথ্যমতে ৰাছিঙত প্ৰায় ১ লাখ টন নিম্নমানৰ ইউৰেনিয়াম ভাণ্ডাৰ আছে। নাটাল বিশ্ববিদ্যালয়ৰ গবেষক এগৰাকীৰ মতে অন্যান্য ইউৰেনিয়াম খনিবোৰ ব্যৱহাৰলৈ আনিলে ১৯৮০-ৰ শেষভাগত বছৰি প্ৰায় ২ বিলিয়ন ডলাৰ মূল্যৰ ইউৰেনিয়াম ৰপ্তানি কৰিব পৰা যাব। উল্লেখ কৰিব পাৰি যে নামিবিয়াৰ ইউৰেনিয়াম সস্তাতে লুণ্ঠন কৰি থকা হৈছে। বৃটেইনে প্ৰতি পাউণ্ড ইউৰেনিয়াম ক্ৰয় কৰে ১৪-ৰ পৰা ২২ ডলাৰ মূল্যত, কিন্তু ইউৰেনিয়ামৰ চলতি দাম হ'ল প্ৰতি পাউণ্ডত প্ৰায় ৩০ ডলাৰ।


সেইদৰে নতুন ধাতু-উদ্যোগ (Base metals) খণ্ডতো দক্ষিণ আফ্ৰিকা মাৰ্কিন যুক্তৰাজ্য, বৃটেইন, কানাডা আদি দেশৰ স্বাৰ্থ জড়িত আছে। তাম, সীহ, জিংক, কেডমিয়াম আৰু ৰূপ আদি উৎপাদনত লগা এটা কোম্পানীত (Jsumeb Corporation) নিয়ন্ত্ৰণ কৰে মাৰ্কিন যুক্তৰাজ্যৰ American



Metal Climax Inc. আৰু Newment Mining Corporation নামৰ কোম্পানীয়ে। দক্ষিণ আফ্ৰিকাৰ এটা কোম্পানীত এই দুটা মাৰ্কিন কোম্পানীৰ বৃহৎ অংশও আছে। দক্ষিণ-পশ্চিম আফ্ৰিকান কোম্পানীটোত দক্ষিণ আফ্ৰিকাৰ ইং-মাৰ্কিন কোম্পানীৰ অংশ ৪৪ শতাংশ। ইয়াৰ উপৰি আৰু কেইবাটাও কোম্পানী আছে যি বোৰত ইং-মাৰ্কিন পুঁজিৰ দখল অবিসম্বাদী।

নামিবিয়াৰ এই বিপুল ঐশ্বৰ্যৰ পৰা মুনাফা লুট কৰিছে বিদেশী শোষকে নামিবিয়ানসকলে দাসৰ জীৱন-যাপন কৰি আছে। অৰ্থনৈতিক বৰ্ণবৈষম্যবাদে কৃষ্ণাংগসকলক জীৱন নিৰ্বাহৰ নিম্নতম সুবিধাকণৰ পৰাও বঞ্চিত কৰি ৰাখিছে। নিজৰ দেশৰ সম্পদ আৰু নিজৰ শ্ৰমৰ দ্বাৰা লাখ লাখ টকা লুট কৰি নিয়া হৈছে—নামিবিয়ানসকলে তাত মাত মতাৰ অধিকাৰ নাই। শ্বেতাংগসকলতকৈ কৃষ্ণাংগসকলৰ দৰমহা একেবাৰে কম আৰু শোষণ আৰু নিপীড়ন অতি চৰা। ++

(ক্ৰমশঃ)





OKDISCD

## আমাৰ অৰ্ঘ্য

অভিশপ্ত চম্বল ।। খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা ১০.০০
বিলকিচ বেগম ।। খগেন্দ্ৰনাৰায়ণ দত্তবৰুৱা ১০.০০
অনন্য প্ৰান্তৰ ।। মেদিনী চৌধুৰী ১৫.০০
জন্ম (নাটক) ।। মহেন্দ্ৰনাথ বৰঠাকুৰ ৩.০০
আনন্দৰাম ঢেকীয়াল ফুকন ।। নন্দ তালুকদাৰ ১৫.০০
ৰত্নকান্ত বৰকাকতিৰ গদ্য সম্ভাৰ ।। যোগেন্দ্ৰনাৰায়ণ ভূঞা ৩০.০০
জীৱনৰ বাটত (উপন্যাস) ।। বীণা বৰুৱা ১২.০০
কামনাৰ অতীত (অনুবাদ) ।। প্ৰণীতা দেৱী ৩০.০০
জ্ঞানানন্দ শৰ্মা পাঠকৰ সাহিত্য আলোচনা ১৫.০০
পুৰণি অসম বুৰঞ্জী ।। পণ্ডিত হেমচন্দ্ৰ গোস্বামী ১৫.০০
অসমীয়া কথা সাহিত্য(পুৰণি ভাগ) ।। বিৰিঞ্চিকুমাৰ বৰুৱা ৪.০০
বিচিত্ৰনাৰায়ণ দত্তবৰুৱাৰ স্মৃতি গ্ৰন্থ ।। ১০.০০
কবিতাৰ ৰ'দ । হীৰেণ ভট্টাচাৰ্য ৩.০০
প্ৰেমৰ গান ।। হীৰেণ ভট্টাচাৰ্য ৩.০০
এৰি অহা দিনবোৰ ।। নলিনী বালা দেৱী ১৮.০০

Threads Woven : Ideals, Principles and Administration : B. P. Singh 30'00
Anglo-Assamese Relations, (Ph.D.Thesis, University of London) S.K.Bhuyan 50·00
The Pronouncing Anglo-Assamese Dictionary : B. N. Bhattacharjee 26·00
Milton : Tradition and Paradise Lost : A Heretical View : [Ph. D. Thesis, Cambridge University] Dr. Hiren Gohain 65·00
Human Sacrifice and Head Hunting in North Eastern India : B, Gohain 30·00
Assamese its Formation and Development : Dr. B, K. Kakati 30·00

লয়াৰ্চ বুক ষ্টল, পাণবজাৰ, গুৱাহাটী-৭৮১০০১
ফোন : ২৩৭৯৯


# কবিতা

## কবিতা-সহযোদ্ধা/পুণ্ডৰীকাক্ষ ভৰালী

বহুতেই কয়
কবিতাৰে বিপ্লৱ নহয় ।
ময়ো কওঁ
বিপ্লৱ কৰে
সঁচা জীৱন্ত মানুহে ।

প্ৰয়োজন দেখি
শব্দৰ মিছিল গঢ়ো
আখৰা চলাওঁ
বিস্মৃতিৰ জাল ফালি
উজলি উঠে ছান্দৰ পিটৰ্ফি* :

'কবিতাৰে যুঁজো মই ;
প্ৰতিটো কবিতা মোৰ
লগৰীয়া, বীৰ
যুঁজাৰু সৈনিক ।'

* হাংগেৰিৰ মহাকবি



OKDISCD

## বানপানীত নিহত শিশুৰ প্ৰতি/মদন শৰ্মা

যা আই যা
জলকুঁৱৰীৰ কোলাতে জিৰাবি যা।
আমাৰ চলেচলি চকুৰ পানীতহে
জলকুঁৱৰীৰ ৰং

যা আই যা
কতনা দিন কতনা ৰাতি
পেটৰ ভোকত কান্দি কান্দি
জলকুঁৱৰীৰ লগালি বেথা
এতিয়া কোলাতে এবেলি জিৰাবি যা।

কিনো দুখ— আৰুনো কি দুখ
জীৱনে দিবহি মোক ?
পাঁচোটা বছৰে দুখৰ নিশাতো
বুকু জুৰাই আছিলি মোৰ
জলকুঁৱৰী বৰ সাদৰী
আই অ' তেওঁৰে বুকু নেলাগে এতিয়া জুৰ।

ন-পানীৰ স'তে চকুপানী বাঢ়ে
জলকুঁৱৰীৰো বাঢ়িছে ৰং।
পানীত মাথো মুধচ উটে, ভেঁটি উঠে
পিতায়েৰে কয়–"জীৱনতো নাযায় উটি"।
আই অ' যাগৈ যা
মেঘে আকাশ ওন্দোলি আনিছে
উদং আকাশৰ তলতে আমাৰ ৰাতিটো যাব কাটি
পুৱাতে আকৌ লগে ভাগে
বিচাৰি যামগৈ মাটি।



আই অ' ৰাতিও বহুত হ'ল
আকাশো আবৰি ৰাখিছে মেঘে
বাঢ়নী পানীৰ নিচুকনি শুনি
জলকুঁৱৰীৰ কোলাতে টোপনি যাবি,
পোহৰ হ'লেই উঠিবি ভাহি
লগতো এঠাইত হ'মেই!

পোনাকণেও কান্দি কান্দি কৰিছে আমনি
আন্ধাৰ হ'লেই তাৰো ভয়
সিতো নাজানে পোহৰ কেতিয়া হয়,
আমি হলে জানো—আন্ধাৰৰ পিছতে
পূব পোহৰ হয়

আই অ' এতিয়া শোগৈ যা....যা আই যা... + +

## দেশ কাল চাই/মৃণাল চৌধুৰী

দুৰ্যোগতেই সুযোগ ওলাই
দুখৰ গীতৰ ৰেকৰ্ড ৰজাই
চাধা-চিধা বজাই

আজব দেশ-তাজ্জব বেপাৰ
মৰা মানুহৰ ছাল চেলাই
ভোজ-ভাত খাই, মোৰ দেশৰ ৰজাই
দেশ-কাল চাই। + +



OKDISCD

# তাপলি মৰা চোলা আৰু ফটা জোতাৰ কবিতা/ৰবীন্দ্ৰ সৰকাৰ

তাপলি মৰা চোলা
আৰু ফটা জোতাৰ সৈতে
আজিকালি মোৰ বৰ মিতিৰালি।

তেওঁলোকে মোৰ ভাষা বুজে
মই তেওঁলোকৰ আশা বুজোঁ,
পেট পূৰাই দুই সাজ খোৱা
সন্তান-সন্ততিৰ বাবে
ফুল-বাৰী পাতি দুই-চাৰিটা সূৰুযমুখীৰ পুলি ৰোৱা......

তাপলি মৰা চোলা আৰু ফটা জোতাই
আজিকালি কিছুমান কথা বুজি পায়;
তেওঁলোকে কোট-পটলুঙৰ ৰঙা চকুক মুঠেই কেৰেপ নকৰে
মুখা পিন্ধা মুখবোৰত থুই পেলায়।

তাপলি মৰা চোলা
আৰু ফটা জোতাৰ শাৰীটো
দিনে দিনে দীঘল হয়;
মই সিহঁতৰ কাষতেই থিয় দিওঁ।
কাৰণ, সিহঁতে বাঢ়নী পানীৰ দৰে
বিহ মেটেকাবোৰ উটুৱাই নিয়ে।
হাল আৰু হাতুৰিৰ দৰে সহজ এই মানুহবোৰেই
আতংকিত কোট-পটলুঙৰ
খাৰ-বাৰুদৰ গড়টো ভাঙি পেলায়।

তাপলি মৰা চোলা
আৰু ফটা জোতাৰ সৈতে
আজিকালি মোৰ বৰ মিতিৰালি,
কাৰণ, তেওঁলোকে ভৰালিৰ ছাবিপাত চিনি পায়। + +



# যন্ত্ৰণা/পূৰ্ণ ভট্টাচাৰ্য

ক্ষুধাৰ যন্ত্ৰণা সহি
মৰি মৰিও মোক জীয়াই থাকিব
ন'কবা আই
কাহানিও ন'কবা।

তিয়াই নিদিবা
ঘৰ্মাক্ত মোৰ দেশৰ মাটি
চকুলোৰে কোনেও
পৰা নাই কাহানিও
জীৱনৰ গতিধাৰা
কৰিব সলনি
পৰা নাই, কাহানিও পৰা নাই।

সেয়েহে মোক ন'কবা আই
ক্ষুধাৰ যন্ত্ৰণা সহি
মৰি মৰিও মোক
জীয়াই থাকিব ন'কবা
কাহানিও ন'কবা। + +


## মাও ছে টুঙৰ কবিতা

মাও ছে টুঙৰ কবিতাৰ অসমীয়া ভাবানুবাদ প্ৰকাশ পালে।
মূল্য—দুই টকা।
যোগাযোগ কৰকঃ কবিতা প্ৰকাশন, গুৱাহাটী-৭৮১০০৪




OKDISCD

## স্মৃতি নে বৰ্তমান/পৰশু গোস্বামী

মগজুৰে হৃদয়ক আঘাত কৰাৰ প্ৰাক্ মুহূৰ্ত্তত
তেজেৰে লুতুৰি গা, অথচ চৌদিশ ধুৰলী-কুঁৰলী
বুঢ়া শালগছৰ পাতেৰে কোবাই যেন ইতিকিং
কৰি যায় মোৰে প্ৰাক্তন প্ৰাণৰ দৈৰ।

চোতালৰ তুবৰিক্ত মুকুতা হেৰুৱা স্মৃতিৰ ভাৰতো
কি নিসন্ধান হাত; মাথোন বগুৱা বাওঁ
কি প্ৰমত্ত স্বাধিকাৰ, উঠিব খোজো
সুদৃশ্য পাহাৰ, চাই পঠিয়াওঁ
মোৰ শৈশবৰ তেজৰ গাঁওঃ আঃ কি এক
চেপা আবেগত শুই আছে খংশিঙাৰ মাত!

তেজৰ টোপনিত বুকুত গোটমৰা নিনাদ!
নিচেষ্ট দৈনন্দিন; আকৌ বগুৱা বাওঁ,
আমো, শিলৰ পাহাৰত বুকুৰে কটা
লোৰ, আঃ মোৰ প্ৰমত্ত স্বাধিকাৰ
দেখো নিৰ্বোধ গেঙনিৰ মাজেদি
ৰৰনৈয়ে টানি নিয়া শুকুলা নাৱৰ পাল
তাত মোৰেই তেজৰ প্ৰতিটো টোপাল।

ইফাল সিফাল, তেজৰ টোপনিত গোটমৰা
নিনাদে টানি নিয়ে, আলেঙে আলেঙে
ভুৰি দিওঁ মোৰ শৈশবৰ তেজৰ গাওঁ ঃ
উশাহত বজ্জিতপুৰ, বতাহত বজ্জিতপুৰ....

পোৰা মাটিৰ ছাই ঘঁহি শুই থকা গাঁওখন
কিমান দিন শুৱাই থলে গাঁওখন
ৰিঙিয়াই মতাও কোনো নাই, কোনো নাই
কাগজৰ বাঁহীৰে ঢালু ময়দান চৰে।

মগজুৰে হৃদয়ক আঘাত কৰাৰ প্ৰাক্মুহূৰ্ত্তত
তেজৰ টোপনিত বুকুত গোট মৰা নিনাদত
স্মৃতিত নে বৰ্তমানত
ঠটা মাটিত চেঙালুটি পৰা মাছ! + +

## জিজ্ঞাসা/ৰাজু সাহা

মানুহ কোনে সৃষ্টি কৰিলে?
জাতি কেনেকৈ হ'ল?
সমাজ কোনে গঢ়িলে?
মোৰ প্ৰশ্নোত্তৰত সিহঁতে কলে—'ঈশ্বৰে'

মই প্ৰতিবাদ কৰি উঠিলো ...'ই অসত্য।'
সিহঁতে আকৌ উত্তৰ দিলে ঃ 'প্ৰকৃতি'
এইবাৰ মই চিঞৰি উঠিলো—ই অসম্ভৱ
সিহঁতে সমস্বৰে চিঞৰি সুধিলে
তেন্তে কোনে?

মই ক'লো—ইতিহাসে। + +



OKDISCD

# কেতিয়া তুমি কি ক'বা/যোছেফ ছাইমন কটাৰ

বন্ধু, আহা !
আমি এতিয়া ঈশ্বৰৰ ওচৰলৈ যাওঁ ;
তেওঁৰ কাষত থিয় হৈ
মই ক'ম ঃ
প্ৰভু, মই কাকো ঘিণ কৰা নাই
কিন্তু মই নিজে ঘৃণিত।
কাকো মই লাঞ্চনা কৰা নাই
অথচ মই নিজে লাঞ্চিত।
কাৰো ভেটি-মাটিৰ প্ৰতি মই লোভ কৰা নাই
কিন্তু মোৰ ভেটি-মাটিৰ প্ৰতি সিহঁতৰ লোভ।
কাকো মই উপহাস কৰা নাই
কিন্তু বহুতেই মোক উপহাস কৰিছে।

বন্ধু, তেতিয়া তুমি কি ক'বা ! + +

অনুঃ আভা ভট্টাচাৰ্য

OKDISCD

For All Chines Books & Periodicals
Directly from PEKING
*Please Step in :*
**JANATA MEGAZINE CORNER**
Panbazar, Gauhati-781001

SAMPRATIK SAMAYIKEE
Vol. III No. VI Feb. '79

D. M. No. 5746-94/G
Price Rs. 2·00

স্কুল কলেজৰ আলোচনী

কিতাপ

ৰাইটিং পেড

কেছ মেমো

নিমন্ত্ৰণী পত্ৰ

আদি

ৰং বিৰঙৰ কামৰ বাবে

# সাম্প্ৰতিক প্ৰিণ্টাৰ্চ

লতাশিল, গুৱাহাটী-৭৮১০০১

OKDISCD

Published by M. Deuri on behalf of "SAMPRATIK GOSTHI"
and Printed by him at Sampratik Printers, Gauhati-1
Editor- Nitya Borah, Co-Editor, Jnan Pujari